# নৈৰাঞ্জনা

ডিগবৈ মহিলা মহাবিদ্যালয়

২০২২-২৩ বৰ্ষ

সম্পাদিকা

জাহ্নৱী গগৈ

# NOIRANJANA (নৈৰাঞ্জনা)

An Assamese Book sharing experiences, memories of former students of Digboi Mahila Mahavidyalaya and published by Digboi Mahila Mahavidyalaya on behalf of Praktan Chatri Somiti (Ex-Student Committee) of Digboi Mahila Mahavidyalaya, Tinsukia, Assam.

---

Published: December 2023

---

**সম্পাদনা সমিতি**

**মুখ্য উপদেষ্টা**

ড° সঞ্চিতা চেতিয়া, অধ্যক্ষা

ডিগবৈ মহিলা মহাবিদ্যালয়

**উপদেষ্টা**

ড° পংকজ লোচন গগৈ

শ্ৰীমতী ৰঞ্জিতা শইকীয়া

**সম্পাদিকা**

শ্ৰীমতী জাহ্নৱী গগৈ

**সম্পাদনা সহযোগী**

শ্ৰীমতী কুমাৰিকা তালুকদাৰ

শ্ৰীমতী জোনালী বুঢ়াগোঁহাই

শ্ৰীমতী গীতালী মহন্ত

শ্ৰীমতী পূৰৱী সোনোৱাল

**বেটুপাতৰ পৰিকল্পনা**

শ্ৰীমতী জাহ্নৱী গগৈ

**কপিৰাইট**

ডিগবৈ মহিলা মহাবিদ্যালয়

**ISBN 978-81-959425-7-2**

মূল্য - ২২০.০০ টকা

**মুদ্ৰণ**

গিগাবাইট্‌চ প্ৰেছ এণ্ড পাব্লিকেশ্যন

মিলনপুৰ, নগাঁও (অসম)



# উছৰ্গা

ডিগবৈ মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠা আৰু অগ্ৰগতিত যিসকল পুৰোধা ব্যক্তিয়ে অশেষ কষ্ট আৰু ত্যাগ কৰিছিল তথা যিসকল শিক্ষাগুৰুৱে শিক্ষাৰ দৰে নিঃস্বাৰ্থ সেৱাৰে মহাবিদ্যালয়খনত নিজকে আত্মোৎসৰ্গিত কৰাৰ লগতে অলেখ ছাত্ৰীৰ জীৱন পোহৰাই তুলিলে তেওঁ লোকৰ কৰকমলত এই 'নৈৰঞ্জনা' গ্ৰন্থখন উছৰ্গা কৰা হ'ল।

**- সম্পাদনা সমিতি**

# সম্পাদকীয় কলম...

*All art is a gift. It is first of all a gift that the maker can do it. It is then a gift to someone else, whether they pay for it or not. The wonder of it is that we cannot get the production of these gifts stopped. Art is life seeking itself. It is our intractable expressions of love for the beauties, ideas and epiphanies we regularly find. I framed the painting. It's now hanging in our den. 'I have walked this earth for 30 years, and, out of gratitude, want to leave some souvenir.'*

**- Vincent Van Gogh**

ভেন গঘৰ এই বিখ্যাৎ উক্তিটো পঢ়াৰ পাছত কোনো যোগসুত্ৰ নোহোৱাকৈয়ে পাৰ হৈ অহা জীৱনৰ সময়খিনিত কলা আৰু উপহাৰৰ সন্ধান কৰি চাইছিলোঁ। ভেন গঘৰ এই কথাখিনিৰ লগত ৰজিতা খুৱাব পৰা কলাৰ চমৎকাৰিতা আমাৰ নাই বা সেই উপলব্ধিও নাই। কিন্তু জীৱনযাত্ৰাত মহাবিদ্যালয়ৰ সময়খিনিক যদি এক অমূল্য উপহাৰ বুলি ক্ষণিকৰ বাবে ধৰি লও, তেন্তে মহাবিদ্যালয়খন মোৰ চকুত এক কলা যেনেই অনুভৱ হয়। জীৱনৰ বাস্তবিকতাক যিদৰে মহাবিদ্যালয়খনে উপলব্ধি কৰিবলৈ শিকাইছিল সেয়া যেন এক কলাই আছিল। এতিয়া

উলটি চালে যিখিনি চকুৰ আগত ভাহি উঠে সেই ছবিবোৰ ভেন গঘৰ ছবিৰ দৰে স্মাৰক হৈ ধৰা দিয়ে। এনে লাগে যেন সেয়া ডিগবৈ মহিলা মহাবিদ্যালয় নহয়, জীৱন গঢ়াৰ কমাৰশালত আঁকি থৈ অহা অলেখ ছবিৰ এক কলাত্মক ৰূপ, জীৱনে লাভ কৰা এক অপূৰ্ব উপহাৰ।

ডিগবৈ মহিলা বিশ্ববিদ্যালয় কেৱল উজনি অসমৰ মহিলা মহাবিদ্যালয় এখনৰ নামেই নহয় অসমত মহিলাৰ শিক্ষা প্ৰসাৰ আৰু উত্তৰণৰ ক্ষেত্ৰত অবিৰতভাবে সফলতাৰে সেৱা আগবঢ়াই অহা এখন অগ্ৰণী শিক্ষানুষ্ঠানৰ নাম। মহাবিদ্যালয়খনৰ জন্মলগ্নৰে পৰা অসমৰ বিভিন্ন ঠাইৰ লগতে চুবুৰীয়া অৰুণাচল প্ৰদেশৰ পূব প্ৰান্তৰৰ অলেখ ছাত্ৰীয়ে আহি এই মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছেহি। পৰৱৰ্তী সময়ত এইসকল ছাত্ৰীয়ে নিজ নিজ কৰ্মক্ষেত্ৰত উজলি উঠি মহাবিদ্যালয়খনৰ নামো বিভিন্ন ক্ষেত্ৰত উজ্বলাই তুলিছে।

১৯৮১ চনতে প্ৰতিষ্ঠা লাভ কৰা মহাবিদ্যালয়খনে বিভিন্ন প্ৰতিকুলতাৰ মাজেৰে আহি আজিৰ এখন পূৰ্ণাঙ্গ মহাবিদ্যালয় ৰূপে স্বীকৃতি লাভ কৰিছে। এই ক্ষেত্ৰত মহাবিদ্যালয় খনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগভাগ লোৱা শ্ৰদ্ধাৰ শ্ৰীযুত দ্বীজেশ চন্দ্ৰ দেৱ শৰ্মা ছাৰকে প্ৰমুখ্যে কৰি আটাইকেইগৰাকী ব্যক্তিলৈকে আমাৰ শ্ৰদ্ধা তথা প্ৰণিপাত সদায় থাকিব। ডিগবৈ চহৰৰ মাজমজিয়াত ৮০ৰ দশকতে মহিলা মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাৰ দৰে এটি সাহসী আৰু দুৰূহ চিন্তাক আগুৱাই নি সফলতাৰে তাক বাস্তবায়িত কৰা ডিগবৈৰ সেই জনা-নজনা ব্যক্তিসকলক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ। আৰম্ভণিৰ সময়ৰ সেই ব্যক্তিসকলৰ নাম মহাবিদ্যালয় কৰ্তৃপক্ষই এখন ফলকত লিপিবদ্ধ কৰি ৰাখিলে তেখেতসকল অৱদানৰ প্ৰতি কিঞ্চিত সন্মান জনোৱা হ'ব বুলি অনুভৱ কৰিছোঁ। অৱশ্যে এয়া আমাৰ ক্ষুদ্ৰ মগজুৰ পৰা নিঃসৰিত এক অনুভৱহে ব্যক্ত কৰিছোঁ।

মহিলাৰ উচ্চ শিক্ষাত অগ্ৰণী ভূমিকা পালন কৰা এইখন মহাবিদ্যালয়ৰ সৈতে জড়িত হ'বলৈ পাই তথা জীৱনৰ ৰঙীন সময়চোৱাৰ পাঁচোটাকৈ বছৰ এইখন মহাবিদ্যালয়ত কটাবলৈ পাই আমি সদায়ে গৌৰৱ কৰি আহিছোঁ।

পলমকৈ হ'লেও ডিগবৈ মহিলা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী সমিতি এখনৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি মহাবিদ্যালয় কৰ্তৃপক্ষই বিগত বৰ্ষৰ ১৪ জুন তাৰিখে গঠন কৰে আৰু আমাক পুনৰ এখন মঞ্চত একত্ৰিত

হোৱাৰ পথ সুগম কৰি দিয়ে। এই সুযোগতে মহাবিদ্যালয় কৰ্তৃপক্ষক সমূহ প্ৰাক্তন ছাত্ৰীৰ হৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ডিগবৈ মহিলা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী সংস্থাৰ কাৰ্যকৰী সমিতিখন ঃ

| | | | |
|---|---|---|---|
| ১) | মুখ্য উপদেষ্টা | - | ড° সঞ্জিতা চেতিয়া,<br>অধ্যক্ষা, ডিগবৈ মহিলা মহাবিদ্যালয়। |
| ২) | উপদেষ্টা | - | ড° পংকজ লোচন গগৈ |
| ৩) | সমন্বয়ক | - | শ্ৰীমতী উৰ্মি শৰ্মা |
| ৪) | সভাপতি | - | শ্ৰীমতী কুমাৰিকা তালুকদাৰ |
| ৫) | উপ-সভাপতি | - | শ্ৰীমতী জোনালী বুঢ়াগোহাঁই |
| ৬) | সম্পাদিকা | - | শ্ৰীমতী পূৰবী সোণোৱাল। |
| ৭) | সহঃ সম্পাদিকা | - | শ্ৰীমতী সংগীতা ভৰালী<br>শ্ৰীমতী ৰণজীতা শইকীয়া |
| ৮) | কোষাধ্যক্ষা | - | শ্ৰীমতী মামণি দাস |
| ৯) | সদস্যা | - | শ্ৰীমতী দীপিকা ধৰ<br>শ্ৰীমতী অংকিতা শইকীয়া<br>শ্ৰীমতী পিংকী কোঁৱৰ। |

মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী সংস্থাৰ উপ-সমিতি সমূহ ঃ

| | | | |
|---|---|---|---|
| ১) | স্মৰণিকা বিভাগ | - | শ্ৰীমতী জাহ্নৱী গগৈ |
| ২) | সাংগঠনিক বিভাগ | - | শ্ৰীমতী জয়ন্তী শৰ্মা |
| ৩) | সাংস্কৃতিক বিভাগ | - | শ্ৰীমতী বিনীতা মৰাণ<br>শ্ৰীমতী শিখাজ্যোতি শৰ্মা<br>শ্ৰীমতী নিবেদিতা মৰাণ |
| ৪) | সাহিত্য আৰু তৰ্ক বিভাগ | - | শ্ৰীমতী নবনীতা গগৈ<br>শ্ৰীমতী গীতালি মহন্ত |
| ৫) | প্ৰচাৰ বিভাগ | - | শ্ৰীমতী দিপীকা ধৰ<br>শ্ৰীমতী মুনমী সন্দিকৈ |
| ৬) | নিউজ লেটাৰ | - | শ্ৰীমতী অংকিতা শইকীয়া |

ডিগবৈ মহিলা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী সমিতিয়েও মহাবিদ্যালয়খনৰ তথা ডিগবৈৰ বিভিন্ন ঠাইত সামাজিক ক্ষেত্ৰত সজাগতা

তথা সহযোগিতামূলক অনুষ্ঠানৰ আয়োজন কৰি আহিছে। তাৰ ভিতৰত—

১) গাৰ্হস্থ্য হিংসা প্ৰতিৰোধ আইন বিষয়ক সজাগতা সভা।
২) ঘৰুৱা হিংসাৰ ওপৰত আইনী সজাগতা কাৰ্যসূচী।
৩) অসামৰিক সেৱাৰ ওপৰত অভিমুখী কাৰ্যসূচী।
৪) Gender Sensitisation Programme.
৫) Legislative and Constitutional Initiative for Women Empowerment Legal Awareness. (Speaker -Jayanti Sarma)
৬) Essay Writing Competition on Pandemic COVID 19
৭) প্ৰাক্তন ছাত্ৰী সমাৰোহ।

প্ৰাক্তন ছাত্ৰী সমিতিৰ এই সামাজিক দায়বদ্ধতা আৰু গতিশীলতাক এখোজ আগুৱাই নি এই মহান সিদ্ধান্ত গ্ৰহণ আৰু কাৰ্যকৰী কৰা মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষা ড° সঞ্জিতা চেতিয়া বাইদেউক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই স্মৰণ গ্ৰন্থ প্ৰকাশৰ প্ৰথম চিন্তা কৰা মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপন কোষৰ সমন্বয়ক ড° পংকজ লোচন গগৈ চাৰক ধন্যবাদ জ্ঞাপন কৰিছোঁ। এই গ্ৰন্থখনিৰ প্ৰকাশত প্ৰয়োজনীয় অৰ্থৰ যোগান ধৰা মহাবিদ্যালয়ৰ বাংলা বিভাগৰ অধ্যাপক ড° আবুল ফয়েজ মঃ মালিক ছাৰকো ধন্যবাদ জ্ঞাপন কৰিছোঁ। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী-সমিতিৰ দ্বাৰা প্ৰকাশ কৰিবলৈ লোৱা এই স্মৰণ গ্ৰন্থখনৰ সম্পাদকৰ গধূৰ দায়িত্ব আমাৰ ওপৰত ন্যস্ত কৰে। বহু চিন্তা-চৰ্চা আৰু আলোচনাৰ অন্তত এই স্মৰণ গ্ৰন্থখনৰ নাম ‘নৈৰাঞ্জনা’ ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

‘নৈৰাঞ্জনা’ শব্দটো পুৰণি মগধ ৰাজ্য (বৰ্তমানৰ বিহাৰ)ৰ এখন নদীৰ নামৰ লগত জড়িত। দ্বিতীয় শতিকাৰ মহাপ্ৰজ্ঞাপৰামিতাশাস্ত্ৰ অনুসৰি “তেতিয়া বোধিসত্ত্ব ‘সি তা ত’ও (সিদ্ধাৰ্থ) ডাঙৰ হ’ল আৰু চক্ৰৱৰ্তী ৰজাৰ অৱস্থা ত্যাগ কৰি তেওঁ মাজনিশা ঘৰৰ পৰা ওলাই গৈ ‘নি লিয়েন চান’ (নৈৰাঞ্জন) নদীৰ পাৰৰ উৰুভিলভা (উৰুভিলা) দেশলৈ যায় য’ত তেওঁ তপস্যা কৰে ছয় বছৰৰ বাবে”। এই নৈৰাঞ্জনা নদীৰ পাৰত তেতিয়াৰ উৰুভেলা আৰু এতিয়াৰ ‘গয়া’ অৱস্থিত।

‘নৈৰাঞ্জনা’ৰ সম্পাদকৰ দায়িত্ব ল’বলৈ গৈ যথেষ্ঠ চিন্তিত হৈ

পৰিছিলো। কিয়নো, এইখন প্ৰাক্তন ছাত্ৰী সমিতিৰ দ্বাৰা প্ৰকাশ কৰিবলৈ লোৱা প্ৰথম কিতাপ। সেই হিচাপে এই কিতাপখনৰ বাবে যথাসম্ভৱ প্ৰাক্তন ছাত্ৰী সকলৰ পৰা লেখা বিচাৰি তেওঁলোকৰ লগত যোগাযোগ কৰাৰ চেষ্টা কৰা হৈছিল। কিতাপখনৰ প্ৰস্তুতিত যিদৰে প্ৰাক্তন সতীৰ্থ তথা ছাত্ৰীসকলৰ পৰা আৰম্ভণিতে বহু যোগাত্মক সহাঁৰি পোৱা হৈছিল যদিও পৰৱৰ্তী সময়ত সেই সঁহাৰি লাহে লাহে কমি আহিছিল। অলপ আশাহত হৈছিলো। কিন্তু তাৰ মাজতো ভালেকেইগৰাকী প্ৰাক্তন ছাত্ৰী, মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু শিক্ষকসকলৰ পৰা পোৱা নিৰন্তৰ সহযোগিতাই আমাক কিতাপখনৰ প্ৰাৰম্ভিক কামখিনি আগুৱাই নিয়াত উৎসাহ যোগালে। বহুতে ব্যক্তিগত ব্যস্ততাৰ দোহাই দি আমাৰ পৰা আতৰি থাকি আমাক অলপ নিৰাশ কৰিলে। তাৰোপৰি সময়ৰ নাটনি আৰু যোগাযোগ নম্বৰ সংগ্ৰহ কৰিব নোৱাৰা বাবে বহু প্ৰাক্তন ছাত্ৰীৰ সৈতে আমি নিজেও যোগাযোগ কৰিব নোৱাৰিলোঁ। তাৰ বাবেও আমি তেওঁলোকৰ ওচৰত ক্ষমাপ্ৰাৰ্থী। কিন্তু সম্পাদনাৰ এই গধুৰ কামত জড়িত হোৱাৰ সুবাদত এটা কথা বাৰুকৈয়ে উপলব্ধি কৰিছোঁ যে বিবাহিত জীৱনৰ ব্যস্ততাৰ মাজত এসময়ৰ আমাৰ মহাবিদ্যালয়ৰ বহু প্ৰতিভাই ক্ৰমাৎ স্তিমিত হৈ পৰিছে। ব্যস্ততাৰ বাবেই মহাবিদ্যালয়ৰ বহুকেইগৰাকী লেখিকাই আমাক লেখা দিব নোৱাৰিলে কিজানি। আশা কৰিম মহিলাৰ জীৱনৰ এশ-এবুৰি দায়িত্ব আৰু ব্যস্ততাৰ মাজতো নিজ নিজ প্ৰতিভা বিকাশৰ বা প্ৰকাশৰ সুবিধাৰ পৰা মহিলা হোৱা বাবেই তেখেতসকল যাতে থমকি ৰ'ব লগা নহয়।

'নৈৰাঞ্জনা'খন সজাই পৰাই তোলাৰ ক্ষেত্ৰত সৰ্বতো প্ৰকাৰে সহায় আগবঢ়োৱা ড° জভিয়েল কলিতা ছাৰ, জোনালী বুঢ়াগোহাঁই দাস বাইদেউ, ৰণজীতা শইকীয়া খাউণ্ড বাইদেউ, কুমাৰিকা তালুকদাৰ বাইদেউ, ড° সঞ্জিতা চেতিয়া বাইদেউ, দিপালী শৰ্মা বাইদেউ, মিনতি শৰ্মা বাইদেউ, শ্ৰদ্ধাৰ দীপক গোস্বামী ছাৰ, পংকজ লোচন গগৈ ছাৰ, দীপিকা ধৰ বাইদেউ, গীতালি মহন্ত বা, মিতালী মহন্ত বা, ইপ্সিতা কন্দলী শৰ্মা বা, মোৰ বান্ধৱী নিহাৰীকা, জাৰ্জি, ৰিজু, জুলিৰ ওচৰত মই সদায় ঋণী হৈ থাকিম। আশা কৰিম প্ৰাক্তন ছাত্ৰী সমিতিৰ দ্বাৰা প্ৰকাশিত পৰৱৰ্তী স্মৰণ গ্ৰন্থখনৰ বাবে ছাত্ৰীসকলে ভাৱিষ্যতে আশানুৰূপ সহযোগিতা আগবঢ়াব আৰু আমিও এইক্ষেত্ৰত যিখিনি পাৰো নিশ্চয় সহায় আগবঢ়াম।

গ্ৰন্থখনিৰ প্ৰকাশৰ ক্ষেত্ৰত সহায় কৰা গিগাবাইট্চ প্ৰেছ এণ্ড পাব্লিকেশ্যন্ৰ শ্ৰী কংকন গোস্বামী আৰু ভাৰতীয় তেল নিগম কৰ্তৃপক্ষলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ। সম্পাদনাৰ সময়ত অনিচ্ছাকৃতভাৱে হৈ যোৱা ত্ৰুটিৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিছোঁ আৰু সদাশয় পাঠকে আমাৰ ভুল আঙুলিয়াই দিলে সেয়া আমাৰ বাবে আশীৰ্বাদ হ'ব বুলি ভাবিছোঁ।

ডিগবৈ মহিলা মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উত্তৰোত্তৰ কামনা কৰিছোঁ।

জয়তু ডিগবৈ মহিলা মহাবিদ্যালয়।
জয়তু প্ৰাক্তন ছাত্ৰী সমিতি।

**জাহ্নৱী গগৈ**

# সূচীপত্ৰ


- ডিগবৈ মহিলা মহাবিদ্যালয় জন্মৰ আঁৰৰ বহুতো কথা
  **ড° মিনতি শৰ্মা**।। ১৩
- Jhumpa Lahiri: An Introduction
  **Dr. Pankaj Luchan Gogoi**।। ১৮
- ডিগবৈ মহিলা মহাবিদ্যালয়, সোঁৱৰণীৰ এখিলা পাত
  **কুমাৰিকা দত্ত তালুকদাৰ**।। ২৫
- স্বৰ্ণ বৰাৰ 'মেঘনা যমুনা থেমচ'ত চাহ শ্ৰমিকৰ জীৱন - এটি পৰিচয়
  **দীপালী শৰ্মা**।। ৩০
- "ডিগবৈ মহিলা মহাবিদ্যালয়" সোঁৱৰণীৰ এখিলা পাত
  **ঈপ্সিতা শৰ্মা**।। ৩৪
- ঘড়ীটো মাজতে বেয়া হৈছিল
  **মিতালী মহন্ত**।। ৪১
- স্মৃতিৰ এখিলা পাত
  **ৰুণু গগৈ শইকীয়া**।। ৫৩
- ডিগবৈ মহিলা মহাবিদ্যালয়ৰ পুথিভঁৰাল আৰু শৈক্ষিক উত্তৰণত পুথিভঁৰালৰ ভূমিকা - এটি চমু আলোকপাত
  **জোনালী বুঢ়াগোহাঁই**।। ৫৬
- মোৰ মৰমৰ সপোন
  **পুৰবী সোনোৱাল**।। ৬০
- শূন্যতাৰ সুতি
  **বন্দনা দাস দত্ত**।। ৬১
- সগৰ্ভা
  **ছায়া ৰাণী শইকীয়া**।। ৬৩
- নৱবৰ্ষ
  **মীনাক্ষী দত্ত**।। ৬৪

- সপোনটো বুকুতে থাকিল
  **মিতালী মহন্ত**।। ৬৫
- অপেক্ষাত বাস্তৱৰ...
  **জ্যোৎস্না ডেকা (বসুমতাৰী)**।। ৬৬
- মাজ নিশাৰ দৰদী টোপনি
  **পলী ৰাণী বৰা**।। ৬৮
- নিজৰ বাবে
  **মমতা দেৱী শৰ্মা**।। ৬৯
- তুমি আৰু মই
  **জুলি গগৈ**।। ৭০
- মানুহ
  **জুলিশিখা বৰুৱা**।। ৭১
- গণিকা তুমি
  **মন্দিৰা গগৈ ডেকা (মামণি)**।। ৭২
- ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আলোচনী “শ্যামলী”ৰ সম্পাদিকাসকলৰ চমু পৰিচয়
  **প্ৰীতিমালা তালুকদাৰ শইকীয়া**।। ৭৪
- ইছমত চুঘটাইঃ সাহিত্যৰ জৰিয়তে নাৰী সবলীকৰণ আৰু বাকী স্বাধীনতাৰ কথা কোৱা লেখিকাগৰাকী
  **জাহ্নৱী গগৈ**।। ৭৭
- কলেজ লাইব্ৰেৰী আৰু ইয়াৰ গুৰুত্ব
  **জাৰ্জীমণি বৰুৱা বৰা**।। ৮৫
- মহিলা শিক্ষা আৰু মহিলা মহাবিদ্যালয়ৰ গুৰুত্ব
  **নিহাৰীকা হাজৰিকা**।। ৮৯
- Political Relations between India and Neighboring Countries
  **Riju Devi**।। ৯৪
- মা
  **মনোমতি বৰা বৰুৱা**।। ১২০
- অব্যক্ত (অনুগল্প)
  **উৰ্মিমা তামুলী**।। ১২২
- ন্যায়
  **পিংকী কোঁৱৰ**।। ১২৩
- **কেইগৰাকীমান প্ৰাক্তন ছাত্ৰীৰ সৈতে হোৱা বাৰ্তালাপ**।। ১২৭

# ডিগবৈ মহিলা মহাবিদ্যালয় জন্মৰ আঁৰৰ বহুতো কথা


**ড° মিনতি শৰ্মা**
প্ৰাক্তন অধ্যাপিকা


তৈল নগৰী ডিগবৈৰ মহিলাৰ উচ্চ শিক্ষা জগতত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা এক অনন্য শিক্ষা প্ৰতিষ্ঠান হৈছে ডিগবৈ মহিলা মহাবিদ্যালয় বিগত শতিকাটোৰ আশীৰ দশকৰ প্ৰাৰম্ভণিতে স্থাপন হোৱা এই মহাবিদ্যালয়খনে ডিগবৈ আৰু ইয়াৰ আশে-পাশে থকা অঞ্চলসমূহকে ধৰি উজনি অসমৰ বিশেষকৈ নামৰূপ, দুলিয়াজান, ডুমডুমা, কাকপথাৰ, ফিল'বাৰী, জাগুন, পেঙেৰী, বৰডুমচা আদি ঠাইৰ ছাত্ৰীসকলক সামৰি গুণগত শিক্ষা প্ৰদান কৰি আহিছে। আনহাতে ওচৰ চুবুৰীয়া অৰুণাচল প্ৰদেশৰ বিভিন্ন ঠাইৰো অনেক ছাত্ৰীয়ে জন্মলগ্নৰে পৰা এই মহাবিদ্যালয়ত শিক্ষা লাভ কৰি বিভিন্ন স্থানত নিয়োজিত হ'বলৈ সক্ষম হৈছে।

অসমৰ উচ্চশিক্ষাৰ উত্তৰণত অনবদ্য অৱদান আগবঢ়াই যোৱা ডিগবৈ মহিলা মহাবিদ্যালয় স্থাপনৰ পটভূমি ৰচনা হৈছিল ১৯৮১ চনৰ জুন মাহত। সেই মাহৰে প্ৰথম সপ্তাহৰ এটা দিনত ডিগবৈৰ প্ৰাক্তন বিধায়ক, শিক্ষাবিদ তথা সমাজকৰ্মী শ্ৰীদ্বিজেশ চন্দ্ৰ দেৱ শৰ্মা ডিব্ৰুগড়লৈ যোৱাৰ উদ্দেশ্যে ডিগবৈ বাছষ্টেণ্ডলৈ আহিছিল। তাতে লগ পাইছিল ডিগবৈ মহাবিদ্যালয়ৰ অধ্যাপক ৰাজৰূপ সিঙক আৰু বিভিন্ন বিষয়ৰ ওপৰত তেওঁলোকে কথা পতাত নিমগ্ন হৈছিল। ডিগবৈত সহশিক্ষাৰ (co-education) এখন মহাবিদ্যালয় থকাৰ পাছতো ক্ৰমান্বয়ে কলেজীয়া শিক্ষাৰ চাহিদা তথা পৰিসৰ বাঢ়ি অহাত ছোৱালীৰ বাবে সুকীয়াকৈ এখন মহাবিদ্যালয় স্থাপনৰ বিষয়টোৰে তেওঁলোকৰ কথোপকথনত গুৰুত্ব লাভ কৰিছিল। এয়া

আৰম্ভণি। ইয়াতে অংকুৰিত হৈছিল বৰ্তমান পূৰ্ণাঙ্গ ৰূপত উজলি উঠা ডিগবৈ মহিলা মহাবিদ্যালয়ৰ এটি বীজ। য'ত অনেকজন গুণী-মানীয়ে বিভিন্ন পৰ্যায়ত সাৰ-পানী যোগান ধৰি সম্পূৰ্ণৰূপে বিকশিত হোৱাত সহায় কৰিছিল।

বাছষ্টেণ্ডত লগ পোৱাৰ কেইদিনমানৰ পাছতে তেওঁলোক ডিগবৈ কলেজৰ উপাধ্যক্ষা শ্ৰীমতী স্বৰ্গলতা গগৈৰ বাসভৱনত মিলিত হৈছিল। বিভিন্ন কথাৰ আলোচনাৰ মাজতে ছোৱালী মহাবিদ্যালয়ৰ বিষয়টোৱেও পুনৰ স্থান পাইছিল। লাহে লাহে বিষয়টোৰ গুৰুত্ব বাঢ়ি আহিছিল আৰু ১৯৮১ চনৰ ১৯ জুনৰ দিনা স্বৰ্গপতা গগৈৰ ঘৰতে তেখেতৰ স্বামী ডাঃ মহেন্দ্ৰ নাথ গগৈ, শ্ৰীদ্বিজেশ চন্দ্ৰ দেৱশৰ্মা, শ্ৰীৰাজৰূপ সিং, বিধায়ক ৰামেশ্বৰ ধানোৱাৰ, শ্ৰীমতী জয়ন্তী দত্ত, শ্ৰীমতী শান্ত্বনা বৰুৱা, শ্ৰীসুশীল ভাৰ্গৱ, শ্ৰীহৰদীপ সিং, শ্ৰীবংশতাজ যাদবৰ মাজত আলোচনা হৈছিল। তেওঁলোক সকলোৱে ডিগবৈত ছোৱালী মহাবিদ্যালয় এখন স্থাপনৰ প্ৰাসংগিকতাক সমৰ্থন কৰি সহমতত উপনীত হয়। সেই বছৰৰ পৰাই আৰম্ভ কৰাৰ মানসেৰে বিষয়টো বহল পৰিসৰত আলোচনা কৰিবলৈ চম নত ডিগবৈত বিভিন্ন উৰৰ লোকৰ প্ৰতিনিধিৰ উপস্থিতিৰ এখন মতা আহান কৰিবলৈ শ্ৰীতিজেশ চন্দ দেৱ শৰ্মা আৰু শ্ৰীহৰ্দীপ সিংক যুটীয়া আহ্বায়ক হিচাপে দায়িত্ব প্ৰধান কৰে। এই অনুসৰি ২৪ জুনত বিধায়ক শ্ৰীযুত ৰামেশ্বৰ ধানোৱাৰ দেৱৰ সভাপতিত্বত সভাখন অনুষ্ঠিত হয। সভাত ডাঃ মহেশ্বনাথ গগৈ, শ্ৰীমতী স্বৰ্ণলতা গগৈ, শ্ৰীপ্ৰবীপ বৰা, ডাঃ সুব্ৰত চত্ৰৱতী, চৈয়দা আফেলা খায়াম, শ্ৰীসমৰেন্দ্ৰ ভাগৱতীকে ধৰি বহু কেইজন গণ্য-মান্য ব্যক্তিয়ে অংশধহণ ফৰিছিল। আহ্বায়ক শ্ৰীত্বিজেশ চন্দ্ৰ শৰ্মা দেৱে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছতে বিভিন্ন দৃষ্টিকোণৰ পৰা বিভিন্ন দিশ আলোচনা কৰি সৰ্বসন্মতিক্ৰমে চলিত বছৰৰ পৰাই 'ডিগবৈ মহিলা মহাবিদ্যালয়' নামেৰে সুকীয়া মহাবিদ্যালয় এখন স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সভাত মহাবিদ্যালয়খনৰ নামটোৰ প্ৰস্তাৱ শ্ৰীযুত দ্বিজেশ চন্দ্ৰ দেৱ শৰ্মাই আগবঢ়াইছিল আৰু শ্ৰীযুত ধীৰেন্দ্ৰনাথ বৰুৱাই সমৰ্থন কৰিছিল। এই সভাতেই শ্ৰীযুত ৰামেশ্বৰ বানোৱাৰদেৱক সভাপতি, শ্ৰীধীৰেন্দ্ৰ নাথ বৰুৱা আৰু শ্ৰীহৰদ্বীপ সিঙক উপসভাপতি আৰু শ্ৰীদ্বিজেশ চন্দ্ৰ দেৱ শৰ্মাক সম্পাদক হিচাবে মনোনীত কৰি এখন তদৰ্থ গৰ্ভানিং ব'ডিও গঠন কৰা হৈছিল।

প্ৰতিটো সৃষ্টিৰ অন্তৰালত নিহিত হৈ থাকে বহু যন্ত্ৰণা আৰু লগতে বহু প্ৰত্যাহ্বান। ডিগবৈ মহিলা মহাবিদ্যালয়ো ইয়াৰ ব্যতিক্ৰম নাছিল। মহাবিদ্যালয়খন স্থাপনৰ দিশে আগবাঢ়ি যাওঁতে বহু কাংক্ষিত আৰু অনাকাংক্ষিত প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হৈছিল। মহাবিদ্যালয়খনৰ স্থাপন আৰু নামকৰণৰ সিদ্ধান্তৰ পাচতে শিক্ষা প্ৰদানৰ বাবে প্ৰয়োজন হৈছিল এটি ভৱনৰ। সেই সময়ত স্থায়ীভাবে বাদেই অস্থায়ীভাৱেও এটি বাসগৃহৰ অভাৱ হৈছিল। গতিকে আৰম্ভ হৈছিল শ্ৰেণীসমূহ সুকলমে চলাই নিবলৈ প্ৰয়োজন হোৱা বাসভৱন অনুসন্ধান কৰাৰ এটি নতুন যাত্ৰা। এই যাত্ৰাকালত বহু আবেদন-নিবেদন অনাব লগা হৈছিল। এনে এক আবেদনৰ প্ৰতি সঁহাৰি জনাই ডিগবৈ জিলা শিশু কল্যাণ কেন্দ্ৰৰ কৰ্তৃপক্ষই এবছৰৰ বাবে কেন্দ্ৰৰ বালভৱনটো ব্যৱহাৰ কৰিবলৈ অনুমতি প্ৰদান কৰি মহাবিদ্যালয় কৰ্তৃপক্ষক ধন্য কৰিছিল। এই সুবিধা লাভ কৰাৰ পাছত ১৯৮১ চনৰ ২৪ জুলাইত স্থানীয় ৰামকৃষ্ণ সেৱাশ্ৰমৰ শিক্ষানুৰাগী সন্ন্যাসী স্বামী শুদ্ধাত্মানন্দ মহাৰাজে বন্তি জ্বলাই বিভিন্নজনৰ সহযোগত ডিগবৈ মহিলা মহাবিদ্যালয়ত শুভ উদ্বোধন কৰি মহিলাৰ উচ্চ শিক্ষাৰ এটি সোণালী যাত্ৰাৰ সূচনা কৰে। শিশু কল্যাণ কেন্দ্ৰ বালভৱনটোৱে সাময়িকভাৱে সকাহ দিছিল যদিও পৰৱৰ্তী সময়ত শ্ৰেণীসমূহ চলাই নিয়াৰ ক্ষেত্ৰত পুনৰ অসুবিধাৰ সৃষ্টি হৈছিল। ইতিমধ্যে ভাৰতীয় তেল নিগমৰ অসম অইল ডিভিজনক আবেদন জনোৱা হৈছিল আৰু সেই মৰ্মে মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ আৰু অন্যানা কাম-কাজ চলাই নিৰ্বলৈ এবছৰৰ বাবে মুলীয়াবাৰীস্থিত এ,অ',চি.ৰ অব্যৱহৃত প্ৰাইমেৰী স্কুলখন পোৱা গৈছিল। এই ব্যৱস্থাও অস্থায়ী হোৱাত পুনৰ চিন্তান্বিত হৈ পৰিছিল। মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সকল, মহাবিদ্যালয়খন স্থায়ীভাৱে এক নিৰ্দিষ্ট স্থানত স্থাপন কৰাৰ উদেশ্যে এদিন শ্ৰীমাণিক চন্দ্ৰ হাজৰিকা আৰু শ্ৰীমতী স্বৰ্ণলতা গগৈ সহিতে শ্ৰীদ্বিজেশ চন্দ্ৰ দেৱ শৰ্মাই বৰ্তমানৰ কাৰ্মেল স্কুলখনৰ কাষতে থকা তেল নিগমৰ খালী মাটি এডোখৰ বিচাৰি অসম তেল সংমণ্ডলত জেনেৰেল মেনেজাৰ শ্ৰীবীৰেন্দ্ৰনাথ দত্ত আৰু মুখ্য কাৰ্যবাহী বিষয়া শ্ৰীআৰ গুৰু মূৰ্তিক লগ ধৰিছিল। সন্মানীয় বিষয়া দুগৰাকীয়ে বিষয়টোৰ গম্ভীৰতা উপলব্ধি কৰি সহৃদয়তাৰে মাটি মঞ্জুৰ কৰিবলৈ মান্তি হৈছিল। অৱশ্যে দুটা চৰ্তত। এটা চৰ্ত হৈছে মহাবিদ্যালয়খন

পঞ্জীভুক্ত হ'ব লাগিব আৰু আনটো হৈছে আইন অনুসৰি গৰ্ভানিং ব'ডীয়ে কোনো এজনক 'Power of Attomy' দি ৰেজিষ্টাৰ্ড দলিল কৰিব লাগিব।

মহাবিদ্যালয়খনৰ স্থায়িত্ব তথা ভৱিষ্যতৰ কথা ভাবি দুয়োটা চৰ্ত পালন কৰি ১৯৮২ চনৰ ২১ অক্টোবৰত Registration of Societies Act XXI, 1860 অনুসৰি মহাবিদ্যালয়খন পঞ্জীভুক্ত কৰা হৈছিল। গৰ্ভানি ব'ডীয়ে শ্ৰীদ্বিজেশ চন্দ্ৰদেৱ শৰ্মাক 'Power of Attomy' দিছিল। ইয়াৰ পিচতে ১৯৮৩ চনৰ ২৭ জানুৱাৰীত ভাৰতীয় তেল নিগমৰ অসম অইল ডিভিজনে কাৰ্মেল স্কুলৰ ওচৰতে ৬ বিঘা মাটি অনুমোদন কৰে আৰু ইয়াৰ লগে লগেই প্ৰায় দুবছৰীয়া উৎকণ্ঠৰ অন্ত পেলাই ডিগবৈ মহিলা মহাবিদ্যালয়ে এটি স্থায়ী ঠিকনা লাভ কৰিলে। কিন্তু ভূমিৰ সমস্যা সমাধান হ'ল যদিও অৰ্থৰ অভাৱত শ্ৰেণীকোঠা নিৰ্মাণ, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰীসকলৰ বাবে মাহিলী দৰমহাৰ ব্যৱস্থা কৰাটো কঠিন হৈ পৰিছিল । সেয়ে কলেজৰ পুঁজি টনকিয়াল কৰিবলৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ পৰা দান-বৰঙনি সংগ্ৰহ কৰা হৈছিল। আনকি ঘৰে ঘৰে গৈয়ো বৰঙনি তুলিছিল। তাৰ লগতে ভ্ৰাম্যমান থিয়েটাৰ আনি আৰু লটাৰী খেল অনুষ্ঠিত কৰিও আৰ্থিক সংকট দূৰ কৰিবলৈ চেষ্টা কৰা হৈছিল।

ব্যক্তিগতভাৱেও বিভিন্ন ব্যক্তিয়ে উদাৰতাৰে আৰ্থিক সাহায্য আগবঢ়াইছিল বিসকলৰ নাম অতি কৃতজ্ঞতাৰে মহাবিদ্যালয়ৰ প্ৰাচীৰত খোদিত কৰা আছে। তদুপৰি ডিগবৈ মহাবিদ্যালয়ৰ কেইবাগৰাকী অধ্যাপক-অধ্যাপিকাই অবৈতনিকভাৱে পাঠদান কৰি আৰ্থিক সংকট দূৰ কৰাত সহায় কৰিছিল। অন্যহাতে আৰ্থিক সমস্যাৰ উপৰিও আন কিছুমান সমস্যায়েও দেখা দিছিল। ইয়াৰ ভিতৰত ছাত্ৰী ভৰ্তিৰ সমস্যা আৰু মহাবিদালয়খনৰ বিৰুদ্ধে চলা কিছুমান অপপ্ৰচাৰ উল্লেখযোগ্য। নতুনকৈ স্থাপন হোৱা হেতু মহাবিদ্যালয়খনৰ গুণগত মান তথা স্থানীয় সন্দৰ্ভত সন্দিহান হৈ উঠা বহু অভিভাৱকে নিজৰ ছোৱালীক নামভৰ্ত্তি কৰাৰ প্ৰতি অনীহা প্ৰকাশ কৰিছিল। অপ প্ৰচাৰেও মহাবিদ্যালয়খনৰ ক্ষতি কৰিবলৈ লৈছিল। কিন্তু এনে বাধাসমূহ অতিক্ৰম কৰি মহাবিদ্যালয়খনে নিজস্ব গতিৰে আগবাঢ়ি গৈছিল। এই সফলতাৰ মূলতে আছিল মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠাপক সম্পাদক শ্ৰীদ্ধিজেশ চন্দ্ৰ দেৱ শৰ্মাৰ প্ৰত্যয়ভৰা আঁচনিসমূহ আৰু আশাশুধীয়া প্ৰচেষ্টা।

মহাবিদ্যালয়খন আছিল তেওঁৰ প্ৰাণস্বৰূপ। দিন-ৰাতি একাকাৰ কৰি মহাবিদ্যালয়খনৰ উন্নতিৰ বাবে তেখেতে অহোপুৰুষাৰ্থ কৰিছিল। তেখেতৰ সৎ প্ৰচেষ্টা আৰু সবল নেতৃত্বতে মহাবিদ্যালয়খনে সফলতাৰ জখলা বগাই ১৯৮৭ চনৰ ১৮ নৱেম্বৰত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্বীকৃতি (Affilation) লাভ কৰাৰ লগতে ১৯৮৮ চনৰ ১৯ জানুৱাৰীত চৰকাৰৰ পৰাও ঘাটি মঞ্জুৰি লাভ কৰি পূৰ্ণাঙ্গ ৰূপ ধাৰণ কৰিবলৈ সক্ষম হয়। ইয়াৰ পিছৰ পৰা মহাবিদ্যালয়খনে উভতি চাব লাগ হোৱা নাই। বৰ্তমান এটি সুন্দৰ আৰু বৃহৎ প্ৰেক্ষাগৃহ সহিতে দুমহলীয়া ভৱনটোৰ পৰিসৰ ক্ৰমান্বয়ে বৃদ্ধি পাই আহিছে। ক্ৰমাগতভাৱে ছাত্ৰীৰ সংখ্যা বৃদ্ধি হৈ অহাত নতুন নতুন শ্ৰেণীকোঠা নিৰ্মাণ **সহায়ক গ্ৰন্থঃ**

**সৰু সৰু মানুহৰ সৰু সৰু কথা ঃ** শ্ৰীদ্বিজেশ চন্দ্ৰ দেৱ শৰ্মা প্ৰথম প্ৰকাশ-২০০০ কৰিব লগা হৈছে। মানৱ সম্পদ গঢ় দিবলৈ যাওঁতে সম্প্ৰতি শিক্ষক-শিক্ষয়িত্ৰীসকলৰো দায়িত্ব আৰু কৰ্তব্য বাঢ়িছে যাৰ ফলত এক দীঘলীয়া সময় মহাবিদ্যালয়ত অতিবাহিত কৰিবলগা হোৱাত তেওঁলোকৰ বাবেও সুকীয়াকৈ বিভাগীয় কোঠা আবণ্টন কৰা হৈছে। ডিগবৈ মহিলা মহাবিদ্যালয়ে মানৱ সম্পদ গঢ় দিয়াত বহু পৰিমাণে সফলতা অৰ্জন কৰিছে। উচ্চতৰ মাধ্যিক চূড়ান্ত পৰীক্ষাত অসমৰ ভিতৰত স্থান লাভ কৰাৰ উপৰিও প্ৰতি বছৰে স্নাতক পৰীক্ষাত এক বুজন পৰিমাণৰ ছাত্ৰীয়ে প্ৰথম শ্ৰেণী লাভ কৰাৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ভিতৰতে কেইবাটাও বিভাগে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হৈছে। কেৱল শৈক্ষিক দিশতে নহয় ক্ৰীড়া আৰু সাহিত্য-সংস্কৃতিব বিভিন্ন ক্ষেত্ৰত যেনে নৃত্য, গীত, কুইজ, তৰ্ক প্ৰতিযোগিতা আদিত ছাত্ৰীসকলে বিশেষ পাৰদৰ্শিতা প্ৰদৰ্শনেৰে মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিছে। সফলতাৰ এনে ধাবা অবিৰতভাৱে চলাই থাকি মহাবিদ্যালয়খন স্ত্ৰীশিক্ষা প্ৰসাৰণ আৰু নাৰী সবলীকৰণেৰে উচ্চ শিক্ষা জগতৰ ভোটাতৰা হৈ উজলি ৰওক। শ্ৰীদ্বিজেশ চন্দ্ৰ দেৱ শৰ্মাৰ লগতে অনেকজনৰ ত্যাগ আৰু প্ৰচেষ্টাৰ ফলশ্ৰুতি এই মহাবিদ্যালয়। মহাবিদ্যালয়খনৰ প্ৰতিষ্ঠা আৰু উত্তৰণত মহৎ আগবঢ়োৱা জ্ঞাত-অজ্ঞাত সকলোলৈকে এই আপাহতে সশ্ৰদ্ধ প্ৰণিপাত জনাই অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। জয়তু ডিগবৈ মহিলা মহাবিদ্যালয়। ■

# Jhumpa Lahiri: An Introduction

**Dr. Pankaj Luchan Gogoi**
Asst. prof of English, Digboi Mahila Mahavidyalaya

The Indian American author Jhumpa Lahiri is a celebrated figure in contemporary world literature. She was born on July 11, 1967 in London. She is the daughter of Amar Lahiri and Tapati Lahiri. Her bhalonam (good name or official identification to the outside world) is Nilanjana Sudeshna. Jhumpa is her daknam (pet name) affectionately addressed to her by her parents, family, and relatives. She was brought up in Kingston, Rhode Island, United States after her father's relocation to the U.S after he joined as librarian at University of Rhode Island when she was barely two years old. She was enrolled in school at Kindergarten in Kingston. Her teachers called her by her pet name Jhumpa as it was comparatively easier to pronounce than her good name Nilanjana. Since then, she has been known to the world as Jhumpa Lahiri.

After graduating from South Kingston High School, Jhumpa Lahiri completed her B.A. in English Literature from Barnard College. She enrolled in Boston University for her M.A.and completed her M.F.A. in Creative Writing and M.A. in Comparative Literature. Later, she completed her Ph.D. in

Renaissance Studies. These academic accomplishments in a way reflect her brilliance as student and her quest for knowledge. So far as her professional life is concerned, she was initially on a fellowship for two years at Provincetown's Fine Arts Work Centre. After that, she taught Creative Writing first at Boston University, her alma mater, and later at the Rhode Island School of Design. At present, Lahiri is a resident of Brooklyn, New York with her husband Alberto Vourvoulias and two children Octavio and Noor.

Jhumpa Lahiri began her literary career by writing short stories in many American journals, including the prestigious New Yorker. She published many of her prize-winning stories in these journals. Since that promising beginning, she has written five works of fiction, which includes Interpreter of Maladies (1999), The Namesake (2003), Unaccustomed Earth (2009), The Lowland (2013) and Whereabouts (2021). Of them, Interpreter of Maladies and Unaccustomed Earth are collections of short stories, and The Namesake, The Lowland and Whereabouts (2021) are novels. Besides she has two works of non-fiction that includes In Other Words (2015) and Jhumpa Lahiri's The Clothing of Books (2015). Interpreter of Maladies is her debut collection that brought her instant recognition worldwide. She was awarded the prestigious Pulitzer Prize for Fiction in 2000, the New Yorker Prize for Best First Book, the O. Henry Award for Best American Short Stories, the PEN/Hemingway Award for best fiction debut, The Transatlantic Review Award, The Louisiana Review Award, and a Guggenheim Fellowship. Besides, she received nomination for the Los Angeles Times Award. Her second work The Namesake was made into a major

motion picture by the noted film director Mira Nair. The movie adaptation brought fame and accolade for Lahiri. Her third work Unaccustomed Earth, a short story collection, won the 2008 Frank O' Connor International Short Story Award besides being the book of the year for New York Times, Time and Outlook. Her fourth work The Lowland, a novel also succeeded in earning plaudits from both critics and readers. The novel was shortlisted for both National Book Award and the prestigious Man Booker Prize. Besides, she was awarded with many awards of repute, and among them, a 2014 National Humanities Medal was awarded by the former U.S. President Barack Obama. She is also honoured with the Premio Internazionale Viareggio-Versilia for In alter parole.

Jhumpa Lahiri's works Interpreter of Maladies, The Namesake, Unaccustomed Earth, and The Lowland focus on the lives of the Indian Diaspora in America who find themselves located in a liminal space. These inter-generational subjectivities seem to be at the crossroads of cultural identity. Their liminality stems from the attempt to negotiate between the claims of inheritance of tradition of the ancestral land and the demand of the new and changing time and space. These four texts can be from the purview of subjectivity located in a slippage. The rigorous analyses of Lahiri's works and their dominant themes would perhaps be able to unravel how diasporic subject-positions attempt to come to terms with their in-between condition and define their identity in a liminal space while experiencing a strong connect towards their country of origin. In the process of depicting such problematic of identity, the texts seamlessly shuttle from personal life to social life and from the

native country to the foreign country.

Jhumpa Lahiri's significance lies in her contribution to diaspora literature, particularly Asian American literary studies. It is a broad area characterized by heterogeneous experiences of people of different Asian countries as noted by Morris Young in his review article on Rajini Srikanth's The World Next Door: South Asian American Literature and the Idea of America (2006). The rich diversity of the field is collectively formed by elements of different cultures, religions, ethnicities, races, social classes, sexuality, and so forth from different parts of Asia. In Asian American literary studies, South-Asian American literature is an unmistakable subfield that forms an integral part of experiences of the people from India, Pakistan, Bangladesh, and Sri Lanka living mostly in North America. Writers like Indran Amirthanayagam, Amitav Ghosh, and Tahira Naqvi have contributed a lot to this field. In South-Asian American Literature Jhumpa Lahiri is a renowned figure, whose works deal with the problematic of Indian Americans in America. In this regard, her name is often cited along with other writers who have contributed to the field like Bharati Mukherjee and Chitra Banerjee Divakaruni. Ketu H. Katrak in her "The Aesthetics of Dislocations: Writing the Hybrid Lives of South Asian Americans" (2002) finds Non-Residential Indians (NRIs) as constituting the Asian American or the South-Asian American subjectivity in the works of Jhumpa Lahiri, Bharati Mukherjee, Chitra Banerjee Divakaruni, Meena Alexander and Agha Shahid Ali.

Jhumpa Lahiri's success as a storyteller lies not only in her nuanced postulation of the Indian American subjectivity in her works but also in her remarkable craft of fiction. These works

of fiction bear eloquent testimony to Lahiri's talent for storytelling and the thematic richness of her literary world. Her craft as a writer is aptly summed up by Amy Tan in the blurb from Interpreter of Maladies: "The kind of writer who makes you want to grab the next person you see and say 'Read this!'" Khaled Hosseini in the blurb to Unaccustomed Earth comments, "Lahiri's enormous gifts as a storyteller are on full play." Her prose is simple, yet nuanced, and can arrest the attention of the readers in profound ways. She portrays her characters across age, gender, space, time and culture with understanding and compassion. Her art of storytelling is appreciated everywhere, as evident in the excerpts of reviews of leading newspapers and magazines. Sukhdev Sandhu's observation on Jhumpa Lahiri's prose in The Namesake in Daily Telegraph (that figures in the blurb of the novel) best sum up her art:

Eloquent … Lahiri's prose is striking. Spurning the antsy, transcultural wordplay of many Asian-American authors, she writes with journalistic precision. Like a Victorian urban chronicler, she loves to amass inventories. Things matter to her and to her characters; they are bulwarks against drift and confusion. The Namesake is lucid, generous in its narrative scope, and an extremely accomplished first novel. (Sandhu)

The thematic richness and brilliance of prose of Jhumpa Lahiri is evident in all her works. She deals with the life of Indian American diapora, and their formation of subjectivity in liminal space in Interpreter of Maladies, The Namesake, Unaccustomed Earth, and The Lowland. An understanding of subjectivity, liminality and diaspora will be enabled by reading Lahiri's works to a great extent.

On the other hand, her In Other Words (2015) is a work of non-fiction. It is an intensely personal work where she shares her love story with the Italian. Originally, she wrote the work in Italian as In altre parole and is translated into English by Ann Goldstein as In Other Words. The work, an autobiographical journey, is a testimony of her strong foray into another language as a versatile writer who seeks a new voice for self-reflection.

Jhumpa Lahiri's The Clothing of Books (2015) is also a work of non-fiction as well. The work is the reworking of her speech delivered in Italy at Festival degli Scrittori in 2015. The speech, after having undergone reworking, published both in English and Italian in 2015. The work shows her profound reflection on the art of the book jacket from the viewpoints of both the reader and the writer. It explores the complex relation between text and image, author and designer, and art and commerce.

Her latest work Whereabouts (2021) is a work of fiction. Through the unnamed narrator, a woman, Lahiri explores the urban solitude in great detail. While doing so, the narrator is found to waver between stasis and movement, and the requirement of having a sense of belonging to something own and refusal to strike lasting ties with anyone. The work is certainly an exquisitely nuanced and poignant portrayal of a forlorn urbanite.

All these works of Jhumpa Lahiri undoubtedly prove her versatility as a writer. Her oeuvre constitutes a rich tapestry in contemporary world literature. Given the depth and the artistry of her works The Hindu has rightly summed up her genius in the

blurb to In other Words: "One of the best writers of the 21st century." ■

**Works Cited:**


Katrak, Ketu H. "The Aesthetics of Dislocation: Writing the Hybrid Lives of South Asian Americans." The Women's Review of Books. Vol. 19. No. 5. Old City Publishing, Inc., (Feb., 2002). 5-6. JSTOR. Web. 30 Jan 2018.

Lahiri, Jhumpa. Interpreter of Maladies: Stories of Bengal, Boston and Beyond. New Delhi : Harper Collins Publishers India, 1999. Print.

---.The Namesake. Noida: Harper Collins Publishers India, 2003. Print.

---.Unaccustomed Earth. Noida: Random House India, 2009. Print.

---.The Lowland. Noida: Random House India, 2013. Print.

---.In Other Words.Gurugram: Penguin Random House India, 2017. Print.

---. The Clothing of Books. Gurgaon: Penguin Random House India, 2017. Print.

---. Whereabouts. Gurgaon: Penguin Random House India, 2021. Print.

Young, Morris. "The World Next Door: South Asian American Literature and the Idea of America by Rajini Srikanth". American Studies. Vol. 47. No. 1. Mid-American Studies Association, (Spring, 2006). 192-193. JSTOR. Web. 22 Nov., 2018.

# ডিগবৈ মহিলা মহাবিদ্যালয়, সোঁৱৰণীৰ এখিলা পাত

**কুমাৰিকা দত্ত তালুকদাৰ**
প্ৰাক্তন ছাত্ৰী, ডিগবৈ মহিলা মহাবিদ্যালয়

জীৱন অভিজ্ঞতাৰ সমষ্টি। ভাল-বেয়া, আশা-নিৰাশা, হাঁহি-চকুলো, সফলতা-বিফলতা, যোগাত্মক-ঋণাত্মক আদি বিভিন্ন অভিজ্ঞতাৰ সমষ্টিৰে মানুহৰ জীৱন পৰিক্ৰমা চলি থাকে এক নিৰ্দিষ্ট কক্ষপথত। তাৰ মাজতে কোনোৱে আশা কৰা মতেই জীৱনৰ কৰণি সজায় তোলাৰ সুবিধা লাভ কৰে আৰু আন কোনোৱে তাৰ বিপৰীতে যি পায় তাৰেই সন্তুষ্টু থকাৰ অভিনয় বা চেষ্টা কৰে নতুবা হীনমন্যতাৰে জীৱন অতিবাহিত কৰে। মানুহে যি বিচাৰে তাক সকলো সময়তে নাপাবও পাৰে। কিন্তু যদি সেয়া নাহ্য প্ৰাপ্য বা সঠিক প্ৰাপ্তিৰ দাবী হয়, তেনে কেতিয়াও আশা, হেঁপাহ আৰু মনোবল এৰি দিব নালাগে। বিশেষকৈ শিক্ষাৰ ক্ষেত্ৰত থকা জেদ বা হেঁপাহে প্ৰাপ্তি লাভত কেতিয়াও নিৰাশ হ'ব লগা নহয়।

মই তিনিচুকীয়াৰ এটি মধ্যবিত্ত পৰিয়ালৰ জীয়ৰী। পঢ়াৰ প্ৰতি আছিল গভীৰ আস্থা। বিভিন্ন কাৰণত মই নভবাকৈয়ে হঠাৎ ঘৰৰ পৰা মোৰ বিয়া ঠিক কৰে। সেই সময়ত মোৰ মাৰ যথেষ্ঠ অসুখ হৈ থকাৰ বাবে হয়তো দেউতাই ভয় খাইছিল। যিহেতু মই বৰজীয়ৰী আছিলো। সেয়ে ঘৰুৱা ভাবে ঠিক হোৱা সিদ্ধান্তক মানি লৈ ১৯৮৮ চনত ডিগ্ৰী প্ৰথম বৰ্ষত থাকোতেই ডিগবৈৰ বোৱাৰী হৈ সাংসাৰিক জীৱনৰ পাতনি মেলো। এখন ভৰা ঘৰৰ বোৱাৰী হিচাপে কম বয়সতে ঘৰৰ সমস্ত দায়িত্ব

কান্ধ পাতি ল'ব লগা হয়।

শাহু-শহুৰ, স্বামী-সন্তান, আত্মীয়-স্বজনেৰে ভৰা ঘৰখনত নিজ কৰ্তব্য কৰি গ'লেও পঢ়াৰ প্ৰতি থকা আগ্ৰহে একা পোকৰ দৰেই অহৰহ কামুৰি থাকিছিল মোৰ মগজত। সপোনত প্ৰায়ে পৰীক্ষা হ'লত বহিছিলো আৰু এটাও শব্দ নিলিখাকৈ বহী জমা দি কান্দি উঠিছিলো। বাৰম্বাৰ দেখা এই সপোনটোৱেই পঢ়াৰ প্ৰতি থকা মোৰ আগ্ৰহক সাৰ পানী যোগাইছিল। সেই সময়ত মোৰ মেট্ৰিক আৰু হায়াৰচেকেণ্ডেৰী পৰীক্ষাৰ চাৰ্টিফিকেট সমূহ হেৰাই গৈছিল। পঢ়াৰ প্ৰতি থকা আগ্ৰহত চেঁচাপানী পৰিছিল। মোৰ আগ্ৰহৰ প্ৰতি সন্মান জনাই মোৰ স্বামী শিৱদাস তালুকদাৰে গুৱাহাটীৰ ব'ৰ্ডৰ অফিচলৈ গৈ যথেষ্ঠ কষ্ট কৰি চাৰ্টিফিকেটবোৰ যোগাৰ কৰি আনিছিল। তাৰোপৰি মোৰ মামাৰ ছোৱালী মুনু আৰু মানুহজনৰ ভতিজী মিকুয়ে মোৰ আগ্ৰহক সফল ৰূপ দিবৰ বাবে উৎসাহ যোগোৱাৰ লগতে প্ৰয়োজনীয় সহায় আগবঢ়াইছিল।

প্ৰায় এঘাৰ বছৰৰ বিৰতিত, বহু চেষ্টাৰ মূৰত ১৯৯৯ চনত মই "ডিগবৈ মহিলা মহাবিদ্যালয়"ত স্নাতক প্ৰথম বাৰ্ষিকত নাম ভৰ্তি কৰিবলৈ সক্ষম হৈছিলো। মোৰ সম্পৰ্কীয় ননদ ডলীৰ লগত (সেই সময়ত তেওঁ স্নাতক তৃতীয় বাৰ্ষিকৰ ছাত্ৰী আছিল) প্ৰথমবাৰৰ বাবে মহাবিদ্যালয়ৰ মূল প্ৰৱেশ দ্বাৰেদি ভিতৰলৈ প্ৰৱেশ কৰিছিলো। চেলোৱাৰ কামিজ পৰিহিত সকলো ছাত্ৰীৰ মাজত মই মেখেলা চাদৰ (ইউনিফ্ৰম) পিন্ধা একমাত্ৰ মহিলা আছিলো। নিজকে লকেটৰ দৰে অনুভৱ হৈছিল। সেইদিনা আমাৰ প্ৰথম ক্লাচ আছিল। ছাত্ৰীসকলে মহাবিদ্যালয়ৰ নতুন অধ্যাপক বুলিয়েই হয়তো ভাবিছিল মোক। সেইয়ে "গুডমৰ্ণিং মেম" বুলি প্ৰায় প্ৰতিগৰাকী ছাত্ৰীয়েই পুৱাৰ সম্ভাষণ জনাইছিল। সেইসময়ত হোৱা মোৰ অনুভৱ মই ভাষাৰে ব্যক্ত কৰিব নোৱাৰো। ডলিয়ে সাহস দিছিল 'একো নহয় আহক' বুলি। প্ৰথমেই অফিচ ৰোমলৈ সোমাই গৈছিলো। সেই সময়ত অধ্যক্ষ পদত থকা প্ৰয়াত কান্তেশ্বৰ ডেকা চাৰে এটি ধুনিয়া হাঁহিৰে মোক স্বাগতম জনাইছিল। কাষতে থকা এজন অধ্যাপকে মই কলেজলৈ যোৱাৰ কাৰণ জানিব পাৰি মোক এই ক্ষেত্ৰত অলপ পলম হোৱা বুলি কোৱা কথাষাৰত ডেকাচাৰে তপৰাই উত্তৰ

দিছিল “শিক্ষাৰ কোনো বয়স বা সীমা নাথাকে। এওঁ এই ক্ষেত্ৰত আগবাঢ়ি অহাটো আমাৰেই সফলতা।” এই কথাষাৰে মোৰ মনৰ সাহস আৰু আত্মবিশ্বাস দৃঢ় কৰি তুলিছিল।

প্ৰথম ক্লাচ ইংৰাজী বিষয়ৰ আছিল। প্ৰকাণ্ড হলঘৰটো ছাত্ৰীৰে ভৰি আছিল। মই গৈ দুৱাৰমুখত থিয় হোৱাৰ লগে লগে ছাত্ৰীসকলে পুনৰ সেই একেই “গুডমৰ্ণিং মেম” বুলি তেওঁলোকৰ ইংৰাজী শিক্ষক বুলি ভাবি মোক থিয় হৈ আদৰণি জনাইছিল। সেই মুহূৰ্ত্তত মোৰ নিজৰ ওপৰতে প্ৰচণ্ড খং উঠিছিল। কিহে পাইছিল বাৰু....! মই কোনো ভুল সিদ্ধান্ত লোৱা নাইতো! বৰ অসহায় যেন বোধ হৈছিল নিজকে। মনলৈ আহিছিল “ফাটমেলা বসুমতী পাতালে লুকাও।” চকু কান মুদি লাহে লাহে শ্ৰেণী কোঠালৈ সোমাই গৈ দ্বিতীয় বেঞ্চত দুগৰাকী চিনাকী ছাত্ৰী দেখি তাতে বহি পৰিছিলো। সকলোৰে প্ৰশ্নবোধক দৃষ্টিয়ে মোক গিলি পেলাইছিল। তাতোকৈ আচৰিত কথা মই চিনাকী বুলি যাৰ কাষ চাপি গৈছিলো সেই দুগৰাকী ছাত্ৰীয়ে মোৰ কাষৰ পৰা শেষৰ বেঞ্চলৈ উঠি গৈছিল। বৰ অকলশৰীয়া অনুভৱ কৰিছিলো। বুকুখন বিষাই গৈছিল। মই এনে কি বেয়া কাম কৰিবলৈ আগবাঢ়িছো যে মোৰ কাষত বহিলে তেওঁলোক অস্পৃশ্য হৈ পৰিব। বৰ দুখ লাগিছিল সেইদিনা তেওঁলোকৰ অভাৱনীয় আচৰণত। কিছু সময়ৰ পাছতে কোঠালৈ ইংৰাজী বিষয়ৰ অধ্যাপক জুবিয়েল কলিতা চাৰ সোমাই আহিছিল। সকলোৱে তেখেতক সম্ভাষণ জনাইছিল। চাৰে আহিয়েই মোলৈ লক্ষ্য কৰি হয়তো কিবা এটা অনুমান কৰিব পাৰিছিল। সেয়ে প্ৰথম বেঞ্চত বহা দুগৰাকী ছাত্ৰীক মোৰ কাষলৈ পঠিয়াই, শেষৰ বেঞ্চলৈ উঠিযোৱা দুয়োগৰাকী ছাত্ৰীকে প্ৰথম বেঞ্চলৈ মাতি আনিছিল। সেইদিনা জুবিয়েল কলিতা চাৰৰ সেই সিদ্ধান্তই মোৰ মনৰ দৃঢ়তা সৱল কৰি আত্মবিশ্বাস জগাই তুলিছিল।

শিক্ষাৰ ক্ষেত্ৰত মনৰ আগ্ৰহ তথা জেদ থাকিলে বয়স কেতিয়াও প্ৰাচীৰ হ'ব নোৱাৰে। এই কথাষাৰ মোৰ মন মগজু জুৰি বহিছিল। পঢ়াৰ প্ৰতি থকা আগ্ৰহে সকলো বাধা অতিক্ৰম কৰাৰ সাহস দুগুনে বঢ়াই তুলিছিল। বহুতে বহুত কথা কৈছিল। অনেক ঠাট্টা-মস্কৰাৰো সন্মুখীন হৈছিলো। শাৰীৰিক ভাৱেও ডাঙৰ বিপদ আহিছিল। পৰিয়ালৰ পৰা

পোৱা উৎসাহ আৰু মনৰ হেঁপাহৰ বাবেই সকলো একাষৰীয়াকৈ থৈ আগবাঢ়ি যাবলৈ সক্ষম হৈছিলো।

তেনেদৰেই হাজাৰ বাধা নেওচি তিনিবছৰ নিয়মীয়াকৈ ক্লাচ কৰি ২০০২ চনত মোৰ সপোন দিঠকত পৰিণত কৰাত সফল হৈছিলো। তাৰ বাবে মোৰ প্ৰবল ইচ্ছাশক্তি, স্বামী আৰু সন্তানৰপৰা পোৱা প্ৰেৰণা, মা-দেউতা তথা গুৰুজনৰ আশীৰ্বাদ, শিক্ষাগুৰু সকলৰ পৰা পোৱা সহায়-সহযোগিতা, পৰিয়ালৰ সকলোৰে পৰা পোৱা শুভাশীষে মোক মোৰ লক্ষ্যত উপনীত হোৱাত যথেষ্ঠ সহায় কৰিছিল। তাৰোপৰি কেইগৰাকীমান ছাত্ৰীয়ে নিজৰ বান্ধৱীৰ দৰে কৰা ব্যৱহাৰে মোক এই ক্ষেত্ৰত সহজ কৰি তুলিছিল। তেওঁলোকে মোক বৰ মৰমেৰে "কুমাৰিকা বা" বুলি আকোৱালি লৈছিল। যাৰ বাবে কোনো সময়ত নিজৰ বয়সৰ কথা পাহৰি সম্পূৰ্ণ লগৰ ছোৱালীৰ দৰে তেওঁলোকৰ সৈতে মিলি পৰিছিলো। আচলতে মিলিব জানিলে যিকোনো পৰিবেশ তথা পৰিস্থিতিতে খাপ খায় চলিব পাৰি।

যিকোনো ভাল কৰিবলৈ গ'লে বাধা অহাটো স্বাভাৱিক। কোৱা হয় "এখন শান্ত সাগৰত কৈ ঢৌ খেলা উত্তাল সাগৰৰ সৌন্দৰ্য্য অধিক।" বাধা অতিক্ৰমী আগুৱাই যোৱাৰ সোৱাদেই বেলেগ।

ডিগবৈ মহিলা মহাবিদ্যালয়ে মোক কি দিলে কৈ শেষ কৰিব নোৱাৰো। মোৰ আধৰুৱা সপোন পূৰ কৰিলে, বহুতো মৰমৰ বান্ধৱী উপহাৰ দিলে (মোতকৈ যি বহু সৰু), প্ৰজ্ঞাৰ জ্যোতিৰে আলোকিত বহু সাধকৰ সৈতে ন কৈ পৰিচয় গঢ়িতোলাত সহায় কৰিলে। জ্ঞানৰ ন জ্যোতিৰে উদ্ভাসিত হৈ পৰিল মোৰ জীৱন। বহুতো সুন্দৰ স্মৃতিৰে বৰপেৰা উপচি পৰিল। অভিজ্ঞতাৰে পুষ্ট মনটোৱে শিক্ষাৰ নতুন সোৱাদ পালে। ভাল লগা কথাৰে মন ভৰি পৰিল।

শেষত ছাত্ৰীসকলক এটা কথাই কওঁ -- শিক্ষাৰ কোনো বয়স নাই, সীমা নাই, সময় নাই। লাগে কেৱল আগ্ৰহ, হেঁপাহ, ধৈৰ্য্য, মনোবল, জেদ আৰু প্ৰচুৰ আত্মবিশ্বাস। মোৰ দুটি সন্তানৰ সৈতে মই একেলগেই শিক্ষা গ্ৰহণ কৰিবলৈ ঘৰৰ পৰা ওলাই গৈছিলো। মানুহজনে তিনিওকে নিজৰ নিজৰ শিক্ষা ক্ষেত্ৰত আগবঢ়াই থৈ আহিছিল। ইয়াৰ

মানে এইটো নহয় যে মই মোৰ ঘৰুৱা দায়িত্বৰ পৰা আতৰি গৈছিলো। নিজৰ সকলো দায়িত্ব সামৰিও আমি আমাৰ হেঁপাহবোৰ পূৰ কৰিব পাৰো। তেওঁলোকৰ পৰীক্ষাৰ বাবে প্ৰস্তুতিত সহায় কৰাৰ সমানেই মইও মোৰ পৰীক্ষাৰ বাবে সমানেই প্ৰস্তুতি চলাই গৈছিলো। ইয়াৰ মানে মই মোৰ নিজৰ ঢোল নিজেই বজোৱা বুলি যাতে কোনেও মোক ভুল নোবুজে। কেৱলমাত্ৰ ছাত্ৰী সকলক প্ৰেৰণা যোগাবলৈহে মই এই কথাবোৰৰ অৱতাৰণা কৰিছো। বহুতৰে ইতিকিংসূচক মন্তব্যই সেই সময়ত মনত দুখ নিদিয়া নহয়। কিন্তু সেই কথাবোৰ মনত লৈ নাথাকি যোগাত্মক দৃষ্টিভঙ্গীৰে কথাবোৰ গ্ৰহণ কৰি, নিজৰ লক্ষ্যত আগবাঢ়ি গৈছিলো। গতিকে উজুতি খাইয়ো পৰি নোযোৱাকৈ থাকি বৈতৰণী পাৰ হ'বলৈ সক্ষম হৈছিলো। অৱশ্যে বহুত বেচি ভাল ফলাফল নহ'লেও, এটা বৰ্ষতো থমকি নোৰোৱাকৈ আগবাঢ়ি যাবলৈ সক্ষম হৈছিলো।

মোৰ জীৱন পৰিক্ৰমাত "ডিগবৈ মহিলা মহাবিদ্যালয় সোঁৱৰণীৰ এখিলা পাত" হৈ আজীৱন জিলিকি থাকিব। সৰ্বশেষত 'ডিগবৈ মহিলা মহাবিদ্যালয়' মহিলা সকলৰ জীৱনৰ বাটকটীয়া হৈ ভোটাতৰাৰ দৰে জিলিকি থাকক, তাৰেই কামনাৰে....

জয়তু ডিগবৈ মহিলা মহাবিদ্যালয়। ■

# স্বৰ্ণ বৰাৰ ‘মেঘনা যমুনা থেমচ’ত চাহ শ্ৰমিকৰ জীৱন - এটি পৰিচয়

**দীপালী শৰ্মা**
প্ৰাক্তন অধ্যাপিকা

চাহ বাগানৰ মোহত বন্দী হোৱা ‘সোণৰ দেশ’ অসমত সোণগুটি বুটলিবলৈ অহা চাহ শ্ৰমিকসকল অসমীয়া সংস্কৃতিৰ আজি এক অবিচ্ছেদ্য অংগ হৈ পৰিছে. বৃটিছসকলে ঊনবিংশ শতিকাৰ বিশ দশকৰ পৰা অসমত চাহ বাগিচা খুলিবলৈ লওঁতে থলুৱা লোক আৰু চীনা লোকৰ দ্বাৰা শ্ৰমিকৰ অভাৱ পূৰণ কৰিছিল। প্ৰায় ঊনবিংশ শতিকাৰ মাজভাগ মানৰ পৰা বংগ, বিহাৰ, উৰিষ্যা, উত্তৰপ্ৰদেশ, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ আদিৰ অনুন্নত অঞ্চলবোৰৰ পৰা দুখীয়া শ্ৰেণীৰ মানুহবোৰক অসমলৈ আনি চাহবাগিচা বোৰত কাম কৰিবলৈ লগায়। এই লোকসকলেই পুৰুষৰ পিছত পুৰুষ ধৰি কাম কৰি কৰি কুলী নামেৰে পৰিচিত হৈ আজীৱন কাম কৰি আছে।

অসমীয়া সাহিত্যৰ বিভিন্ন শাখাই অসমৰ এই চাহ শ্ৰমিকসকলৰ জীৱনৰ বিভিন্ন সমস্যা, সামাজিক স্থিতিৰ কথা প্ৰকাশ কৰিছে। বিশেষকৈ অসমীয়া উপন্যাসত তেওঁলোকৰ জীৱনৰ পৰিস্থিতি, সমস্যা ঐতিহাসিক বিবৰ্তনৰ এক পূৰ্ণাংগ ৰূপ আমি বিভিন্ন উপন্যাসৰ মাজত বিচাৰি পাওঁ।

অসমৰ চাহ বাগিচাক পটবূমি হিচাপে লৈ চাহ শ্ৰমিকৰ চৰিত্ৰৰে লিখা প্ৰথম অসমীয়া উপন্যাস হ’ল যোগেশ দাসৰ ‘ডাৱৰ আৰু নাই’ উপন্যাসখন প্ৰকাশ হৈছিল ১৯৫৫ চনত। ‘ডাৱৰ আৰু নাই’ উপন্যাসৰ বিষয় অসমৰ সমাজখন— যিখন সমাজত দ্বিতীয় বিশ্বযুদ্ধই প্ৰভাৱান্বিত কৰিছিল। অসমৰ সমাজখন অংকন কৰিবলৈহে প্ৰাথমিক ভাৱে বাগিচাৰ

সমাজখন লোৱা হৈছে. আনহাতে বিৰিঞ্চি কুমাৰ বৰুৱা ‘সেউজী পাতৰ কাহিনী’ত (১৯৫৯) শ্ৰমিকসকলৰ জীৱন, সংস্কৃতি আদি তুলি ধৰা হৈছে। ১৯৮২ চনত প্ৰকাশ পোৱা বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যৰ ‘কালৰ হুমুনিয়া’ত চাহ বাগিচাক পটভূমি হিচাপে লৈ বনুৱা সমাজৰ বিভিন্ন দিশ চিত্ৰণ কৰিছে। ১৯৮৬ চনত প্ৰকাশ পোৱা উমাকান্ত শৰ্মাৰ ‘এজাক মানুহ এখন অৰণ্য’— এখন বৃহৎ কলেবৰৰ উপন্যাস। এইখন উপন্যাসত চাহ বাগিচাৰ শ্ৰমিক গোষ্ঠীটোক মূল বিষয়-বস্তু হিচাপে লোৱা হৈছে।

আমাৰ আলোচ্য বিষয় স্বৰ্ণ বৰাৰ ‘মেঘনা যমুনা থেমচ্’ উপন্যাসখন। উপন্যাসখন প্ৰকাশ হয় ১৯৯৫ চনত। অসমীয়া সমাজে চাহ শ্ৰমিকসকলক আপোন কৰি ল’বলৈ চেষ্টা কৰাৰ কাহিনী উপন্যাসখনত বৰ্ণিত হৈছে। কাহিনীৰ মাজত ‘চাহৰ বিষয়ে সকলো’— আৰু সাধাৰণ জ্ঞান তথা উদ্যোগৰ বিষয়ে সামৰি উপন্যাসখন ৰচনা কৰা হৈছে।

চাহ বাগিচাৰ পৰিচালকসকলে বনুৱা সকলৰ ওপৰত চলোৱা অত্যাচাৰ আৰু শোষণ এক হৃদয় হীনতাৰ পৰিচয়। অসমীয়া মানুহেও চাহ বাগিচাৰ এই বনুৱা বা শ্ৰমিকসকলক মানুহ বুলি জ্ঞান কৰাৰ যি মানসিকতা সেইয়াও যে নাই তাক ঔপন্যাসিক ‘মেঘনা যমুনা থেমচ্’ত দাঙি ধৰা হৈছে। বনুৱাসকলৰ যদি অন্তঃকৰণেৰে আদৰি ল’ব পৰা যায় তেতিয়া হ’লে তেওঁলোকৰ সমস্যাৰ অন্ত পৰাৰ লগতে তেওঁলোক অসমৰ বাবে হ’ব এক অমূল্য সম্পদ। নাৰীয়েহে পুৰুষৰ হৃদয় জয় কৰিব পাৰে— এই কথা কাহিনীৰ মাজেদি প্ৰতিফলিত হৈছে।

‘মেঘনা যমুনা থেমচ্’ উপন্যাসখনত অৰূপা চৰিত্ৰটিৰ মাজেদিয়ে প্ৰকাশ পাইছে মানুহৰ প্ৰতি থকা প্ৰেম আৰু মহানুভূতি। চাহ বাগিচাৰ বনুৱাসকলৰ দুখ যন্ত্ৰণাৰ প্ৰতি সদা সজাগ অৰূপা। বহুদিনলৈ সন্তানৰ মুখ নেদেখা অৰূপাই মাতৃহাৰা, এজন ৰুগীয়া বনুৱা পিতৃৰ সন্তানক তুলি ল’লে। অৰূপাৰ এনে কাৰ্য সমাজে সহজভাৱে ল’ব নোৱাৰিলে। শাহুৱেকৰ প্ৰতিবাদ স্বত্বেও অৰূপাই কিন্তু সন্তানৰ পৰিচয় লুকুৱাই নাৰাখিলে। স্বামীৰ সন্মতি ক্ৰমে তাই নিজৰ সন্তান হিচাপে আকোৱালী ল’লে। পিতৃ-মাতৃয়ে দিয়া লচমী নামটোকে ৰাখিলে আৰু মাজে সময়ে পিতৃৰ ঘৰলৈ অহা-যোৱা কৰা, খোৱা-বোৱা কৰিবলৈও পটালে। অৰূপাই

বাগিচাৰ ডাক্তৰৰ পত্নী হাসনা আৰু কৰ্মচাৰী এজনৰ পত্নী বীণাৰ লগ লাগি ‘শিশু কল্যাণ সন্থা’ এটাও খুলিলে। এই সন্থাই বনুৱা সমাজৰ অনাদৃত সন্তান আৰু নাৰীৰ কল্যাণ সাধনাত ব্ৰতী হয়। স্বাস্থ্য ৰক্ষা, চাফ-চিকুণতা আদিৰ প্ৰতি চকু দিবলৈ মাতৃসকলৰ লগতে পুৰুষসকলকো সজাগ কৰি তুলিলে। এই অনুষ্ঠানৰ প্ৰতি সকলোৱে আগ্ৰহ প্ৰকাশ কৰি বিভিন্ন কামত আগবাঢ়ি যোৱাত সহায় কৰিলে। বাগিচাৰ সকলোৰে মাজত প্ৰিয় হৈ পৰিল অৰূপা বাইদেউ। ইয়াৰ ফলত বাগিচাৰ মেনেজাৰৰ লগতে মালিকো তেওঁলোকৰ বাবে পিতৃস্বৰূপ হৈ পৰিল।

লাহে লাহে অৰূপাহঁতৰ সন্থা এক বহল পৰিসৰলৈ সম্প্ৰসাৰিত হ’ল। অসমৰ বিভিন্ন বাগিচাত তেওঁলোকে কাম, কৰিবলৈ ল’লে। প্ৰতিবন্ধী শিশুৰ কল্যাণ আঁচনিৰ যোগেদিও বনুৱা শ্ৰেণীৰ জীৱন সলনি কৰি এক সফলতাৰ বাটত খোজ পেলালে সন্থাই। বনুৱাবোৰে মানৱীতয়া ধাৰণা বুজি পোৱাত বাগিচাৰ কাম-কাজ চলাবলৈ অধিক সুবিধা হ’ল। অৰূপাই বনুৱাৰ সন্তানক নিজৰ কৰি ল’বলৈ স্বামীক মান্তি কৰাইছিল। আৰু এই কথা বনুৱাসকলৰ মাজত প্ৰচাৰ হোৱাত তেওঁলোকৰ মাজৰ পৰাও কথাতে শলাগি ভোলা শইকীয়াই কৈছিল— ‘এইটো কথা বৰ ভাল কথা হৈছে। .... গতিকে বৰ্তমান অৱস্থাত এইদৰেই সমন্বয়ৰ ভেটি প্ৰতিষ্ঠা (?) নকৰিলে বৃহৎ অসমীয়া জাতি হিচাপে তিষ্ঠি থাকিবলৈ টান হৈ পৰিব।’ (পৃষ্ঠ ৬৩)। অৰূপা, হাসনা, বীণাৰ লগত বৃহৎ সংখ্যক বনুৱাই যি কাৰ্য কৰি গ’ল সেই কাৰ্যই অসমীয়া জাতিৰ ভেটি যেন আৰু অধিক টনকিয়াল কৰি তুলিলে।

শেষৰফালে অৰূপা সন্তান সম্ভৱা হ’ল যদিও লচমী তেওঁলোকৰ ডাঙৰ সন্তান হৈয়ে থাকিল। ডাক্তৰী লচমীক বাগিচাৰ আৰোগ্য কেন্দ্ৰত মুখ্য চিকিৎসক হিচাপে নিযুক্ত কৰি সুখ অনুভৱ কৰিলে সকলোৱে।

উপন্যাসখনৰ কাহিনী আদৰ্শায়িত। বনুমা, মালিক, পৰিচালকৰ এক সংঘাতময় সম্পৰ্কৰ পৰিৱৰ্তন কৰাই এখন সুস্থিৰ সমাজ গঢ় দিবলৈ চেষ্টা কৰিছে অসমত চাহ গছৰ আবিষ্কাৰ, চাহ খেতি, চাহ উদ্যোগৰ বিভিন্ন দিস, চাহ বনুৱাৰ ইতিহাস আদি বিভিন্ন দিশ মূল কাহিনীৰ লগত গাঁথি দিয়া হৈছে। বনুমাসকলৰ সামাজিক ৰীতি-নীতি, উৎসৱ-পাৰ্বন, গীত-

মাতবোৰেও উপন্যাসখনত ঠাই পাইছে।

ইয়াৰ উপৰিও চাহ উৎপাদন, চাহ বিক্ৰী, চাহ-ৰপ্তানি, চাহ শ্ৰমিক আইন, ট্ৰেড ইউনিয়ন আদিৰ কথাও সন্নিৱিষ্ট হৈছে। ঔপন্যাসিকাৰ উদ্দেশ্যই হ'ল— বনুৱাসকলক মানৱীয় মৰ্যাদা দিয়া আৰু তেওঁলোকক সমতাৰ জ্ঞানেৰে অসমীয়া সমাজৰ লগত অংগীভূত কৰা।

উপন্যাসখনৰ ভাষা মাজে মাজে ত্ৰুটিপূৰ্ণ যদিও সুন্দৰ আবাসো নথকা নহয় — 'পঞ্চৱতী চাহ বাগিচা। গ্ৰীষ্মৰ এটা মধুৰ আবেলি। সেউজীয়া চাহ গছৰ কোমল পাতবোৰত সৰি পৰিছিল আবেলি বেলিৰ ৰং। দূৰৰ পাহাৰৰ ওপৰেদি উৰি গৈছিল নাম নজনা পখীৰ জাক, পাখীত লাগিছিল অস্তমিত সূৰ্যৰ কোমল পোহৰ। (পৃঃ ১)

'মঘনা যমুনা থেমচ্'ৰ কাহিনীৰ মাজে মাজে এক উপকাহিনী ফুলমতীৰ জীৱনৰ মাজেদি দেখুৱাই উপন্যাসৰ আন এক কলাত্মক দিশ উন্মোচিত কৰিছে ঔপন্যাসিকাই। অতীতৰ বাগিচাৰ নাৰী নিৰ্যাতনৰ বিপৰীতে আজিৰ নাৰীৰ তৎপৰতা নাৰী বনুৱাৰ অৱস্থা আদি ব্যক্ত কৰিছে। একেলেথাৰিয়ে উপকাহিনীটো নকৈ মূল কাহিনীৰ মাজে মাজে কৈ যোৱাত উৎকণ্ঠা বৃদ্ধি হোৱাৰ লগতে মূল কাহিনীৰ তাৎপৰ্য বৃদ্ধি কৰিছে। স্বৰ্ণ বৰাৰ 'মেঘনা যমুনা থেমচ্ উপন্যাসখনৰ পৰাই জানিব পাৰি। অসমত চাহ জনগোষ্ঠীৰ ইতিহাস, আৰ্থিক অৱস্থা, সামাজিক স্থিতি সম্পৰ্কে কিছু কথা। চাহ জনগোষ্ঠীৰ অৱস্থিতিয়ে উপন্যাসখনৰ বিষয়বস্তুৰ বৈচিত্ৰ্য বৃদ্ধি কৰি এক সামাজিক চিন্তাৰ বাট মুকলি কৰি দিছে। যদি বাগিচাৰ মালিক আৰু পৰিচালকসকলৰ মানসিকতাৰ পৰিৱৰ্তন হয় তেন্তে বাগিচাৰ কৰ্তৃপক্ষ আৰু বনুৱাৰ মাজত সংঘাতৰ অন্ত পৰিব আৰু বনুৱাসকল হৈ পৰিব এক সুখী জনগোষ্ঠী। চাহ বনুৱাসকলক লৈ লিখা স্বৰ্ণ বৰাৰ 'মেঘনা যমুনা থেমচ্ উপন্যাসখনিয়ে এক নতুন পোহৰৰ বাট দেখুৱাবলৈ সক্ষম হৈছে। ■

# "ডিগবৈ মহিলা মহাবিদ্যালয়" সোঁৱৰণীৰ এখিলা পাত

**ঈপ্সিতা শৰ্মা**
প্ৰাক্তন ছাত্ৰী

ডিগবৈ মহিলা মহাবিদ্যালয়ৰ কথা ভাৱিলেই এজাক স্মৃতিৰ বতাহে আহি উৰুৱাই নিয়ে মোক। স্কুলৰ দেওনা পাৰ কৰি কলেজীয়া জীৱন আৰম্ভ কৰিছিলোঁ এইখন মহাবিদ্যালয়তে। সৌ সিদিনাৰহে কথা যেন। দিনবোৰ আজিও সজীৱ হৈ আছে মনৰ দাপোনত। বৰষুণৰ বতৰত ৰেইন কোট পিন্ধি চাইকেল চলাই কলেজলৈ যোৱাৰ দিনবোৰৰ কথাই মন আজিও পুলকিত কৰে। স্মৃতিৰ সঁফুৰাখনিৰ পৰা ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আৰম্ভণিৰে পৰা এটি এটি দিনৰ প্ৰতিটো মুহূৰ্ত্তই যেন আজি বহুদিনৰ মূৰত আকৌ সাৰ পাই মোক সম্ভাষণহে জনালেহি। কত যে ঘটনাঙ্গ কত যে কথা!

পম্পী (হিৰণময়ী), পপী, গায়িকা, ৰিন্তী, প্ৰীতি, মিতালী, বিউতী, মমী, মৌচুমী, আল্পনা, ৰেহেনাহঁতৰ সৈতে কটোৱা কলেজীয়া দিনবোৰ চকুৰ আগত ভাঢ়ি উঠিছে। শ্ৰেণীকোঠাৰ আমি বহা 'ডে' - বেঞ্চ, পৰীক্ষাৰ সময়ত কোনোৱে কালৈকো লক্ষ্য নকৰি মূৰ তল কৰি সময় নষ্ট নকৰি যিমান পাৰি সিমান খৰকৈ লিখি শেষৰফালে কলমৰ গতি আৰু খৰ কৰি আখৰলৈ লক্ষ্য নকৰি লেখি যোৱা কথাবোৰঙ্গ আকৌ কেতিয়াবা লৰালৰিতে 'এক্সট্ৰা- পেপাৰ' লৈ লেখাখিনি সংযোগ নকৰাকৈয়ে ছাৰ বাইদেউক পৰীক্ষাৰ বহী দিবলৈ আগবঢ়া - কথাবোৰে আজি বাৰুকৈয়ে ৰিঙিয়াই মাতিছে। সেই সোণসেৰীয়া দিনবোৰৰ কথা জানো কৈ শেষ

কৰিব পাৰিঙ্গ সেই সোণসেৰীয়া দিনৰ স্মৃতিৰ মালাধাৰিক আজিও সজতনে ৰাখিছোঁ আৰু আগলৈও ৰাখিম। সমনীয়াৰ সৈতে হাঁহি-ফূৰ্ত্তিৰে সজাই তোলা সেই দিনবোৰৰ স্মৃতিবোৰ আমাৰ জীৱনৰ মহৌষধঙ্গ সেই ভিন্নৰঙী-ভিন্নসুৰী দিনবোৰ সুঁৱৰি আজিও মন জীপাল হৈ উঠে, কাম কৰিবলৈ উৎসাহিত হৈ উঠে। তেতিয়া আমাৰ মহাবিদ্যালয়ৰ প্ৰধান অধ্যক্ষ আছিল প্ৰয়াত শ্ৰীযুত কান্তেশ্বৰ ডেকা ছাৰ। ছাৰ, বাইদেউসকলৰ আন্তৰিকতাৰে ভৰা পাঠদানে আমাক খুব মনোযোগেৰে পঢ়িবলৈ সহায় কৰিছিল। কিবা নুবুজিলে বাৰে বাৰে সুধিলেও আমনি নাপাইছিল আমাৰ শ্ৰদ্ধাৰ ছাৰ, বাইদেউসকলে। আমি পঢ়ি থাকোতে থকা শ্ৰদ্ধাৰ অধ্যাপক, অধ্যাপিকা সকল আছিল - ড° অনিমা গগৈ, ড° জুমা বৰঠাকুৰ, ভাৰতী বৰঠাকুৰ, ড° মিনতি শৰ্মা, ড° মল্লিকা কন্দলী, ড° দীপালী গোস্বামী, জয়শ্ৰী চক্ৰৱৰ্তী, ড° নিভা বৰা, ইভা কোঁৱৰ, তিলোত্তমা গগৈ, মামনি দেৱী, ড° সঞ্চিতা বাইদেউ, ড° সুধা শৰ্মা, আল্পনা বৰা আৰু নবনীতা বাইদেউ। শ্ৰদ্ধাৰ অধ্যাপকসকল- ড° হৰেৰাম পাঠক, ড° অৰুণ কুমাৰ ঝা, ড° প্ৰভাত শৰ্মা, ড° উৎপল শৰ্মা, ড° দীপক গোস্বামী, ড° জোভিয়েল কলিতা আৰু ড° আব্ৰাহাম ছাৰ। ছাৰ বাইদেউসকলে মহাবিদ্যালয়ত আমাৰ অভিভাৱকৰ দায়িত্বও লৈছিল। শ্ৰদ্ধাৰ ছাৰ বাইদেউসকললৈ এই আপাহতে জনাইছোঁ মোৰ ভক্তিভৰা সেৱা, কৃতজ্ঞতা। আটাইৰে আন্তৰিকতাৰে ভৰা পাঠদান আমাৰ পঢ়াৰ ক্ষেত্ৰত আত্মবিশ্বাস দৃঢ় কৰাত যথেষ্ট সহায়ক হৈছিল। এইখন মহাবিদ্যালয়ৰ পৰা উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত এইখন মহাবিদ্যালয়তে সমাজবিজ্ঞান বিষয়টোত অনাৰ্ছ লৈ পঢ়িবলৈ লৈছিলোঁ। সেই সময়ত আমাৰ সমাজ বিজ্ঞান বিভাগৰ অধ্যাপক আছিল ড° প্ৰভাত শৰ্মা ছাৰ, ড° কৃপা প্ৰসাদ উপাধ্যায় ছাৰ আৰু অধ্যাপিকা ড° নিভা বৰা বাইদেউ। আমি সমাজ বিজ্ঞানৰ প্ৰথম বেটছ আছিলোঁ। সেয়েহে ছাৰ বাইদেউৰ আমাৰ ওপৰত বহু আশা আছিল। সমাজবিজ্ঞান বিষয়টো মোৰ খুবেই প্ৰিয় আছিল। খুবেই দৃঢ়তাৰে পঢ়ি গৈছিলো। মনত এটাই চিন্তা আছিল যে কেনেকৈ ভাল ৰিজাল্ট কৰি ছাৰ বাইদেউৰ লগতে মহাবিদ্যালয়খনৰো নাম উজ্বলাও। কিন্তু সেই আশাত ব্যাঘাত জন্মালে মোৰ এটি তাৎক্ষণিক সিদ্ধান্তই। সেই সময়ত

সমাজবিজ্ঞানৰ এখন কাকতৰ ভাল কিতাপ পোৱা নাছিলোঁ বাবেই মই সমাজবিজ্ঞানত নপঢ়াৰ সিদ্ধান্ত লৈছিলোঁ। কাৰণ সেই মুহূৰ্ত্তত মোৰ এনে লাগিছিল এখন কাকতত ভাল কৰিব নোৱাৰিলেই ভালদৰে উত্তীৰ্ণ হ'ব নোৱাৰিম। দৰ্শন বিষয়টোকো মই খুবেই ভাল পাইছিলো। সেয়েহে দৰ্শনতে অনাৰ্ছ লৈ পঢ়াৰ সিদ্ধান্ত লৈ সমাজবিজ্ঞানক পাচ কোৰ্চ হিচাপে ৰাখি পঢ়াৰ সিদ্ধান্ত ল'লো। মই সিদ্ধান্ত ল'লো ঠিকেই কিন্তু ছাৰ বাইদেউৰে কোনোপধ্যেই মানি ল'ব বিচৰা নাছিল মোৰ এই সিদ্ধান্তক। মোৰ আজিও মনত পৰে সেই সময়খিনিৰ কথা। অধ্যাপিকা নিভা বৰা বাইদেউক যেতিয়া কৈছিলো মই ল'ব বিচৰা সিদ্ধান্তৰ কথা তেতিয়া বাইদেৱে কোৱা নাই নাই তুমি এনে সিদ্ধান্ত ল'ব নোৱাৰা। আজিও মোৰ কাণত বাজি উঠে। বাইদেউৰ মোৰ ওপৰত যে খুবেই আস্থা আছিল সেই কথা সিদিনা মই উপলব্ধি কৰিছিলোঁ। সেই সময়ত মোৰ নিজকে খুব দোষী দোষী যেন অনুভৱ হৈছিল। লগৰকেইজনীৰো মোৰ এই সিদ্ধান্তত আন্তৰিক সহাৰি নাছিল। মোৰ মনৰ মাজত সেই মুহূৰ্ত্তত বুজাব নোৱাৰা হাহাকাৰ। কিন্তু মন বান্ধি লৈছিলো। অৱশেষত মোৰ কথাই ৰ'ল। সেইখন মহাবিদ্যালয়তে দৰ্শন বিভাগত পঢ়ি বি. এ পাছ কৰিলোঁ ১৯৯৭ চনত। তাৰপিছতেই গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগত পঢ়িবলৈ লৈছিলোঁ। ইয়াৰ পিছতো কিন্তু মোৰ জীৱনত হঠাতে লোৱা সিদ্ধান্তৰ অন্ত পৰা নাছিল। আটাইবোৰ এতিয়াই নকওঁ আৰু হঠাতে লোৱা সিদ্ধান্তই মানুহৰ জীৱনক বহু আগুৱায়ো লৈ যায় আৰু কেতিয়াবা আকৌ এনে সিদ্ধান্তৰ বাবে মানুহৰ ক্ষতিও নোহোৱা নহয়। কিন্তু এটা কথা ঠিক যে আমি লোৱা সিদ্ধান্তবোৰৰ কিবা নহয় কিবা মূল্য থাকেই আমাৰ জীৱনত। এই সিদ্ধান্তবোৰে আমাক ন ন পথো দেখুৱাই। মুঠতে আমাক আমাৰ জীৱনৰ কোনোবা নহয় কোনোবা মুহূৰ্তত এই সিদ্ধান্তবোৰে যথেষ্ট সহায় কৰে। মোৰ ক্ষেত্ৰত এটা কথা মই অতি সন্তোষেৰে কওঁ - 'দৰ্শন' আৰু 'সমাজবিজ্ঞানৰ' অধ্যয়নে মোক আজি যথেষ্ট সহায় কৰিছে মোৰ লেখাৰ অভ্যাসক আগুৱাই নিয়াত। ছাৰ বাইদেউসকলৰ মহাবিদ্যালয়খনৰ প্ৰতি থকা অৱদান স্মৃতিৰ সঁফুৰাত সজতনে ৰাখিছোঁ। কলেজ সপ্তাহৰ দিনকেইটাৰ কথা জীৱনত কাহানিও নাপাহৰিম চাগে। ইটোৰ পিছত সিটো

প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিলো মনৰ হেঁপাহেৰে। পুৰস্কাৰ পোৱাৰ সময়খিনিত মনত হোৱা আনন্দক ভাষাৰে প্ৰকাশিব নোৱাৰোঁ। অৱশ্যে কেৱল পুৰস্কাৰ পোৱাৰ আশাৰেই মাথো আমি প্ৰতিযোগিতাসমূহত ভাগ লোৱা নাছিলোঁ। অংশগ্ৰহণ কৰাটোহে আমাৰ বাবে উৎসাহজনক কথা আছিল। এইক্ষেত্ৰত ছাৰ বাইদেউসকলৰ কথা নকৈ নোৱাৰোঁ। ছাৰ বাইদেউসকলে আমাক খেল, নাচ, গান, আবৃত্তি, গল্প, কবিতা, তৰ্ক আদি সকলো প্ৰতিযোগিতাতে অংশগ্ৰহণ কৰিবলৈ যথেষ্ট উৎসাহিত কৰিছিল। প্ৰতিযোগিতাসমূহত অংশগ্ৰহণ কৰাৰ বাবে আমি আমাৰ সামৰ্থ্যৰ বিষয়েও উপলব্ধি কৰিছিলোঁ। মোৰ আবৃত্তি কৰাৰ হাবিয়াসে যেন এইখন মহাবিদ্যালয়তে পূৰ্ণতা পাইছিল। মোৰ আবৃত্তি শুনিবলৈ যেতিয়া ছাত্ৰীসকল উৎসাহেৰে ৰৈছিল মই দুগুণ উৎসাহেৰে সম্পূৰ্ণ আত্মবিশ্বাসেৰে আবৃত্তি কৰিছিলোঁ। মহাবিদ্যালয় সপ্তাহৰ আবৃত্তি প্ৰতিযোগিতাত বাইদেউসকলৰ কোনো কোনোৱে যেতিয়া কৈছিল -- তোমাৰ আবৃত্তি হৈ গ'ল নেকি বাৰু? শুনিবলৈ লৰালৰিকৈ আহিছোঁ সেই সময়ত মোৰ সৰ্বশৰীৰত শিৰাই শিৰাই যেন আনন্দৰ লোতক বৈছিলঙ্গ  নাটক কৰি নতুন অভিজ্ঞতা লভিছিলো এইখন মহাবিদ্যালয়তে পোন প্ৰথমবাৰৰ বাবে। নিজে নাটক লেখি নাটক কৰা দিনবোৰৰ কথাই বাৰুকৈয়ে ৰিঙিয়াই মাতিছে আজি। মোৰ লেখাৰ আগ্ৰহ গঢ় লৈ উঠাৰ ক্ষেত্ৰত এই আদৰৰ মহাবিদ্যালয়খনৰ ভূমিকা যথেষ্ট। কবিতা লিখি পুৰস্কৃত হৈছিলোঁ। উৎসাহেৰে কলমটো হাতত তুলি লৈছিলোঁ। কি লিখিছিলো, লেখাবোৰ কেনে হৈছিল বৰ বিশেষ বিচাৰ কৰিব পৰা হোৱা নাছিলোঁ যদিও এই লেখাৰ আগ্ৰহক অভ্যাসত পৰিণত কৰিবলৈ কলমটো খামুচি ধৰিছিলো। মনৰ প্ৰচণ্ড ঠেলাৰে মাথো লেখি গৈছিলো। কাকতত (৩-৭-২০১৫) মোৰ নামসহ মোৰ প্ৰথমটো লেখা প্ৰকাশ হোৱাৰ দিনা মোৰ মনত হোৱা আনন্দক প্ৰকাশিব নোৱাৰোঁ। আজি নিয়মীয়া বাৰ্তা, আমাৰ অসম, দৈনিক জনমভূমি, সাতসৰী, প্ৰান্তিকত মোৰ লেখা প্ৰকাশ হয়। যদিহে মহাবিদ্যালয়ৰ প্ৰতিযোগিতাসমূহত মই মোৰ সৰু সৰু সৃষ্টিবোৰ কৰাৰ চেষ্টা নকৰিলোঁহেঁতেন তেতিয়া হয়তো মই আজিৰ এই মনে বিচৰা ঠাইত খোজ দি থাকিব নোৱাৰিলোহেঁতেন। মহাবিদ্যালয়ত পতা 'গ্ৰুপ ডিচকাচনত' ভাগ

লৈ স্বাধীনভাৱে মনৰ হেঁপাহেৰে কথাবোৰ কৈ যোৱাৰ সুযোগ পাইছিলো একমাত্র ছাৰ, বাইদেউসকলৰ বাবেই। ছাৰ বাইদেউসকলৰ প্রতি চিৰকৃতজ্ঞ হৈ ৰ'ম। এনেবোৰ প্রতিযোগিতাৰ আয়োজনে মহাবিদ্যালয়খনৰ সৌষ্ঠৱ বৃদ্ধি কৰাৰ লগতে আমাৰ ছাত্রীসকলক মুকলিকৈ, সাহস আৰু আত্মবিশ্বাসসহ কথা কোৱাত যথেষ্ট উদ্‌গনি যোগাইছিল। মানুহৰ জীৱনত কথা কোৱাৰ সাহস খুবেই গুৰুত্বপূর্ণ।

চনটো পাহৰিলো, এবাৰ সদৌ অসম ভিত্তিত গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ত অনুষ্ঠিত হ'বলগীয়া সাহিত্য প্রতিযোগিতাত ভাগ ল'বলৈ আবৃত্তিৰ বাবে আমাৰ মহাবিদ্যালয়ৰ পৰা মোক নির্বাচিত কৰাৰ পিছত মহাবিদ্যালয়ৰ পুঁজিত ধন নোহোৱাৰ বাবে আমাক নপঠিওৱাৰেই সিদ্ধান্ত লৈছিল। বাকীসকলে মহাবিদ্যালয়ৰ সিদ্ধান্তকেই মানি লৈছিল। মই মনটোক মনাব পৰা নাছিলোঁ আৰু নিজা খৰচত দেউতাৰ স'তে গুৱাহাটীলৈ যাবলৈ সাজু হৈছিলোঁ। এইক্ষেত্রত মোক আমাৰ মহাবিদ্যালয়ৰ ৰাজনীতি বিভাগৰ অধ্যাপিকা ড° মল্লিকা কন্দলী বাইদেৱে যথেষ্ট সহযোগিতা আগবঢ়াইছিল। বাইদেউৰ সহযোগিতাই মোক দৃঢ়তাৰে প্রতিযোগিতাত অংশগ্রহণ কৰিবলৈ উৎসাহিত কৰিছিল। প্রতিযোগিতাত অংশগ্রহণ কৰি সেইবাৰ তৃতীয় পুৰস্কাৰ পাবলৈ সক্ষম হৈছিলো। অনুভৱ কৰিছিলোঁ মোৰ পুৰষ্কাৰ পোৱাৰ খবৰত বাইদেউৰ আনন্দ মোতকৈ কোনোগুণেই কম নাছিল।

আকৌ এবাৰ সদৌ অসম ছোৱালী মহাবিদ্যালয়ৰ সাংস্কৃতিক সমাৰোহৰ প্রতিযোগিতাত অংশগ্রহণ কৰিবলৈ লক্ষীমপুৰলৈ আমি কেইগৰাকীমান ছাত্রী গৈছিলো। আমাৰ লগত ইংৰাজী বিভাগৰ অধ্যাপক ড° জোভিয়েল কলিতা ছাৰ আৰু ৰাজনীতি বিভাগৰ অধ্যাপিকা ড° মল্লিকা কন্দলী বাইদেউ গৈছিল। সেইবাৰ আমি কেইবাটাও পুৰস্কাৰ আনিবলৈ সক্ষম হৈছিলোঁ। মহাবিদ্যালয়ৰ কিছুমান কথাই মন পুলকিত কৰে। অফ পিৰিয়দত আমি কেইবাজনীও বহি আড্ডা দিয়াৰ সময়খিনিৰ কথা জীৱনত কাহানিও নাপাহৰিম চাগে। দুখ লাগে সেই আড্ডাত ৰং সনা আমাৰ কেইজনীমান বান্ধৱী আজি আমাৰ মাজত নাই। আমাৰ আড্ডাত আটাইতকৈ ৰং সনা, খুহুতীয়া কথাৰে আমাৰ মন জয় কৰা

আমাৰ আটাইৰে অতিকৈ মৰমৰ বান্ধৱী মমী শইকীয়াই আজি প্ৰায় চৈধ্য বছৰমান আগতেই আমাক আটাইকে কন্দুৱাই এই পৃথিৱীৰ পৰা শেষ বিদায় মাগিছিল। নিঃশব্দে আহে এই মৃত্যুঙ্গ মমী যে আজি আমাৰ মাজত নাই এই কথাই মুহূৰ্ততে চকু সজলাই। আমাৰ মাজৰ সম্পৰ্কৰ এনাজৰী ইমানেই মজবুত আছিল যে আজিও সগৌৰৱেৰে কওঁ মহিলা মহাবিদ্যালয়ত পঢ়া কেইবাজনীও বান্ধৱীৰ  স'তে আমি আজিও সেই একেই সম্পৰ্কৰে বান্ধ খাই আছোঁ। বিশ্বায়নসৃষ্ট আজিৰ সমাজত আমাৰ আমেজময় জীৱনবোৰত যান্ত্ৰিকতাৰ প্ৰলেপ সানিবলৈ আমাৰ মাজলৈ অহা মোবাইল নামৰ বস্তুপদৰ প্ৰতি কেতিয়াবা বৰ স্নেহ জাগে। কিয়নো এই মোবাইলটো থকাৰ বাবেই আমি আটাইকেইজনীয়ে এজনীৰ খবৰ আনজনীয়ে পাই থাকোঁ। একেখন স্কুল, একেখন কলেজত পঢ়ি আজিও আমি বান্ধ খাই আছোঁ মৰম এনাজৰীৰে। মহাবিদ্যালয়ৰ কেন্টিনত যে কিমান খালো।  তাত বহি মটৰ ঘুগুনি, আলুচপ খোৱাৰ আমেজেই সুকীয়া। তাত বহি আড্ডা দিয়াৰ কথায়ো মন চুই যায়। সেই সময়ত আমাৰ হাতত মোবাইল নথকাৰ বাবেই হয়তো আমাৰ মাজত বহু কথাৰ আলোচনা হৈছিল। আমি হাঁহি মাতি কথা পাতিছিলোঁ, এজনীয়ে আনজনীৰ মুখলৈ চায়েই বুজিছিলোঁ মনৰ খবৰ, এয়া সম্ভৱ হৈছিল একমাত্ৰ মোবাইলটো হাতত নথকাৰ বাবেই চাগে। বিভিন্ন বিষয়ত আমাৰ মাজতেই নিজ নিজ যুক্তি-চিন্তাৰে কথা কোৱাৰ প্ৰতিযোগিতাহে যেন চলিছিল। কোনোবাই যদি বিষয়টোৰ সপক্ষে কৈছিল আন এজনীয়ে কৈছিল বিপক্ষে। মাজে সময়ে মৃদুকৈ তৰ্কাতৰ্কি এখনৰো সৃষ্টি নোহোৱা নহয় অৱশ্যে। কোনোবা এজনীৰ আকৌ মুহূৰ্ততে মুখ ওফণ্ডি আহি মুহূৰ্ততে ফুলালুচিখন চেপেটা হোৱাৰ দৰেই হয়। সেই দিনবোৰত ধৈৰ্য্য, আদৰ-স্নেহ, আন্তৰিকতাই আমাৰ মাজত বিশেষ ঠাই লৈছিল। সেয়ে এইবোৰৰ কাষত তৰ্কাতৰ্কিবোৰে বৰ বেছি সময় উশাহ ল'বলৈ সুবিধা পোৱা নাছিল। আমেজেৰে ভৰি আছিল আমাৰ সেই সময়ৰ কথা-কামবোৰ।

মহাবিদ্যালখনত কটোৱা সেই সময়বোৰ আমাৰ জীৱনৰ সোণোৱালী সময়ঙ্গ ছাৰ বাইদেউসকলৰ আদৰমিশ্ৰিত আৰু প্ৰেৰণাদায়ক

কথা কোনোকালেই পাহৰিব নোৱাৰোঁ। জীৱনৰ শেষ মুহূৰ্তলৈকে সেই দিনবোৰৰ স্মৃতি বুকুতে লৈ থকাৰ হেঁপাহঙ্গ আমি পঢ়ি থকাৰ পৰা আজিলৈ মহাবিদ্যালয়খনে বহু উন্নতি কৰিলে। শিক্ষাবিদ তথা সমাজকৰ্মী প্ৰয়াত পূজনীয় দ্বিজেশ চন্দ্ৰ দেৱ শৰ্মা আৰু অনেকজন গুণী- জ্ঞানী লোকৰ ত্যাগ আৰু প্ৰচেষ্টাত গঢ় লৈ উঠা আমাৰ মহাবিদ্যালয়খনৰ বিষয়ে যেতিয়া মানুহৰ মুখে খুব ভালকৈ শুনো মনটো বৰ ভাল লাগে। সেইখনটো আমাৰেই মহাবিদ্যালয়ঙ্গ বৰ্তমান মহাবিদ্যালয়খনত প্ৰায়বোৰ বিষয়তেই অনাৰ্ছ খুলিলে। ছাত্ৰীৰ সংখ্যাও আগতকৈ বহু বাঢ়িল। সেইমতে শ্ৰেণীকোঠাও বাঢ়িল। পঢ়াৰ লগতে নৃত্য, গীত, তৰ্ক প্ৰতিযোগিতা আদিটো মহাবিদ্যালয়ৰ ছাত্ৰীসকলে পাৰদৰ্শিতা দেখুৱাই মহাবিদ্যালয়খনলৈ সুনাম আনিবলৈ সক্ষম হৈছে। NSS, NCC ৰ ছাত্ৰীসকলেও পাৰদৰ্শিতা দেখুওৱাবলৈ সক্ষম হৈছে। NAAC ৰ মূল্যায়নত মহাবিদ্যালয়খনে 'B' গ্ৰেড পাবলৈ সক্ষম হোৱা কথাই মনত বৰ আনন্দ দিছে। মহাবিদ্যালয়খনৰ আন্তঃগাঠনিৰ ক্ষেত্ৰতো বহু বিকাশ হোৱা কথা জানিবলৈ পাই বৰ সন্তোষ পাইছোঁ। মহাবিদ্যালয়খন উন্নতিৰ জখলাত আৰু আগুৱাই যাওঁক। অন্তৰেৰে কামনা কৰিছোঁ মহাবিদ্যালয়ৰ পুৰণি অধ্যাপক অধ্যাপিকাসকলৰ লগতে ছাত্ৰীসকলৰ জীৱন উপভোগ্য হওঁক আৰু বৰ্তমানৰ অধ্যাপক অধ্যাপিকা সকলৰ পাঠদানেও ছাত্ৰীসকলক উন্নতিৰ জখলাত নিজ লক্ষ্যৰ দিশে আগুৱাই যোৱাত যথেষ্ট সহায়ক হওঁক। ছাত্ৰীসকল মহাবিদ্যালয়খনিৰ দাপোনস্বৰূপ। অন্তঃকৰণেৰে কামনা কৰিছোঁ সেই দাপোনখনিত মহাবিদ্যালয়খন চিৰদিন উজ্বলি থাকক। ■

# ঘড়ীটো মাজতে বেয়া হৈছিল

**মিতালী মহন্ত**
প্ৰাক্তন ছাত্ৰী, দুলীয়াজান

-- তই যে সেই টকাটো বজাৰ বেলেগ বাদ্যযন্ত্ৰ বজাব নাজান নেকি?

-- কিয় সুধিলি?

-- সেইটো বজালে শৰীৰ মনত একো প্ৰতিক্ৰিয়া নহয়।

-- তই কি বাদ্য বজোৱাটো বিচাৰ?

তগৰৰ কথাত বকুল ৰৈ যায়। দ্বাদশ শ্ৰেণীৰ ছাত্ৰ। পিছদিনা লৰ মাৰে ওজাৰ ওচৰলৈ।

হতবাক ওজা। সৰুতে দেউতাকে লগত লৈ আহোঁতে যিটো ল'ৰাই মাহিতাডালকে চুই নাপালে, সেই ল'ৰাৰ পৰিৱৰ্তন।

বকুলে বৰকটকী কোম্পানীৰ কেলেণ্ডাৰখন গজালৰ পৰা আঁতৰাই আনি হাতত তুলি লয়। ভাল দিন এটা চাই গুৰুৰ ওচৰলৈ যাবলৈ তগৰেই কৈ পঠাইছে।

বৰতীডাল আটি আটি বান্ধি বকুলে ঢোলত ৰগৰ দিয়ে। মুগাৰ ৰিহা-মেখেলাযোৰ পিন্ধি কাষ চাপি আহে তগৰ।

মঞ্চৰ বিহুত দুয়ো কাষ চাপে। আখৰাত ওচৰতে বহি সুখ-দুখৰ কথা পাতে। সন্দেহ নকৰে কোনেও।

-- ঐ, মেজৰ লৈ পঢ়িছ যেতিয়া পঢ়াত মন নিদিয় কিয় বকুল?

-- অনুষ্ঠান কিমানলৈ যাব লাগে নাজান নেকি?

-- হ'ল বুলি আৰু পঢ়া-শুনালৈ পিঠি দিব নালাগে নহয়।

বকুলে অসমীয়া বহীবোৰ মেলি চাই। কোনো পৃষ্ঠাতে সি একো এটাই লিখা নাই দেখোন। টোকা বহীখন মেলি চালে। তাতো বিসংগতি। বুজি পোৱা নাই বহু কথা।

খং উঠে তাৰ তগৰলৈ। মহিলা কলেজত কিয় বাৰু পঢ়িব লাগে তাই। এইখন মহাবিদ্যালয়তে পঢ়া হ'লে কিমান ভাল লাগিলহেঁতেন। অন্ততঃ উচ্চতৰ মাধ্যমিকলৈকে যিদৰে তাক পঢ়িবলৈ তাগিদা দিছিল তেনেকৈ অন্ততঃ দি থকা হ'লে পঢ়ি যাব পাৰিলেহেঁতেন।

সময়বোৰ নাযায়-নুপুৱায় যেন বকুলৰ। অথচ উপায়বিহীন। চকুত লগা ল'ৰা। বাটেৰে গ'লে দহে ঘূৰি চায়। বকুলৰ সেইবোৰলৈ কাণসাৰ নাই। লগ পাব লাগে তগৰক। কথাৰ মজলিছ পাতিব লাগে মুঠতে।

-- অ' বকুল, কেনেকৈ বেক লাগিল তোৰ?

-- নাজানো পাই।

-- একেবাৰেই পঢ়া-শুনা নকৰা হ'লি তই।

— তইও যে নাই পঢ়াৰ কথা কৈ থাকিবলৈ।

ঈষৎ খং উঠি যায়। কিদৰে বুজাব তাই। হোষ্টেলত থাকে। ৰসায়ন বিজ্ঞানৰ শিক্ষাৰ্থী। সময় কমি যায়। চিঠি লিখে। উত্তৰলৈ বাট চাই। ঘনাই আদান-প্ৰদান। ঘৰলৈ গ'লে বাছৰ পৰা নমাৰ লগে লগেই শেষ নোহোৱা কথা। এসোপা কথাৰ ভাণ্ডাৰ লৈ ৰৈ থাকে বকুল।

-- পঢ়িছনে ভালকৈ বকুল?

-- তই পঢ়িলেই হ'ব দেচোন।

-- কিয়, তোৰ ভবিষ্যত পৰিকল্পনা একো নাই নেকি?

-- তোৰখিনিতে মোৰো আছে বুলি ধৰি ল।

মাত নামাতে তগৰে।

বিহুৰ বতৰ। বকুলৰ আহৰি নাই ঘৰত থাকিবলৈ। কান্ধত ঢোল। কাপোৰৰ বেগটোৰ ভিতৰত গগনা আৰু পেঁপা।

বছৰেকৰ প্ৰথম ঘাটটো মাৰেহি তগৰহঁতৰ ঘৰত। এয়া পৰম্পৰা। তগৰৰ দেউতাকৰ মনত থকা দিন ধৰি এই প্ৰথা চলি আহিছে। আজিও চলি আছে। হেৰফেৰ হোৱা নাই। আঢ্যবন্ত পৰিয়াল। দহৰ সন্মুখত নিজৰ মত দাঙি ধৰি সুস্থ-সবল সমাজ গঠন কৰিব পৰা পৰিয়াল।

বকুলৰ ঢোলৰ চাপৰত তগৰৰ মন থৌকি-বাথৌ। নাচিবলৈ মন যায়।

আগদিনাই দেউতাকৰ কাঢ়া নিৰ্দেশ -- হুঁচৰিৰ লগত এতিয়া আৰু তোৰ নাচিবলৈ বয়স নাই। মই নিবিচাৰোঁ তই বিহু নচা।"

মুক-বধিৰ হৈ পৰে তগৰ। অবুজন পিতৃ তেওঁৰ সন্মুখত সকলো কথাই অসাৰ নিজৰ মতত অলৰ-অচৰ।

স্নাতক চূড়ান্ত বৰ্ষৰ ছাত্ৰীগৰাকীয়ে চকীত বহি উপভোগ কৰে হুঁচৰি। চাহ-পিঠা গলাধকৰণ কৰি এসময়ত হুঁচৰিৰ দল গাঁৱৰ বাকীবোৰৰ ঘৰলৈ যায়।

টোপনী নধৰে। চকু জাপ নাখায় তগৰৰ। জীৱনত নতুন আমেজ এটা পালে। যিটোৰ বাবে তাই কামনা কৰিছিল নে তাই, অথবা কল্পনাও কৰিছিলনে! অথচ তেনে তপত ভাব আজীৱন লাগি থাকক যেন ওঁঠৰ মাজত।

কি কয় বাৰু এই অনুভূতিক! গোটেই পৃথিৱীখনেই যেন ৰঙীন, সমস্ত জীৱই যেন মচগুল এই প্ৰেমত। বিহুৰ গা ৰিমজিম কৰাৰ লগতে এয়া অনুভূতি।

সেই যে ৰাসৰ ৰাধাই কয় -- 'তোমাৰ অধৰ অমৃতময়।'

আগৰ এম্বেছেদৰৰ সলনি নতুন মডেলৰ গাড়ী আহে তগৰহঁতৰ ঘৰলৈ। বকুলহঁতৰ ঘৰ একেই থাকে।

বিশ্ববিদ্যালয়ৰ ছাত্ৰী হৈ পৰে তগৰ। বকুল স্নাতক একেবাৰেই উত্তীৰ্ণ হ'ব নোৱাৰিলে। দুখে-শোকে জৰ্জৰিত তগৰ। খঙত তাইৰ মূৰে কাম নকৰা হৈছিল ফলাফল ঘোষণা কৰাৰ দিনা তাৰ পৰা গালিবোৰ কাণত পৰিছিলগৈ। বন্ধুৰ আগত ইচ্ছা অনিচ্ছাসত্বেও বহু কথা ক'লে। যিবোৰে হিয়া কঁপাই দিলে বকুলৰ। পঢ়াৰ নামত গাফিলতি সহ্য নহয় যে তাইৰ সেই কথা ক'বলৈ হেলা নকৰিলে।

-- অ' বকুল, কিয় নপঢ়িলি অ'। আমাৰ জীৱনটো কি হ'ব?

-- হ'বলৈ কিটো আছে, তই চাকৰি কৰিবি মই ঘৰত থাকিম, ল'ৰা-ছোৱালীৰ আলপৈচান ধৰিম।

উহ্, নিলাজটো ক'ৰবাৰ। একো কথাতে সি ছিৰিয়াছ নহয়।

-- সময় সদায় একেদৰে নাথাকে অ' বকুল। জীৱন-জীৱিকাৰ বাবে হ'লেও নিজক প্ৰতিষ্ঠিত কৰ।

-- তই হে লচোন আগতে তাৰ পাছত মোক কৰিবি।

খং উঠিলে মনে মনে থাকে তগৰ।

বঙীয়াত বহি থকা বকুলে পৰিৱেশটো জীপাল কৰিবলৈ সুহুৰিত গানৰ লহৰ তোলে।

-- ঐ, গৰুৰ আগত টোকাৰী বায়, শিং জোকাৰি ঘাঁহ খায়।

-- মোক কৈছ নেকি তগৰ।

-- মোৰ সন্মুখত তইহে আছ, তোক নকৈ কাক ক'ম?

-- এতিয়া যি কৈছ কৈ থাক, বিয়াৰ পিছত কিন্তু হে'ৰা বুলি মাতিবি দেই। বেছি মৰম সোমাই থাকিব।

উচাৎ মাৰি গুচি আহে তগৰ। কি হ'ব এইটোৰ পৰা। জীৱনটোত যদি খেতি পথাৰখন লৈ সাধাৰণ কেইবিঘামান মাটিত খেতি কৰে জীৱনটো তাই ভবাৰ দৰে পাৰ হ'ব জানো!

চিন্তাৰ চাকনৈয়া। টোপনি নধৰে। দোভাগ নিশা শুনে বাঁহীৰ কোমল সুৰ। বাঁহীৰ মাতত যোড়শ গোপিনীৰ বাৰু কেনেকৈ টোপনি ধৰিব যিটোহে মন সন্মোহিনী সুৰ।

তগৰ বিছনাৰ পৰা নামি আহে। কোৎ কোৎকৈ পানী কণ্ঠনলী পাৰ হৈ যায়।

অলসভাৱেৰে পাৰ হৈ যায় দিন। স্নাতকোত্তৰৰ ফলাফল ওলাবলৈও বেছি দিন নাই। ঘৰলৈ আহিলে সন্ধিয়া ধূপ-ধূনা দি গোসাঁই ঘৰত মাক সোমোৱাৰ পাছত তায়ো সোমোৱাটো মনত থকা দিন ধৰি কৰি আহিছে। কৃষ্ণৰ সৰু মূৰ্তিভাগিৰ সন্মুখত ধূপডাল জ্বলাই প্ৰাৰ্থনা কৰিলে। বকুলৰ বাবেও অলপ কামনা। 'তাক কিবা এটা গত লগোৱা প্ৰভু, আমাৰ ভৱিষ্যতৰ কথা আছে।

এৰা, বকুলেই দেখোন আজিকালি তগৰৰ বাবে কৃষ্ণ গোসাঁই। কিয় জানো তাৰ ভালৰ বাবেই ভগৱানক বেছিকৈ খাটনি ধৰা হয়। মন-মগজুত কেৱল তাৰেই নাম। উশাহ আৰু নিশাহটোও বকুলৰ নামতহে যেন।

কি কি যে ভাব নাহে এই প্ৰেম বোলা শব্দটোৰ মাজত। মৰম আৰু

ভালপোৱাৰে যেন এয়া এক নৱ প্ৰতিশ্ৰুতিহে। সপোনবোৰ বাঢ়ে। সপোনবোৰ ভাঙে। অজানিতেই। কি বা হ'বগৈ ভৱিষ্যতত!

তগৰ পুনৰ পঢ়িবলৈ যাব লাগে। দেউতাকৰ আশা পূৰণ কৰাটো তাইৰ দায়িত্ব আৰু কৰ্তব্য। তাৰ উপৰিও বকুলে নিজক প্ৰতিষ্ঠিত কৰিবলৈও সময় পাব। এম.ফিল. ডিগ্ৰী লৈও তগৰ ঘৰ সোমালহি। বকুল কিন্তু একেদৰেই থাকিল।

-- অ' বকুল, কি হ'ব আমাৰ এতিয়া ? জীৱনৰ মূল সময়খিনি ধিতিঙালি কৰি কটাই দিলি।

-- ক'তনো ধিতিঙালি কৰি পাৰ কৰিলোঁ। তোক বুকুৰ মাজত লৈহে পাৰ কৰিলোঁ।

হে' ভগৱান! তগৰৰ খঙে মূৰৰ চুলিৰ আগ পায়গৈ।

প্ৰথম দৰমহাৰে বকুললৈ অনা ঘড়ীটো তাৰ হাতত দি খৰ খোজেৰে ঘৰলৈ ওভতে। আধৰুৱা কথা। অসংযত মন। টোপনি নধৰে ওৰে ৰাতি। ৰাতি বাঁহীত বাজি উঠে কোমল সুৰ।

তগৰে অশান্তিত ভোগে। ওৰে ৰাতি বিছনাত ছটফটাই থাকে।

-- অ' তগৰ, এই সাদৰীৰ পুতেক বকুলটোৱে ওৰে ৰাতিটো বাঁহী বজাই বৰ টোপনি ক্ষতি কৰে অ'।

— অ' মা, সি প্ৰায়ে বজাই নেকি?

-- নবজায়, কিন্তু যিদিনা বজায় ওৰে ৰাতি বজায় থাকে। নিজেও নুশোৱে আনকো শুবলৈ নিদিয়ে।

-- মই বুজা নাই মা!

-- বুজিবলৈ কিটো আছে, বাঁহীৰ মাতত প্ৰত্যেক নাৰীৰ মন চঞ্চল হৈ পৰে। সেয়া লাগিলে যুৱতী, গাভৰু অথবা আমাৰ দৰেই মহিলাই হওক।

কথাষাৰ কৈ মাক আঁতৰি যোৱালৈ অপলক নেত্ৰে চাই তগৰ নিজৰ কোঠাত সোমায়। বুকুখনত হাতখন দি দীঘল দীঘলকৈ উশাহ টানে। হ'বনে এখন সুখৰ সংসাৰ বকুলৰ লগত!

আঁত লাগে সুতাৰ। তাঁতৰ সুতাত আঁত লাগে। জৰী অনিচ্ছাসত্বেও ছিঙি দিবলৈ বাধ্য। কোনো কাৰণ দৰ্শাইও নিজৰ স্থিতিত

অটল হ’ব নোৱাৰিলে অভাগী।

ৰভা খুঁটা পোতে। চহৰৰ পৰা দামী দামী মিঠাই আনে। বেণ্ড পাৰ্ট আনে। ওজাপালী আনে। মাকে সুৰাগুৰি তোলে। দেউতাকে সোণৰ আঙুঠি পিন্ধাই দৰা আদৰে। হোমৰ জুই জ্বলি উঠে। দুৱাৰ ধৰি দিয়া মাকৰ বাহুৰ তলেৰে তগৰ ওলাই যায়।

নঙলামুখত বকুল। তগৰে ওৰণীৰ তলেৰে চাবলৈ চেষ্টা কৰে। চকুযুৰি চাবলৈ মন গৈছে তাইৰ। কিদৰে কটালে ওৰেটো ৰাতি।

হৃদয়ৰ কোণত অলেখ ভালপোৱা। অভাৱ অন্য এখন হৃদয়ৰ। অভাৱ মনৰ। মনৰ দুখীয়াৰে কেনেকৈ জীৱন অতিবাহিত কৰিব! চিন্তাৰ চাকনৈয়াত বাৰে বাৰে বুৰ যাব খোজে অবুজ হৃদয়। জানি বুজিও অবুজন। কেনেকৈ পাৰ কৰিব বকুল বিহীন জীৱন। পাৰিবনে! পাৰিবনে এনে এটি জীৱনত অচিনা যুৱকক আপোন কৰি ল’ব!

আঠমঙলা খাবলৈ আহে। পৰিয়ালৰ সদস্যই আগুৰি ধৰে। কথাৰ এটা ভাণ্ডাৰ লৈ বহি থাকে মাক। শেষ নোহোৱা যেন কথাৰ বৰপেৰা।

সুবিধা বুজি বকুলৰ খবৰ লয়। ঘূৰি আহে বিলাসী গাড়ীত উঠি।

চাকৰিৰ ব্যস্ততা। স্বামীৰো একেই ব্যস্ততা। তাৰ মাজতো বন্ধ মিলাই গাঁৱৰ ঘৰলৈ যায়।

ওৰে ৰাতি বাঁহী বাজি থাকে। শুব নোৱাৰে তগৰ। বাৰাণ্ডালৈ ওলাই আহে। গ্ৰীলেৰে আৱৰা বাৰাণ্ডাত পায়চাৰী কৰে। লৰ মাৰি যাবলৈ মন যায় বকুলৰ কাষলৈ।

গঁও ফুৰা চলেৰে বকুলক লগ কৰে।

-- ঘড়ীটো পিন্ধি আছোঁ তই দিয়া।

-- পিন্ধিবলৈকে দিছিলোঁ সময় চাবলৈও দিছিলোঁ।

-- সময় চায়েইতো লগ কৰিবলৈ আহিছে তোক।

-- উহ্, অলপতো সলনি হ’বলৈ চেষ্টা কৰ বকুল।

-- সময়বোৰ দেখোন পাৰ হৈ গৈয়েই থাকিল। এতিয়ানো সলনি হৈ কি কৰিম।

মুক-বধিৰ তগৰ। এটাও শব্দ উচ্চাৰণ নকৰিলে। ঘৰৰ নঙলামুখত মাকৰ চকুত ধৰা পৰাৰ ভয়ত খৰধৰকৈ কোঠাত সোমায়।

কিয় যে অবুজন এই বকুলটো। ঘড়ীৰ ছেকেণ্ড, মিনিট, ঘণ্টাৰ লগত সময় পাৰ কৰিববলৈ নিশিকিলে। কিন্তু তগৰৰ এই অকণমাণি ঘড়ীটো যিটো হাইস্কুল শিক্ষান্ত পৰীক্ষাত ভাল ফলাফল কৰোঁতে দেউতাকে হাতত তুলি দিছিল। সেই দিন ধৰি দেখোন একেটা ঘড়ীকে পিন্ধি আছে। জোৰণৰ ঘড়ীটোও এদিন লগ হৈ পৰিল যদিও এইটো ঘড়ী আঁতৰ নহ'ল। ঘড়ী নহয় যেনিবা তগৰৰ দেহৰ এটা অংগহে। যি অংগ অবিহনে জীৱন অসম্ভৱ। ফিটা লগ। পুৰণি ঘড়ীটো জীৱন মালিতাৰ এক অবিনশ্বৰ সঙ্গী। যেন জীৱন লগৰী, জীৱনৰ প্ৰতিটো মুহূৰ্তত সংগ দিছে। অনুভৱ কৰায় সুখ-দুখ। শৰীৰৰ ভিতৰত থকা ধপ্ ধপ্ ধপ্ কৈ নিৰ্দিষ্ট গতিত চলি থকা কলিজাটো যিদৰে দেহৰ এৰাব নোৱাৰা অংগ ঠিক সেইদৰে মণিবন্ধনত লাগি থকা ক'লা ফিটাৰ নিৰ্দিষ্ট গতিত টিক্ টিক্ টিক্‌কৈ চলি থকা ঘড়ীটোও দেহৰ অংগ।

কিয় বুজি নাপালি অ' বকুল তই।

ব্যস্ত হৈ পৰে তগৰ। পঢ়ি ভাল পোৱা ছোৱালী । উচ্চাকাংক্ষাৰে ভৰপূৰ হৃদয়।

যিমান ব্যস্ততাৰ মাজতো বকুল আঁতৰ নহ'ল। পৰিয়াল বাঢ়িল। বকুল থাকিল হৃদয়ৰ একোণত। সংসাৰৰ জঞ্জাল সামৰাৰ লগতে এগৰাকী কৰ্তব্যনিষ্ঠাৰে কৰ্ম কৰি যোৱা নাৰী।

বিহুৰ বতৰত ঘৰলৈ আহে। পৰম্পৰ। ৰক্ষা কৰে গাঁৱৰৰ ডেকাচামে।

তগৰ ওলাই আহে কোলাত কেঁচুৱা লৈ।

বকুলে বিহু জোৰে। ঢোলত ৰগৰ উঠে। তৰাৰ উচপিচ লাগে। ভিতৰলৈ সোমাই যায়।

পেঁপা বাজি উঠে। ম'হৰ শিঙৰ পেঁপা। তগৰে টাকুৰি ঘূৰাদি নাচে আগতে। তগৰৰ কণ্ঠনলী শুকাই যায়। অবুজ বেদনাই হিয়াত খুন্দিয়ায়।

দেউতাকৰ মাতত স্বামী, সন্তান সহ সেৱা কৰিববলৈ ওলাই আহে। আঁঠু লয়।

বকুলে চাই ৰয় তগৰৰ পৰিয়াল। বুকুখন মোহাৰি উশাহটো দীঘলকৈ লৈ লয়। গামোচাৰে মুখখন মচি মচি বহিববলৈ পাৰি থোৱা

ঢাৰিত বহে। তগৰে চাহ পিঠা দি যায় মাক নবৌৱেকৰ লগত।

সকলো ঘৰাঘৰি যাবলৈ ওলায়। তগৰ আগবাঢ়ি যায়। বকুল ৰৈ যায়।

-- জীৱনটো এনেকৈ শেষ কৰি নিদিবি বকুল।

-- কি কৰিব লাগে ক।

-- ক'বলৈ কিনো আছে। নিজক প্ৰতিষ্ঠিত কৰ।

-- সময় পাৰ হৈ গ'ল তগৰ। তহঁয়েই নাই কাক লৈনো মহ ব্যস্ত থাকিম?

চকুত চকুলো। উদাস উদাস মন। দোভাগ নিশা বাজি উঠে বাঁহীৰ কৰুণ সুৰ।

তগৰ শুব নোৱাৰে। শান্তিত থাকিব নোৱাৰে। স্বামী আৰু সন্তানৰ মাজৰ পৰা উঠি আছে। মূৰত পানী লয়।

চহৰমুখী হয় তগৰ। পৰিয়াল-সজ্জনক সময় দিবলৈ কৃপণালী নকৰে। নাৰী ধৰ্ম যে। অকপটে কৰি যায় সকলো।

ঘড়ীৰ কীটাৰ লগত অভ্যস্ত জীৱন প্ৰণালীত।

তগৰ ঘৰলৈ আহে। মাক-দেউতাকৰ একমাত্ৰ কন্যা। আশা কৰে ঘৰলৈ অহাটো সময়-সুবিধা পালেই তগৰে গাড়ী দৌৰায়।

কেঁচা বোকা বাট পকী হ'ল। ঘৰবোৰ বহুতৰে পকী হ'ল। তগৰৰ চাই ভাল লাগে।

আবেলি সময়। গো-ধূলি উৰুৱাই অহাৰ সময়। আগত সৰুৰ জাক। গাড়ীৰ গতি মন্থৰ হয়।

তগৰৰ দুচকুৰে ধাৰাসাৰে চকুলো বাগৰে। কৰেনে আশা তাই বকুলক এনে দৃশ্যত। গৰুৰ জাকটোৰ পিছে পিছে মূৰত টুপি, গাত এটা মলিয়ন চোলা, পিঠিত এটা বেগ, হালোৱা এচাৰিডাল লৈ গৈ আছে তাইৰ গাড়ীৰ আগে আগে প্ৰিয় পুৰুষজন।

উহ্, কি যে যন্ত্ৰণা। তাই গাড়ীৰ হৰ্ণ বজোৱা নাই। চাই গৈছে বকুলক পিছফালৰ পৰা। থুলন্তৰ ল'ৰাটোৰ চেহেৰাটোৱে পিছফালৰ পৰাই তাইক মোহিত কৰিলে। সপোনৰ বকুলটো গৈ আছে তাইৰ আগে আগে। কল্পনাত ৰহণ সনা বকুল তাইৰ। তাৰ পুৰুষসুলভ স্বভাৱটোত প্ৰেমত

পগলা এতিয়াও হৈ আছে তগৰ। কামনা কৰে বকুলৰ সুখ। সি সুখী হ'লে তাইও সুখী হ'ব আজিৰ তাৰিখতো। সন্তান মহাবিদ্যালয় পোৱাৰ পিছতো।

পিছদিনা তগৰ ওলাই আহে চুবুৰীৰ এঘৰলৈ। উদ্দেশ্য বকুলক লগ কৰাৰ।

-- বৰ আশা কৰি তোক ঘড়ীটো দিছিলোঁ। বুজি নাপালি ঘড়ীৰ মূল্য।

— কিয় বুজি নাপাম বাৰু! গৰুৰ পালত যাওঁতেহে ঘড়ীটো নিপিন্ধো হেৰায় বুলি, বাকী সকলো সময়তে তই দিয়া ঘড়ীটোকে পিন্ধি থাকোঁ দেখোন তগৰ।

তগৰে গধূলিৰ তৰাভৰ। আকাশলৈ চাই ৰয়। কেনেকৈ বুজাব তাক ভাবি আঁত নাপায়।

-- জীৱনৰ লগত ঘড়ীৰ আটিল সম্পৰ্ক অ' বকুল।

-- জানো।

তগৰৰ খং উঠে। ফোপাই যায়। মুখখন ৰঙা পৰে।

-- একো বুজি নাপাৰ তই। তই বুজিবলৈ চেষ্টা নকৰিলি ঘড়ীৰ মূল্য।

বকুলে চাই ৰয় দূৰ দিগন্তলৈ।

-- চা বকুল ঘড়ীৰ ভিতৰৰ যন্ত্ৰ-পাতিবোৰ তেনেই নগণ্য। কিন্তু মনুষ্যৰ বাবে অতি গুৰত্বপূৰ্ণ।

-- যি খালী চকুৰে দেখা নাপায়।

-- অ' বকুল, বিশেষ কায়দাৰে চুঙা আকৃতিৰ মেগনিফায়িং গ্লাছৰ সহায়তহে ভাল-বেয়া ধৰা পৰে।

অবুজন নে বুজিও অবুজনৰ ভাও ধৰে এই বকুলটোৱে।

প্ৰশাসনিক পৰীক্ষাৰ ফলাফল ওলাল। তগৰ উত্তীৰ্ণ হয়। খৰধৰকৈ ফোনত নম্বৰ টিপিলে। বকুলৰ হিয়া আনন্দত নধৰা হ'ল।

সংবাদপত্ৰৰ পৃষ্ঠা শুৱনি হৈ আহে তগৰ। বকুলে তিনিআলিৰ কিতাপৰ দোকানত পড়ি যায়।

নষ্টালজিয়াত ভোগে। কেনে দিন কি হৈ গ'ল। তেতিয়াও ঘড়ী আছিল দেউতাকৰ। আইতাকৰ বাবে ঘড়ীৰ কাম নাছিল। ৰ'দ চায়েই কৈ

দিব পাৰে সময় কিমান। ডাৱৰীয়া বতৰতো যাৰ ব্যতিক্ৰম নহয়।

গাঁৱৰ স্কুলৰ দুয়ো শিক্ষাৰ্থী। হিৰ' চাইকেলখন পাওঁতে নৱম শ্ৰেণীত। তাৰ আগতো একেলগে পঢ়াশালিলৈ অহা- যোৱা। নাছিল শিহৰণ। অথচ ভাল লাগে দুয়োটাৰে। হাতত ধৰাধৰিকৈ দুয়োটা যায় কান্ধত কাপোৰৰ মোনাটো লৈ। অংকৰ শিক্ষকৰ পাঠদান বকুলৰ কাণত নোসোমায়। পূৰণ, হৰণ নেওতাত বিঘিনি। আঙুলিৰ মূৰত হিচাপ। তগৰে এদিন পঢ়াৰ কৌশল শিকালে বকুলৰ মুখস্থ।

তগৰৰ ৰেলী চাইকেল, বকুলৰ হিৰ' চাইকেল। বকুলৰ আকৌ বিপদ। 'ত্ৰিভুজৰ তিনিটা কোণৰ মাপৰ সমষ্টি দুই সমকোণ।' বকুলে বুজি নাপায়। ছিত্ৰ ছাৰৰ কাণচেপা। বৰ্ডত আঙুলি লিৰিকি-বিদাৰি থকাৰ যন্ত্ৰণা।

তগৰে মেলি লয় জ্যামিতিৰ বহীখন। চাইন থিতা, কছ থিতা। 'ছাম পিপল হেভ কাৰ্লি ব্ৰাউন হেয়াৰ, টাৰ্ন পাৰ্মানাণ্টলি ব্লেক।' বকুলৰ মুখস্থ বৰ্ডত কৰি যায়।

তগৰে স্বস্তিৰ নিশ্বাস এৰে।

বকুলে বাৰীৰ ফল-মূল মনে মনে তগৰলৈ লৈ যায়। টিপতে খায়।

ভীমকল এটা দুভাগ কৰি দুয়োটাই পানীখোৱা চুটি পাৰ কৰে।

এদিন হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল ওলাল। বকুল একেবাৰতে যেনিবা পাৰ হ'ল।

সলনি হ'ল চকুৰ চাৱনি। মনবোৰ সলনি হ'ল। দুয়োৰে অন্তৰৰ ঠিকন। হৈ পৰিল দুয়ো। লাজ লাজ চাৱনি। মিঠা মিঠা আৱেগ। আৰম্ভ হ'ল ঘড়ীৰ কীটাত সকলো। গো-ধূলি উৰুৱাই অহাৰ সময়ত বাটত। বঙীয়াত বহি মনৰ কথা। উজাই আহে মৰমবোৰ। চঞ্চল হয় বিহুৰ বতৰত। ঢোলৰ চাপৰত তগৰ চঞ্চল হয়। পেঁপাৰ মাতত হিয়া সাতখন-আঠখন। নিশা বাঁহীৰ মাতত অস্থিৰ হৈ পৰে তগৰ। কতো মন বহুৱাব নোৱাৰে। উঠি আহে বিছনাৰ পৰা। ঘনাই মুখ ধোৱে। কোনো মুহূৰ্তত গাৰুটো সাৱটি কৈ উঠে --"অ' বকুল, কিয় কষ্ট দিছ অ'। কাইলৈৰ পৰা হোষ্টেলত মই কেনেকৈ থাকিম তই কি বুজিবি! মই হোষ্টেল যোৱাৰ আগদিনা তই কিয় এনে কৰ!"

গাঁৱত মঞ্চ সাজিছে। উৎসৱমুখৰ পৰিৱেশ। গাঁৱৰে ছোৱালীজনী

প্ৰশাসনিক বিষয়া হৈ গাঁওখনৰ নাম জিলিকাইছে। গৌৰৱ অনুভৱ কৰিছে সমস্ত গাঁওবাসীয়ে । বকুলৰ মন উগুল-থুগুল।

বিশ্বাসৰ শিকলিত ধৰি সি আগুৱাই গৈছে। আজিও টানকৈ পিন্ধি লৈছে শিকলিডাল।

ঢোলে-ডগৰে আদৰি আনিলে প্ৰশাসনিক বিষয়াক। বকুলৰ প্ৰিয় আকাশী নীলা কাপোৰযোৰ পিন্ধি তগৰ বগা গাড়ীখনৰ পৰা নামি আগুৱাইছে মঞ্চৰ ফালে।

তগৰৰ চকু চঞ্চল। ক'ত আছে বাৰু এই বকুলটো।

তগৰ মঞ্চত। চকুৰে বিচাৰি থকা বকুল দৰ্শকৰ মাজত।

উপায়বিহীন তগৰ। সমাজৰ সন্মুখত নিজৰ প্ৰেম প্ৰদৰ্শনতো কৰিব নোৱাৰি।

এসময়ত মঞ্চৰ অনুষ্ঠানৰ সামৰণি পৰিল।

একাষৰীয়াকৈ লগ হ'ল বকুল। সন্দেহৰ প্ৰশ্ন নুঠে দ্বিতীয়জনৰ।

-- মোক একেদৰেই থৈছ নে তগৰ?

-- তামোল বা নাৰিকল নহয় ফালি দেখুৱাবলৈ।

মুক হৈ পৰে বকুল।

-- এদিন তোক মই ঘড়ী চাবলৈ শিকাইছিলোঁ বকুল, মনত আছেনে আজিও।

-- চুটি কাঁটাডাল ঘণ্টাৰ, দীঘলডাল মিনিটৰ আৰু যে টিক্ টিক্ টিক্ কৈ দৌৰি ফুৰে সেইডাল ছেকেণ্ডৰ। ছেকেণ্ডতে পৃথিৱী সলনি হৈ যায়। ছেকেণ্ডতে ওলট-পালট হৈ যায়, ছেকেণ্ডতে মধুৰ সম্পৰ্কৰে গঢ় লৈ উঠে।

-- সকলো জানি-বুজিও কিয় তই ভালকৈ ঘড়ীটো চাবলৈ নিশিকিলি?

-- ঘড়ীটো চাই সদায় ভাবো, এলা-পেচা ঘড়ী নহয় এইটো । আমাৰ প্ৰেমৰ সাক্ষী।

-- তাতকৈ বেছি আৰু নাভাবিলি কিয় ? ভবাহেঁতেন একেটা ঘৰতে দুইটা থাকিব পাৰিলোঁহেঁতেন।

বকুল ক্ষন্তেকপৰ নিমাত।

-- ঘড়ীটো মাজতে বেয়া হৈছিল।

-- কি? কিয় তই মোক কোৱা নাছিলি?

-- ভয় লাগিছিল তোলৈ । ভীষণ ভয় লাগিছিল। চহৰৰ বতাহে তোক চুই যাব বুলি।

-- তাৰ পাছত...?

— এদিন মেজখনৰ ওপৰত বিভিন্ন ধৰণৰ স্ক্রুড্রাইভাৰ, চেপেনা, সৰু সৰু চকুৰে মনিব নোৱাৰা ধৰণৰ স্প্রীং আৰু কিছু যন্ত্রপাতি লৈ বহিলোঁ। টেবুল লেম্পটো জ্বলাই ল'লো। প্রথমে অস্পষ্ট, তাৰ পাছত স্পষ্ট ৰূপত ধৰা পৰিল।

সৰসৰাই বৈ আহিল তগৰৰ চকুলো। বুজি নোপোৱা কথা কিছুমান বেয়া হোৱা অভিনয় কৰা ঘড়ীটোৱে বুজাই দিলে।

তগৰে খোজ আগবঢ়ালে। বকুলে মাত লগালে -- তগৰ, ঘড়ীটো আলফুলকৈ বুকুত ভৰাই থৈছোঁ।

গাড়ীৰ দৰ্জাখনত হাতখন দি তগৰে এক মুহূৰ্তৰ বাবে বকুললৈ চালে -- ওৰেটো জীৱন লগত ৰাখিবি বকুল। ময়ো তই দিয়া সকলো সযতনে ৰাখিছোঁ।

বকুলৰ একো দিয়া মনত পৰা নাই। কি দিছিল সি তগৰক!

তগৰে বেগৰ চেইন খুলিলে। সন্মুখত দাঙি ধৰিলে পূজাৰ এটা অকণমানি ঘড়ী। যিটো ঘড়ীত মিনিট, ছেকেণ্ডৰ কীটাকেইডাল আজিও সক্রিয় হৈ আছে। ■

# স্মৃতিৰ এখিলা পাত

**ৰুণু গগৈ শইকীয়া**
প্ৰাক্তন ছাত্ৰী

স্মৃতি সোঁৱৰণি এক মধুৰতম উপলব্ধি এৰি থৈ আৰা দিনৰ। জীৱনৰ বাটত বাট আগলৈহে বুলিব পাৰি। পিছলৈ ঘূৰিব নোৱাৰি। সেইবাবেই স্মৃতিবোৰ আমাৰ বৰ আপোন আৰু সোনসেৰীয়া। সেই স্মৃতিতে আমি কান্দো, হাঁহো আৰু ৰোমন্থন কৰে বহুত কিবা কিবি।

আজিৰ সময়ত মোৰ গাৰ্হস্থা জীৱনত প্ৰবেশ বৰ সোনকালে হৈছিল। আজিৰ সময় বুলি এইবাবেই কৈছো, আজিকালি ছোৱালী এজনী উপযুক্ত শিক্ষাৰে শিক্ষিত নোহোৱালৈকে পিতৃ মাতৃয়ে বিয়া দিয়াৰ চিন্তা নকৰে। পাৰিলে আৰ্থিকভাৱে স্বাৱলম্বী হোৱাটোও বাঞ্চা কৰে। কোনোবা হয় কোনোবা নহয়, কিন্তু শিক্ষিত হৈ উঠে অন্ততঃ স্নাতক ডিগ্ৰীৰ যোগ্যতাৰে।

মেট্ৰিক পাচ কৰি প্ৰাক স্নাতক প্ৰথম বাৰ্ষিকৰ বছেৰেকীয়া পৰীক্ষাৰ আগতেই বিয়াত বহিবলগীয়া সই জনীয়ে দ্বিতীয় বাৰ্ষিক প্ৰাকস্নাতকৰ চূড়ান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱাতে শিক্ষা জীৱনৰ এক প্ৰকাৰ সমাপ্তি ঘটাবলগীয়াত পৰিছিলো। হয়তু মনৰ মাজত ৰৈ গৈছিল আধৰৰা শিল্পকে পূৰ্ণতা দিয়াৰ এক বাসনা। সেই বাবেই সুদীৰ্ঘ তেৰ বছৰৰ মুৰত ঢপলিয়াই গৈছিলো ডিগবৈ মহাবিদ্যালয়লৈ। য'ত মোৰ উচ্চ শিক্ষাৰ জীৱন অংকুৰিত হৈছিল। পিছে বিফল মনোৰথ। কাৰণ এই সুদীৰ্ঘ বিৰতী তদানীন্ত অধ্যক্ষ ৰফিক সুছেইন ছাৰে মোক এক উপায় অৱশ্যেই দিছিল। সেয়া হ'ল মই যদি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা অনুমোদন আনিব পাৰো, তেনেহলে

মোৰ নাম ভৰ্তি খাটাং। তেতিয়া মোৰ বাবে সেয়া সম্ভৱ নাছিল। এক সমাধাহীন অংক।

তেনেকুৱাতে মনতে ভাৱিলো এবাৰ মহিলা মহাবিদ্যালয়লৈ গৈ চোৱাত কিহৰ আপত্তি? যেনে ভাৱ তেনে কাম। গলো। অধ্যক্ষ কান্তেশ্বৰ ডেকা চাৰক আদ্যোপান্ত কলো। ছাৰে পোনচাটেই হ'ব বুলি কৈয়েই পেলালে। মাত্ৰ এটা চৰ্ত দিলে তিনিমানহ শ্ৰেণীত উপস্থিতি বাধ্যতামূলক। লগতে আৰু এটা দাবী এয়া ভোজনৰসিক ছাৰৰ ধেমেলীয়া আব্দাৰ শুকান ৰুটীৰ লগত কুকুৰাৰ মাংস। যিহেতু মেৰা মা-দেউতাৰ ঘৰখনৰ সৈতে থকা ছাৰৰ পৰিয়ালৰ এক ঘৰুৱা সম্পৰ্কৰ বাবেই তেনেদৰে কৈছিল।

ছাৰৰ নিৰ্দেশ সাৰোগত কৰি পূৰা তিনিমাহ শ্ৰেণীত উপস্থিত থাকিলোঁ। তেতিয়া স্নাতক মহলাৰ পাঠ্যক্ৰম তিনিবছৰীয়াই আছিল। প্ৰথম আৰু দ্বিতীয় বৰ্ষ মিলাই পাৰ্ট-ওৱান আৰু তৃতীয় বৰ্ষ পাৰ্ট-টু। পাৰ্ট ওৱানৰ ফলাফল ওলাল। আনিবলৈ পঠালো মাৰ গৃহস্থক। যথা সময়ত কলেজত উপস্থিত হৈ তেওঁ নটিচ বৰ্ডত আঁৰি থোৱা ফলাফলৰ তালিখাখনত মেৰা ৰোল নং বিচাৰিলে আৰু মোৰ ৰোল নংটো পাই তেওঁ ওলাই আহিল। আকৌ মনতে ভাৱিলে হেনো সঁচাকৈ পাচ কৰিছেনে নাই, কিজানি তেওঁ ভুলেই দেখিলে। এই ভাবি পুনৰ তালিকাখন চালেগৈ। হয় অমুকিয়ে পাচ কৰিছে। কাৰণ মোৰ উত্তীৰ্ণ হোৱাৰ দম্ভেৰে মোৰ ৰোলনংটো জিলিকি আছে। এইবাৰ তেওঁ স্বস্তিৰ নিঃশ্বাস পেলাই ঘৰ পালেহি। মেকা যেতিয়া খবৰটো দিলেহি মই আনন্দতে কান্দি পেলাইছিলো। কাৰণ এই পৰীক্ষাটো মোৰ বাবে প্ৰকৃততে নিজক পৰীক্ষা কৰাৰ পৰীক্ষাও আছিল। তাৰমানে মগজুটোত এতিয়াও মামৰে সংক্ৰমন কৰিব পৰা নাই। পূৰ্ণোদ্যামে প্ৰস্তুতিত লাগি পৰিলো। চূড়ান্ত পৰীক্ষাৰ নিজকে সাজু কৰিবলৈ।

পৰীক্ষা হ'ল, ফলাফল আহিল। আহিল মানে লাগিব কেনা। ইংৰাজীত বেক। বেক পাবলগীয়াকৈ ইমানো বেয়া হোৱা নাছিল। মই বাৰু অনিয়মীয়া আছিলোঁ, কিন্তু নিয়মীয়া ছাত্ৰীকেই গৰাকীমানেও বেগ পাইছিল। ইংৰাজীত। কি কৰিম আৰু! বেকৰ ফৰ্ম পূৰাবলৈ গ'লো। কান্তেশ্বৰ ডেকা ছাৰে দিলে সকিয়নী 'বেকত যদি বেক লাগে কি কৰিবি?

তাৰ সলনি পূৰাকৈ আটাইখিনিৰে ফৰ্ম পূৰা, পৰীক্ষা দে।' আৰু দুজনমান প্ৰবক্তাইও একেদৰেই ক'লে। গতিকে মন সলনি কৰি দিলো বাপ্পেকে সম্পূৰ্ণ পৰীক্ষাৰ ফৰ্ম পূৰাই। ইপিনে ঘৰত বিৰাট গালি। বিশেষকৈ পুতুৰ (লক্ষ্মী নন্দন)। কাৰণ এইখন মহাবিদ্যালয়ৰে সি এটা সময়ত অৰ্থনীতিৰ প্ৰবক্তা কৰিছিল। পাঁচ কৰি গ্ৰেজৱেট নামটোহে ল'ব লাগে। গতিকে কি দৰকাৰ ইমান ৰি' লোৱাৰ। কথাযাৰ বাৰু একেবাৰে মিছাও নহয়।

যি নহওঁক সকলো সহি সামৰি বহিলো পৰীক্ষাত আৰু ফলাফল। পাচ কৰিলো মানে গ্ৰেজুৱেট। সেয়া আছিল ১৯৯৫ চন। মোৰ এই স্নাতকী হোৱাৰ অন্তৰালত মেৰা চিৰ নমস্য শ্ৰদ্ধাৰ কান্তেশ্বৰ ডেকা ছাৰৰ অকুণ্ঠ সহায়ৰ বাবে আজীৱন ঋণী হৈ ৰম। লগতে ডিগবৈ মহিলা মহাবিদ্যালয়ৰ ওচৰতো মই চিৰ কৃতজ্ঞ। জয়তু ডিগবৈ মহিলা মহাবিদ্যালয়।

এটা বাৰ্তা দিব বিচাৰিছো পঢ়াৰ কোনো বয়স নাই। এয়া অৱশ্যে একান্তই মেৰা ব্যক্তিগত অনুভৱ আৰু দৃষ্টিভঙ্গি। মনটোৱেই আচল কথা। মনত থাকিলে পাৰি অসাধ্যকো সম্ভৱ কৰিব। ■

# ডিগবৈ মহিলা মহাবিদ্যালয়ৰ পুথিভঁৰাল আৰু শৈক্ষিক উত্তৰণত পুথিভঁৰালৰ ভূমিকা - এটি চমু আলোকপাত

**জোনালী বুঢ়াগোহাঁই**
প্ৰাক্তন ছাত্ৰী

১৯৮১ চনত ডিগবৈৰ শিক্ষাজগতখনত জ্ঞানৰ জ্যোতিষ্ক হৈ প্ৰতিষ্ঠা লাভ কৰা ডিগবৈ মহিলা মহাবিদ্যালয়ৰ পুথিভঁৰালো সেই একেটা বৰ্ষতে গঢ় লৈ উঠা কথাটোৱে ছাত্ৰী, শিক্ষক, ডিগবৈৰ পঢুৱৈ সমাজ সকলোকে মহাবিদ্যালয়খনৰ প্ৰতি পৰম আস্থা, স্নেহ, সম্ভ্ৰম, বিশ্বাস আৰু সন্মান কঢ়িয়াই আনে। বিদ্যালয়েই হওঁক বা মহাবিদ্যালয়েই হওঁক পথিভঁৰালৰ প্ৰয়োজনীয়তা কিমান তাক দোহৰা নিস্প্ৰয়োজন। প্ৰথমাৱস্থাত মাত্ৰ কেইশমান গ্ৰন্থেৰে আৰম্ভনি যাত্ৰাৰ শুভাৰম্ভ কৰাৰে পৰা বৰ্তমানে মহাবিদ্যালয়খনিৰ পুথিভঁৰালটিত মুঠ গ্ৰন্থৰ সংখ্যা ২১,২১৩ খন। এঘাৰটা বিভাগেৰে পৰম গৌৰৱেৰে শিৰ তুলি থকা মহাবিদ্যালয়খনিৰ পুথিভঁৰালত বিভাগভিত্তিক মুঠ গ্ৰন্থৰ তালিকা এনেধৰণৰ—

| | |
|---|---|
| ইংৰাজী - | ২৫৫৬ |
| অসমীয়া - | ৪৯৩৪ |
| হিন্দী - | ১০৬১ |
| বেংগলী - | ৯৪৫ |
| অৰ্থনীতি - | ১৪৩৮ |
| ৰাজনীতি বিজ্ঞান - | ১৮৮৬ |

| | |
|---|---|
| শিক্ষাতত্ত্ব - | ১৬৮০ |
| দৰ্শন - | ১২৭১ |
| সমাজতত্ত্ব - | ১৬১৬ |
| গাৰ্হস্থ্য বিজ্ঞান - | ১০১৯ |
| বুৰঞ্জী - | ১৩৯০ |
| নাৰী শিক্ষামূলক গ্ৰন্থ - | ১৫০ |
| অন্যান্য - | ৪০০ |

বিভাগভিত্তিক প্ৰয়োজনীয় গ্ৰন্থৰ উপৰিও প্ৰসংগ পুথি, আলোচনী, পত্ৰিকা, বাতৰিকাকত আদিৰে মহাবিদ্যালয়খনিৰ শৈক্ষিক চাহিদা পূৰণৰ বাবে পুথিভঁৰালটিয়ে জন্মলগ্নৰে পৰা অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। মহাবিদ্যালয়খনিৰ গাতে লাগি থকা তিনিমহলীয়া বিল্ডিঙৰ পুথিভঁৰালটিৰ দুটা কোঠা এটা শিক্ষকৰ বাবে আনটো ছাত্ৰীসকলে পঢ়িবৰ বাবে সজোৱা হৈছে। পুথিভঁৰালী ৰজনীকান্ত হালৈ, আৰু কাৰ্যালয় সহায়ক হিচাপে বৰ্তমানে কাৰ্যনিৰ্বাহ কৰি আছে দিপীকা ধৰ আৰু পুতুল চন্দ্ৰ বৰাই।

পুথিভঁৰালটিত অন্যান্য কিতাপৰ তালিকা তলত দিয়া ধৰণৰ।

আমাৰ অসমস, অসমীয়া প্ৰতিদিন, Assam Tribune, আজকাল (বেংগলী), পূৰ্বাঞ্চল প্ৰহৰী (হিন্দী), University News, New Frontiers in Education, Economic and political weekly, Indian Philosophical Quarterly, সমকালীন ভাৰতীয় সাহিত্য, Sociological Bulletin, India Today, Outlook, Competition Affairs, Competition Success Review, Desh, Frontline, গৰিয়সী, প্ৰান্তিক, যোজনা।

**ছাত্ৰ ছাত্ৰীৰ শৈক্ষিক উত্তৰণত পুথিভঁৰালৰ গুৰুত্ব ঃ**

প্ৰকৃততে ছাত্ৰ ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ বাবে শিক্ষানুষ্ঠানসমূহত পুথিভঁৰাল একোটা গঢ়ি তোলা হয়। শৈক্ষিক ক্ষেত্ৰখনত আগবাঢ়ি যোৱাৰ লগে লগে বৌদ্ধিক আৰু নৈতিক দিশতো পুথিভঁৰালে ছাত্ৰ-ছাত্ৰীক মজবুত কৰি তুলিবলৈ অহোপুৰুষাৰ্থ আগবঢ়ায়। যিকোনো বিষয়ত কেৱল এখন বা দুখন পাঠ্যপুথি পঢ়ি পৰীক্ষাত উত্তীৰ্ণ হ'ব পৰা যায় সেইটো সঁচা কিন্তু প্ৰতিটো বিষয়ত বিশদ আৰু গভীৰ জ্ঞান অৰ্জন কৰিবলৈ প্ৰতিগৰাকী ছাত্ৰ ছাত্ৰীয়ে পুথিভঁৰালত মজুত থকা প্ৰসংগ পুথিসমূহ সময় উলিয়াই

পঢ়িবলৈ যত্ন কৰাটো অতি প্ৰয়োজনীয় কাম। কাৰণ প্ৰসংগ পুথিসমূহে বিষয়সমূহৰ গভীৰতালৈ নিয়াত অভূতপূৰ্ব অৰিহনা যোগায়। বিষয়সমূহৰ সবল আৰু সাৱলীল বৰ্ণনে সুক্ষ্ম সুক্ষ্ম ধাৰণা সমুহক বলিষ্ঠ ৰূপত মনৰ মাজতে সজাই পৰাই নিগাজিকৈ ৰাখিবলৈ সুযোগ দিয়ে। তদুপৰি অন্যান্য গ্ৰন্থ অধ্যয়নে সমাজ, পৰিবেশ, ইতিহাস, দৰ্শন, সকলোখিনি তথ্য সামগ্ৰিকভাৱে আহৰণ কৰাত প্ৰভূত অৰিহনা যোগায়। ভাষা এটি শুদ্ধকৈ লিখা আৰু আয়ত্ব কৰাটোতো পুথি অধ্যয়নে যথেষ্ট সহায় কৰে।

যশস্বী সাহিত্যিক হোমেন বৰগোহাঞিদেৱে কটন কলেজত পঢ়ি থাকোতে আজৰি সময়ৰ সিংহভাগ পুথিভঁৰালত কটোৱা কথাটো তেখেতৰ আত্মজীৱনী “আত্মানুসন্ধান”ত উল্লেখ কৰি গৈছে। আচৰিত কথা এইটোৱে যে তেখেতে বিখ্যাত বিখ্যাত পশ্চিমীয়া সাহিত্যিকৰ জীৱনী অতি কম দিনৰ ভিতৰতে পঢ়ি সমাপ্ত কৰিছিল। তেখেতৰ বিভিন্ন প্ৰৱন্ধাৱলীত আমি পঢ়িবলৈ পাওঁ এনেবোৰ গ্ৰন্থ অধ্যয়নে হেনো তেখেতৰ জীৱনটোকে সলাই পেলাইছিল। আমাৰ চিন্তাৰ পৰিধি, আত্মবিশ্লেষণ, সুক্ষ্মাতিসুক্ষ্ম অনুভৱ, প্ৰকৃতিৰ প্ৰতি অনিৰ্বচনীয় প্ৰেম ভাৱ, সংগীত - নৃত্যকলাৰ মাজেৰে বুকুৰ ভিতৰলৈকে কঢ়িয়াই লৈ যাব পৰা সুখানুভূতি, জীৱ-জন্তু, চৰাই- চিৰিকটিৰ প্ৰতি অকৃত্ৰিম মৰম ইত্যাদিবোৰ জাগ্ৰত হয় কেৱল গ্ৰন্থ অধ্যয়নৰ জৰিয়তেহে।

চিন্তাৰ গভীৰতা আৰু লিখন শৈলীৰ কলাও আয়ত্ব কৰিব পাৰি কেৱল গ্ৰন্থ অধ্যয়নৰ জৰিয়তে। পুথিভঁৰালে যোগাৰ কৰা কাকত, আলোচনী, বিভিন্ন প্ৰতিযোগিতামুলক পৰীক্ষাৰ বাবে প্ৰস্তুত হ'ব পৰা আলোচনী ইত্যাদি নিয়মীয়াকৈ পঢ়ি থাকিলে সাধাৰণ জ্ঞানৰ লগতে দেশবিদেশৰ নিয়মীয়া খবৰসমুহৰ লগত প্ৰতিদিনে যুগসুত্ৰ একোটা নিৰ্মাণ কৰি থাকিব পৰা যায়। যিয়ে ভৱিষ্যতে প্ৰতিযোগিতামূলক পৰীক্ষাত উত্তীৰ্ণ হোৱাত বিশেষভাৱে সহায় কৰে।

**ছাত্ৰ-ছাত্ৰীৰ মোবাইল প্ৰীতি বনাম গ্ৰন্থ প্ৰীতি ঃ**

এইটো অপ্ৰিয় হ'লেও সত্য যে মবাইলে ছাত্ৰ সমাজৰ মাজত পঢ়াৰ পৰিবেশ বিনষ্ট কৰিছে। সকলোৰে ক্ষেত্ৰত নহয় যদিও ভাৰতৰ প্ৰায় গৰিষ্ঠ সংখ্যক ছাত্ৰ ছাত্ৰী এতিয়া মবাইলৰ গ্ৰাসত। দিনটোৰ অধিকাংশ সময়

সামাজিক মাধ্যম, অনলাইন গেম, ৰিল বনোৱা, চাটিং আদি কাৰ্য্যত ব্যস্ত থকা হেতু কিতাপৰ সৈতে সম্বন্ধ গঢ়িবলৈ তেওঁলোকৰ সময়ৰ নাটনি হৈছে। সততে ভাৰ্চুৱেল পৃথিৱী এখনত নিজকে সময়ে অসময়ে জড়িত ৰখাৰ বাবে কিতাপ পঢ়াৰ দৰে জীৱনৰ অতি মূল্যবান কাম এটাৰ পৰা নিজকে বিৰত ৰাখি প্ৰকৃততে অন্ধকাৰ ভৱিষ্যতৰ পিনে নিজকে লৈ গৈছে । অৱশ্যে ইয়াৰ মাজতো ব্যতিক্ৰম নিশ্চয় আছে । এই বিপদৰ কথা তেওঁলোকে বুজি পায়গৈ মানে সেয়া যে বহু পলম হ'বগৈ সেয়া সহজে অনুমেয়।

কেইদিনমানৰ আগতে ভাৰতীয় প্ৰশাসনিক সেৱাৰ পৰীক্ষাত সমগ্ৰ ভাৰতৰ ভিতৰতে পঞ্চম স্থান অধিকাৰ কৰা ময়ূৰ হাজৰিকাৰ এটি সাক্ষাৎকাৰ চাওতে তেওঁ কৈছিল মবাইলত তেওঁ অনবৰতে সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ডৰ ইতিহাস জানিবলৈ চেষ্টা কৰাৰ লগতে সমায়িক ঘটনাপ্ৰবাহৰ ক্ষেত্ৰখনতহে নিজকে নিয়োজিত কৰি ৰাখিছিল। পৰীক্ষাত আত্মবিশ্বাস বঢ়োৱাত তেখেতক মবাইলটোৱে যথেষ্ট অৰিহনা যোগালে। আমি লক্ষ্য কৰিব লাগিব মবাইলটো আমি কি কি ক্ষেত্ৰত আৰু কেনেকৈ ব্যৱহাৰ কৰিম। এই পৰ্যায়ত নিজকে অনাহুত পৰিস্থিতিৰ পৰা নিজকে নিয়ন্ত্ৰণ কৰিব নোৱাৰিলে ভৱিষ্যত জীৱনত আগবাঢ়ি যোৱাত কোনেও সহায় কৰিব নোৱাৰে।

উপসংহাৰ - ডিগবৈ মহিলা মহাবিদ্যালয়ৰ পুথিভঁৰালটি অনেক মূল্যবান গ্ৰন্থ, বিশ্ববিশ্ৰুত সাহিত্যিক, দাৰ্শনিক, সমাজবিজ্ঞানী সকলৰ আত্মজীৱনী, সমাদৃত উপন্যাস, গল্প পুথি, অনেক আলোচনী, বাতৰি কাকতেৰে পৰিপূৰ্ণ হৈ আছে। মহাবিদ্যালয়খনিৰ শৈক্ষিক ক্ষেত্ৰখনৰ সোণালী যাত্ৰাত পুথিভঁৰালটিৰ অনিৰ্বচনীয় অৱদান মহাবিদ্যালয়ৰ ইতিহাসৰ পাতত সোণালী আখৰেৰে লিখা থাকিব। লগতে বৰ্তমানৰ ছাত্ৰী সকলেও এই সোণালী সুযোগ গ্ৰহণ কৰি নিজকে শৈক্ষিক, বৌদ্ধিক আৰু নৈতিক দিশত নিজকে সক্ৰিয় কৰি তুলিবলৈ অহৰহ চেষ্টা অব্যহত ৰাখক তাকে কামনা কৰিলো। ■

*পুথিভঁৰালৰ তথ্যসমুহ প্ৰদান কৰি সহায় কৰাৰ বাবে দিপীকা ধৰ আৰু*
*পুতুল চন্দ্ৰ বৰাক কৃতজ্ঞতা জ্ঞাপন কৰিলো।*

# মোৰ মৰমৰ সপোন

**পুৰবী সোনোৱাল**
প্ৰাক্তন ছাত্ৰী
সহ-শিক্ষয়িত্ৰী, ভীম পথাৰ বাপুজী মধ্য ইংৰাজী বিদ্যালয়, ডিগবৈ

সপোন মোৰ হিয়াৰ গৰ্ভত তুমি কাহানিবাই থিতাপি লৈছিলা
গুপুতে সযতনে জীয়াই ৰাখিছোঁ মই তোমাক
মোৰ মাজত বহু দিনৰ পৰাই
মই জানো তুমি বহু ব্যাকুল এই ধৰণীৰ ৰং চাবলৈ
মই বুজি পাওঁ তোমাৰ অনুভৱৰ কাৰণ
তুমি মোৰ জীৱনৰ অবিচ্ছেদ্য অংগ
সপোন, মোৰ হিয়াৰ গৰ্ভত
লহ পহকৈ বাঢ়ি, পূৰ্ঠ হৈ
ততাতৈয়াকৈ ধৰা দিয়াহি এই সংসাৰৰ মজিয়ালৈ
কাৰণ তুমিয়েই মাথো পৃথিৱীৰ প্ৰতি থকা
মোৰ প্ৰেমৰ একমাত্ৰ সাৰথি
সপোন তুমি দিঠকৰ ৰূপ লোৱাহি
মোৰ জীৱনক পলাশৰ ৰঙেৰে বুলাই দিয়াহি
অপেক্ষাৰ ধৈৰ্যক পৰীক্ষা নকৰিবা
হিয়াৰ গৰ্ভক ক্ষত বিক্ষত নকৰিবা
তুমিতো জানাই তোমাৰ অবিহনে মোৰ জীৱন শূন্য
মোৰ মৰমৰ সপোন জীবনৰ শূন্যতাক পূৰ্ণতা দিয়াহি
শীঘ্ৰেই আহি তুমি দিঠকৰ ৰূপ লোৱা
যুগ যুগ ধৰি অপেক্ষাত থকা

তোমাৰ মা -- ■

# শূন্যতাৰ সুতি

**বন্দনা দাস দত্ত**
প্ৰাক্তন ছাত্ৰী

পোহৰে তীতবাতি কৰে
হৃদয়ৰ চোতালত,
সহায়ৰ অসহায়ৰ শব্দই
বুকুৰ গভীৰতাত, ওঁঠত পাক গুজি
সেউজীয়া খেল খেলে
উচ-পিচ জোনাকৰ স্পৰ্শত
চলাহী শব্দবোৰে আপোচ নকৰে
সময়ৰ সৈতে শূন্যতাৰ সুতিত।
শীতৰ সেমেকা এজাক বতাহ
এটা সিৰ সিৰণি
তুঁহজুই একুৰা আগত লৈ
এনে দিনতে আইয়ে হেনো মোক সেকিছিল
উপজিবৰ পঞ্চম দিনা
উমি উমি জ্বলি থকা জুইকুৰা
ফুৰাই ফুৰাই ভাগৰা নাছিল আই
বৰ আহুকাল
ধোঁৱাই কন্দুৱাইছিল
সম্পৰ্কই কন্দুৱাইছিল
লুকাই লুকাই কান্দি

ভাগৰি পৰা নাছিল মোৰ আই
সোঁতোৰা পৰা ছালত
সেমেকা বতাহ এজাকে
আজিও চুমিছেহি আইক
তুহজুইকুৰা আগত লৈ
আজিও বহিছে মোৰ আই
নিজকে নিজে সেকিবলৈ
হাত দুখনৰ শকতি হেৰাইছে
শকতি হেৰুওৱাৰ দুখত
আইয়ে আজিও কান্দিছে
নিৰবে
অকলে। ■

# সগৰ্ভা

**ছায়া ৰাণী শইকীয়া**
প্ৰাক্তন ছাত্ৰী

চোৱা বসুমতী এতিয়া সগৰ্ভা।
বুকুত আইৰ অলেখ সপোন।
নিৰলে পৰি আছে আই
এজন বুঢ়া খেতিয়ক, এহাল গৰু
আৰু এখন মৈৰ
উমাল স্পৰ্শৰে গৰ্ব্বিতা আই।
ক্ৰমে সেউজীয়াৰ ওৰণি টানি
নিৰলে মুখ ঢাকিছে আঁচলেৰে।
কলাফুললৈকে মেখেলা উজোৱা
ৰাংঢালী ৰুৱনী হঁতৰ সতে
আইৰ গোপন মিতিৰালি।
সিঁহত কেইজনীও চোন
বসুমতীৰে নুমলীয়া জী
ওমাল বুকুৰ কোমল হিয়াত
জিৰণি লয় সিহঁতে
এটা জীয়া সপোনে
বসুমতীক বৰ আমনি কৰে
সোনগুটীৰ ভৰত দোঁ খাই পৰিব বুকু
স্তনেৰে নিগৰিব খেতিয়কৰ
হেঁপাহৰ গাখীৰতী খোক। ■

# নৱবৰ্ষ

**মীনাক্ষী দত্ত**
প্ৰাক্তন ছাত্ৰী, ডিগবৈ

পেণ্ডুলামত ওলমে সময়
গতিশীল সময়ে খবৰ নাৰাখে
জীৱনৰ সুখ-দুখ, পোৱা-নোপোৱাৰ
হিচাপ, প্ৰাপ্তি-অপ্ৰাপ্তিৰ
সফলতা-বিফলতাৰ জোখ-মাখ
মহামাৰীত বিধ্বস্ত পৃথিৱীত
স্থবিৰ কৰি মানুহৰ দুৰন্ত গতি
বৰপীৰা পাৰি বহিছে
নিষ্ঠুৰ নিয়তি
এমুঠি সতেজ কাঁচিয়লি ৰদ চতিয়াই
সূৰ্যৰঙী হাঁহিৰে
স্নিগ্ধতাৰ জাল গুঁঠি
আকৌ আহে সেউজীয়া সপোনবোৰ
চৌপাশে আনন্দ উৎসৱ নতুনক আদৰাৰ
শেষ হওঁক মৰণৰ বিভীষিকা
বিষাদৰ পোছাকবোৰ খুলি
হাঁহিবোৰ বুটলি
নতুন বছৰে আনক আকৌ
শান্তিৰ ৰহঘৰা। ■

# সপোনটো বুকুতে থাকিল

**মিতালী মহন্ত**
প্ৰাক্তন ছাত্ৰী

ঢপলিয়াই অহা ঢৌবোৰৰ দৰেই
তেওঁৰপ্ৰেম
অবিৰাম, অবিশ্ৰাম।
সপোনটো বুকুতে লৈ
তেওঁ ৰুইছিল সুৱাগমণিৰ কঠীয়া
ওলট পালট মাতাল বতাহ
জুই আৰু ধোঁৱা
লেটিপেটি তেজ বোকা
কাউৰীজনীএ ৰমলিয়াইছে
বান্ধ ভাঙে দুচকুৰ
মূৰ নোহোৱা কৰন্ধবোৰে
মজলিছ পাতে
কুটুমে ৰান্ধিলে কুটুমেই বাঢ়িলে
তোলপাৰ তেজৰ উপকূলত
চকুলোৰে শলিতা জ্বলালে অচিনাজনেও
সহজ কাম স্মৃতিসৌধ গঢ়া
ধৰণী সজাই তোলা কিমান যে কঠিন
ধৰণৰ হ'ল তেওঁ
মূৰ তুলিলেই দেখো
হে পৃথিৱী, কিঞ্চিত উদাৰ হোৱা ভাল। ■

# অপেক্ষাত বাস্তৱৰ...

**জ্যোৎস্না ডেকা (বসুমতাৰী)**
প্ৰাক্তন ছাত্ৰী, প্ৰাক্তন আলোচনী সম্পাদিকা,
ডিগবৈ মহিলা মহাবিদ্যালয়

তুমি মোক সপোন আৰু বাস্তৱৰ
সৈতে চিনাকী কৰিব খুজিছা ?
কিন্তু... তুমি জানো জানা
প্ৰতিটো মুহূৰ্ততে মই
সপোনৰ আঁচলতেই মুখ গুজি
বাস্তৱত বিচাৰি ফুৰো এখনি প্ৰেমপূৰ্ণ হৃদয়
মোৰ বাস্তৱৰ নিজৰা আজি
বৰফস্তুপ হ'ল...
আছে মানুহৰ স'তে প্ৰেমৰ
এক অজান মিতিৰালি
তথাপিও দেখোন মোৰ মৰমে
গলাব নোৱাৰিলে বৰফ হৈ পৰা
বাস্তৱৰ নিজৰা
মোৰ কলিজাৰ উমেও আত
পেলাব নোৱাৰিলে স্নেহবিহীন
কঠোৰ দিঠকবোৰ
সিদিনা ... মোৰ বেদনাৰ অশ্ৰুবোৰ
নিয়ৰৰ টোপাল হৈ তোমাৰ হৃদয়ত দুলিছিল

দুনয়নৰ আগত ধৰা দিছিল
মোৰ ভগ্ন অন্তৰখনো।
... এতিয়া যে মই
আন্ধাৰৰ সৈতে মিতিৰালি কৰো
সকলো দেখিও নেদেখাৰ ভাও
ধৰিবলৈ শিকিছো।
কিয়নো জীয়াই যে থাকিবই লাগিব
সপোন আৰু বাস্তৱবোৰ বুকুত সাবটি
স্মৃতিবোৰ চিৰদিন নিয়ৰ হৈ
দেখা দিবহি মেৰা খিৰিকিৰ দাঁতিত
কাষত যদিও নাই মোৰ
মিঠা মিঠা সোণালী বাস্তৱ
হৃদয়ৰ অনুভূতিবোৰ...
তথাপি আছো জায়াই আজিও
সপোন আৰু বাস্তৱৰ মাজত
বাস্তৱৰ বাবে...। ■

# মাজ নিশাৰ দৰদী টোপনি

**পলী ৰাণী বৰা**
প্ৰাক্তন ছাত্ৰী

হেৰা মাজনিশাৰ দৰদী টোপনী
স্নীগ্ধ জোনাকৰ ৰূপোৱালী আভাৰ মাজে
শীতৰ সেমেকা ৰাতি ধৰাৰ বুকুৰেদি
হিমশীতল কুঁৱলীৰ ফেঁফুজালি ফালি
মেৰা দুচকুত ধৰাদিয়া তুমিমেইনে দৰদী টোপনী

দিনটোৰ কৰ্মৰত দেহাটোৰ অৱস মুহূৰ্তত
জাঁৰৰ শেতেলি হিমশীতল যেন লগা
উমাল কম্বল আৰু পেল-তুলিৰ মধুৰ স্পৰ্শত
তুমিয়েইনে সূযোগ বুজি প্ৰৱেশ কৰা,
মোৰ হৃদয়ৰ প্ৰান্তে প্ৰন্তে মিঠা স্পৰ্শৰে দুটিনয়নত।

তোমাক অনুভৱ কৰি, তোমাক উপভোগ কৰি
ভাললাগে মোৰ, কিয়জানো আপোনপাহৰা হওঁ।
দুপৰনিশাৰ সেই শব্দবিহীন নিৰৱতাখিনিৰ মাজত
যেতিয়া তুমি নিঃশব্ধে প্ৰৱেশ কৰা মোৰ দুচকুত
তেতিয়া তোমাক আলফুলে দুচকুত আকোঁৱালী লওঁ।

হেৰা মাজনিশাৰ দৰদী টোপনী
সেমেকা শীতৰ মাজত তোমাক আকোঁৱলা লৈ,
আত্মবিভোৰ হৈ, সুন্দৰ সপোনবোৰৰ মাজত খেলি,
তুমিযেন সপোনৰ সৈতে মিলি, মোক দুৰদিগন্তলৈ ঠেলি
আকৌ বিলীন হৈ পৰা, মোৰ লগত যেন লুকাভাকু খেলি। ■

# নিজৰ বাবে

**মমতা দেৱী শৰ্মা**
প্ৰাক্তন ছাত্ৰী

আনৰ বাবে জীয়াই জীয়াই
এদিন নিজৰ বাবে জীয়াই থাকিবলৈ মন গ'ল
নিজক ভাল পাবলৈ মন গ'ল
নিজৰ বাবে গান এটা
নিজৰ বাবে কাপোৰ এযোৰ
নিজৰ বাবে সময় অকণমান
নিজৰ বাবে চাহ একাপে
নিজৰ বাবে কিতাপ এখন
নিজৰ বাবে গান এটা গাৱৰ মন গ'ল
নিজৰ বাবে ছবি এখন আঁকিবৰ মন গ''ল
ইমান
দিনেটো সকলো
আনৰ বাবেই কৰিলোঁ
আজি নিজৰ বাবে কৱিতা
এটা লিখিলোঁ। ■

# তুমি আৰু মই

**জুলি গগৈ**
প্ৰাক্তন ছাত্ৰী

তুমি আৰু মই
সদায় যেন সহচৰ
তোমাৰ দুগালত চুমা খাও
তুমি পাৰ্যমানে আঁতৰাই পঠিয়াবলৈ চেষ্টা কৰা
নিজকে মোৰ বাহু বন্ধনীৰ পৰা
মুক্ত কৰিবলৈ আপ্ৰাণ চেষ্টা কৰা
দুহাতেৰে ঠেলি পঠিওৱা
ওঁহো তুমি নিষ্ফল
চোৱা, তোমাৰ সৰ্বদেহত মোৰ গোন্ধ
মোৰ স'তে তোমাৰ ল'ৰালি
তুমি যেতিয়া কণমানি শিশু
মই তেতিয়া তোমাৰ কপালৰ এচুকত
আয়ে সানি দিয়া এলান্ধুৰ জোন
আৰু তোমাৰ ডিঙিত এটি
ৰক্ষা কৱচ। ■

# মানুহ

**জুলিশিখা বৰুৱা**
প্ৰাক্তন ছাত্ৰী

হেৰাই যাব ধৰিছে প্ৰিয় মানুহবোৰ
হেৰাই গৈছে আপোন মানুহবোৰ
হৃদয়ত এপিয়লা দুখ ঢালি
উভটি নহাৰ বাটেৰে
লাহে লাহে হেৰাই গৈছে
আপোনত্বৰ ভাৱবোৰ
নোহোৱা হৈ আহিছে বিয়াৰ টান
পৃথিৱী এতিয়া ৰোগগ্ৰস্তা
বৰ স্বাৰ্থপৰ মানুহবোৰ
শিক্ষিত মানুহবোৰে কৰে
য'তৰওৰ অপৰাধ
চিনাকী হাতীবোৰ কাউৰী
শগুণ হয়
খুটি খাবলৈ আহে
জীৱিত মানুহৰ শৰীৰ। ■

# গণিকা তুমি

**মন্দিৰা গগৈ ডেকা (মামণি)**
প্ৰাক্তন ছাত্ৰী

গণিকা তুমি অতিৰঞ্জিতা
কামিনী কাঞ্চন তুমি ৰজনীগন্ধা...
ওঁঠত পলাশৰ জুই লালিমা
জীৱন্ত সৌন্দয্যৰ চিৰ নতুন পৃষ্ঠা...
মুখত ৰহস্যময়ী লাস্য মনালিছাৰ
দেহত লক্ষ ঢৌ কমনীয়তাৰ...
কস্তুৰী মৃগ তুমি লক্ষ্য চিকাৰ
দয়াহীন মায়াহীন দৈত্য দানৱৰ...
পবিত্ৰতাৰ আত্ম সন্মান পৰিহাৰ কৰি
বিনিময়ত মাত্ৰ ধন এমুঠি...
ধৰ্ষণ নতুবা অবৈধ আলিংগন
নাথাকে য'ত সহানুভূতিৰ বান্ধোন...
বুকুত ৰামধেনুৰ গুপুত দৃশ্যাৱলী
ক্ষুধাতুৰৰ পিপাসা কৰা পূৰ্ণ
হিয়া উজাৰি...
কত পতিব্ৰতা নাৰীৰ বুকুত মেঘ নমাই
বানৰ প্ৰকোপ দিয়া বুৱাই...
সুৰামত্ত উন্মাদৰ হব পাৰা ৰাজৰানী
কিন্তু সমাজৰ বাবে তুমি কলংকিনী...

পথভ্ৰষ্ট পথিকৰ অন্তিম তৃষ্ণাই
তোমাৰ ওঁঠত মাথোঁ হাঁহি বিৰিঙাই...
সুখৰ দিনত তোমাৰ পাৰ ভঙা উভয় নদী
দুখৰ দিনত প্ৰতাৰকৰ মৰা সুঁতি...
তোমাৰ এমুঠি মৃৰ্তিকা নহলে নহয়
দূৰ্গা প্ৰতিমা
তথাপিও তুমি হোৱা সমাজৰ
লাঞ্ছিতা বঞ্চিতা কিম্বা আবৰ্জনা...
বুকুৰ কাঁচলি খহাই যাচি মৌ পাণ ■

# ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আলোচনী "শ্যামলী"ৰ সম্পাদিকাসকলৰ চমু পৰিচয়

**প্ৰীতিমালা তালুকদাৰ শইকীয়া**
প্ৰাক্তন ছাত্ৰী, স্নাতক ২০১২ বৰ্ষ, বাঙ্গালুৰু

একোখন বিদ্যালয় বা মহাবিদ্যালয়ৰ মুখপত্ৰিকা বা আলোচনী সমূহ, সেই বিদ্যালয় বা মহাবিদ্যালয়ৰ দাপোন স্বৰূপ। যেনেদৰে দাপোনত মুখ চাই নিজকে দেখা পোৱা যায়, ঠিক তেনেদৰেই একোখন আলোচনী পঢ়ি সেই বিদ্যালয় বা মহাবিদ্যালয়খনৰ ভিতৰ চ'ৰাৰ সম্পৰ্কে এক সম্যক ধাৰণা কৰিব পৰা যায়। উঠি অহা নৱপ্ৰজন্মই স্ব-প্ৰতিভা বিকাশ কৰাৰ বাবে উৎকৃষ্ট কঠীয়াতলীয়েই হৈছে এই আলোচনী সমূহ। নিজৰ প্ৰতিভা বিকাশৰ সুযোগেৰে এই যাত্ৰাত প্ৰথম খোঁজ পেলোৱা প্ৰতিভাবান বহু ছাত্ৰ-ছাত্ৰীয়েই ভৱিষ্যতে একোজন প্ৰখ্যাত লেখক হিচাপে সমাজত এক উল্লেখযোগ্য স্থান দখল কৰি, সাহিত্যৰ ক্ষেত্ৰত জিলিকি উঠাৰ কথা নুই কৰিব নোৱাৰি!

ডিগবৈ মহিলা মহাবিদ্যালয়টো ১৯৮৪-৮৫ চনৰ পৰাই অবিছিন্ন ভাবে ইয়াৰ মুখপত্ৰ বা আলোচনী "শ্যামলী" প্ৰকাশ হৈ আহিছে। যাৰ ফলত বহু প্ৰতিভাৱান ছাত্ৰীয়ে নিজৰ প্ৰতিভা বিকাশৰ এখন সুন্দৰ ঠাই লাভ কৰিছে। অৱশ্যে অতিমাৰি "ক'ভিডকালীন" পৰিৱেশত ২০১৮-১৯, ২০১৯-২০ আৰু ২০২০-২১ বৰ্ষত এই ধাৰাবাহিকতাৰ য'তি পৰে যদিও পৰবৰ্তি কালত পৰিস্থিতি ভাললৈ অহাত ২০২২-২৩ বৰ্ষৰ পৰা পুনৰ এই ধাৰাই পূৰ্বৰ গতি লৈ পোহৰৰ দিশে আগবাঢ়ে। সুন্দৰ বেটুপাতেৰে সৈতে তত্বাৱধায়ক, শিক্ষক, সম্পাদক তথা ইয়াৰ লগত

জড়িত থকা আন সকলো শিক্ষক, ছাত্ৰী আৰু নিজৰ লিখনিৰে আলোচনীখন সমৃদ্ধ কৰা সকলো স-হৃদয়ৰ সহায়ত, সৰ্বাঙ্গ সুন্দৰ এখন আলোচনী প্ৰকাশ হৈ ওলায়। যিখনে মেঘালয়ৰ University of Science & Technology Meghalaya (USTM) বিশ্ববিদ্যালয়ে ২০২৩ চনত ৭ এপ্ৰিলৰ পৰা ৯ এপ্ৰিললৈকে মেঘালয়ত অনুষ্ঠিত কৰা যুৱ মহোৎসৱত দ্বিতীয় শ্ৰেষ্ঠ আলোচনী হিচাপে সন্মান কঢ়িয়াবলৈ সক্ষম হয়। ই নিশ্চয়কৈ ডিগবৈ মহিলা মহাবিদ্যালয়ৰ বাবে এক অত্যন্ত গৌৰৱৰ বিষয়।

এই আলোচনীখনৰে সহায়লৈ মই প্ৰাক্তন ছাত্ৰী, বৰ্ত্তমান বাঙ্গালুৰু নিবাসী প্ৰীতিমালা তালুকদাৰ শইকীয়াই ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আলোচনী "শ্যামলী" প্ৰকাশকালৰেপৰাই সম্পাদনাৰ গুৰু দায়িত্ব নিয়াৰিকৈ পালন কৰি ডিগবৈ মহিলা মহাবিদ্যালয়ৰ সৌষ্ঠৱ বৃদ্ধি কৰা সম্পাদিকা সকলৰ নাম একাদিক্ৰমে তলত উল্লেখ কৰি তেখেত সকললৈ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলোঁ।

| **সংখ্যা** | **চন** | **সম্পাদিকাসমূহ** |
|---|---|---|
| ১ | ১৯৮৪ - ১৯৮৫ | প্ৰতিমা দত্ত |
| ২ | ১৯৮৭ - ১৯৮৮ | মাধুৰী দত্ত |
| ৩ | ১৯৮৮ - ১৯৮৯ | মিৰি জাহা ইচলাম |
| ৪ | ১৯৮৯ - ১৯৯০ | আইমী বৰুৱা |
| ৫ | ১৯৯০ - ১৯৯১ | আইমী বৰুৱা |
| ৬ | ১৯৯২ - ১৯৯৩ | প্ৰগতি দত্ত |
| ৭ | ১৯৯৩ - ১৯৯৪ | অঞ্জুৰী দত্ত |
| ৮ | ১৯৯৪ - ১৯৯৫ | অঞ্জুৰী দত্ত |
| ৯ | ১৯৯৫ - ১৯৯৬ | অঞ্জুৰী দত্ত |
| ১০ | ১৯৯৬ - ১৯৯৭ | গীতা কটকী আৰু চাহিন ফাতিমা |
| ১১ | ১৯৯৭ - ১৯৯৮ | জোনালী বুঢ়াগোহাঁই |
| ১২ | ১৯৯৮ - ১৯৯৯ | প্ৰণীতা নেওঁগ |
| ১৩ | ১৯৯৯ - ২০০০ | মিতালী সন্দিকৈ |

| | | |
|---|---|---|
| ১৪ | ২০০১ - ২০০২ | তৃষ্ণা সোণোৱাল |
| ১৫ | ২০০২ - ২০০৩ | শুভলক্ষ্মী বুঢ়াগোহাঁই |
| ১৬ | ২০০৩ - ২০০৪ | গৌতমী সন্দিকৈ |
| ১৭ | ২০০৪ - ২০০৫ | জুৰি দত্ত |
| ১৮ | ২০০৫ - ২০০৬ | প্ৰাৰ্থনা ভাগৱতী |
| ১৯ | ২০০৬ - ২০০৭ | জোৎস্না ডেকা |
| ২০ | ২০০৭ - ২০০৮ | জ্যোতিকা দাস |
| ২১ | ২০০৮ - ২০০৯ | কৃষ্ণা তামুলী |
| ২২ | ২০০৯ - ২০১০ | উষামণি গগৈ |
| ২৩ | ২০১০ - ২০১১ | স্নেহা প্ৰিয়দৰ্শনী |
| ২৪ | ২০১১ - ২০১২ | প্ৰিয়ংকা পাল |
| ২৫ | ২০১২ - ২০১৩ | মাধুৰী ভৰালী বৰা আৰু কাব্যশ্ৰী শইকীয়া |
| ২৬ | ২০১৩ - ২০১৪ | ৰূপজ্যোতি ভূঞা |
| ২৭ | ২০১৪ - ২০১৫ | মাইনী দুৱৰা আৰু নিশা খাঁটী |
| ২৮ | ২০১৫ - ২০১৬ | বৰষা মৰাণ |
| ২৯ | ২০১৬ - ২০১৭ | নিকিতা সিংহ |
| ৩০ | ২০১৭ - ২০১৮ | দিক্ষিতা পৰাশৰ |
| ৩১ | ২০১৮ - ২০১৯ | প্ৰকাশ নহ'ল |
| ৩২ | ২০১৯ - ২০২০ | প্ৰকাশ নহ'ল |
| ৩৩ | ২০২০ - ২০২১ | প্ৰকাশ নহ'ল |
| ৩৪ | ২০২১ - ২০২২ | চবা ৰুক্সাৰ খানম |

জয়তু ডিগবৈ মহিলা মহাবিদ্যালয়
জয়তু "শ্যামলী"

# ইছমত চুঘটাইঃ সাহিত্যৰ জৰিয়তে নাৰী সবলীকৰণ আৰু বাকী স্বাধীনতাৰ কথা কোৱা লেখিকাগৰাকী

**জাহ্নৱী গগৈ**
প্ৰাক্তন ছাত্ৰী

ইছমত চুঘটাই এগৰাকী ভাৰতীয় উৰ্দু ঔপন্যাসিক, চুটিগল্প লেখক, উদাৰ মানৱতাবাদী আৰু চলচ্চিত্ৰ নিৰ্মাতা। ১৯৩০ চনৰ পৰা আৰম্ভ কৰি তেওঁ নাৰী যৌনতা আৰু নাৰীত্ব, মধ্যবিত্তীয় ভদ্ৰতা, শ্ৰেণী সংঘাতকে ধৰি বিষয়বস্তুৰ ওপৰত বিস্তৃতভাৱে মাৰক্সবাদী দৃষ্টিভংগীৰে লিখিছিল। সাহিত্যিক বাস্তৱবাদৰ বৈশিষ্ট্যপূৰ্ণ শৈলীৰে চুঘটাই বিংশ শতিকাৰ উৰ্দু সাহিত্যত নিজকে এক উল্লেখযোগ্য কণ্ঠস্বৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হৈছিল আৰু ১৯৭৬ চনত ভাৰত চৰকাৰৰ পৰা পদ্মশ্ৰী বঁটা লাভ কৰিছিল।

১৯১৫ চনৰ ২১ আগষ্টত উত্তৰ প্ৰদেশৰ বদয়ুনত নুছৰত খানাম আৰু মিৰ্জা কাছিম বাইগ চুঘটাইৰ ঘৰত জন্মগ্ৰহণ কৰিছিল ইছমত চুঘটাই; দহটা সন্তানৰ ভিতৰত তাই নৱম সন্তান আছিল- ছয়জন ভাতৃ আৰু চাৰিগৰাকী ভগ্নী। চুঘটাইৰ পিতৃ চৰকাৰী চাকৰিয়াল হোৱাৰ বাবে পৰিয়ালটো সঘনাই ইঠাইৰ পৰা সিঠাইলৈ স্থানান্তৰিত হৈছিল। যোধপুৰ, আগ্ৰা, আলিগড়কে ধৰি চহৰবোৰত তেওঁৰ শৈশৱ পাৰ হৈছিল। তেওঁ শৈশৱৰ বেছি ভাগ সময় পাৰ কৰিছিল ভায়েকহঁতৰ লগত কাৰণ তেওঁৰ ভনীয়েকহঁত তেওঁ অতি সৰুতে বিয়া হৈ গৈছিল। চুঘটাইয়ে তেওঁৰ

ভাতৃদ্বয়ৰ প্ৰভাৱক তেওঁৰ জীৱনত এটা গুৰুত্বপূৰ্ণ কাৰক বুলি অভিহিত কৰিছিল যিয়ে তেওঁৰ পিছৰ সময়ছোৱাত তেওঁৰ ব্যক্তিত্বক প্ৰভাৱিত কৰিছিল। তেওঁৰ দ্বিতীয় জ্যেষ্ঠ ভাতৃ মিৰ্জা আজিম বেগ চুঘটাই ক তেওঁ গুৰু হিচাপে ভাবিছিল। চুঘটাইৰ পিতৃয়ে ভাৰতীয় অসামৰিক সেৱাৰ পৰা অৱসৰ লোৱাৰ পিছত পৰিয়ালটোৱে অৱশেষত আগ্ৰাত স্থায়ী বসতি স্থাপন কৰে।

চুঘটাইয়ে আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ মহিলা মহাবিদ্যালয়ত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰে আৰু ১৯৪০ চনত ইছাবেলা থোবাৰ্ন কলেজৰ পৰা কলা শাখাত স্নাতক ডিগ্ৰী লাভ কৰে। পৰিয়ালৰ তীব্ৰ প্ৰতিৰোধৰ পিছতো তেওঁ পিছৰ বছৰত আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা শিক্ষাত স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰে।  এই সময়ছোৱাতে চুঘটাই প্ৰগতিশীল লেখক সন্থাৰ সৈতে জড়িত হৈ পৰে, ১৯৩৬ চনত তেওঁৰ প্ৰথমখন বৈঠকত অংশগ্ৰহণ কৰি এই আন্দোলনৰ সৈতে জড়িত অন্যতম আগশাৰীৰ মহিলা লেখিকা ৰছিদ জাহানক লগ পায়, যিগৰাকীয়ে পিছলৈ চুঘটাইক লিখিবলৈ অনুপ্ৰাণিত কৰিছিল।

চুঘটাইয়ে ১৯৩৯ চনত উৰ্দু আলোচনী ছাকিৰ বাবে ফাছাদী (The Troublemaker) শীৰ্ষক নাটক এখন ৰচনা কৰে, যিখন তেওঁৰ প্ৰথম প্ৰকাশিত গ্ৰন্থ। প্ৰকাশৰ লগে লগে পাঠকে ইয়াক চুঘটাইৰ ভাতৃ আজিম বেগৰ নাটক বুলি ভুল কৰিছিল কিয়নো এইখন নাটক ছদ্মনাম ব্যৱহাৰ কৰি লিখা হৈছে। তাৰ পিছত তেওঁ আন প্ৰকাশন আৰু বাতৰি কাকতৰ বাবে লিখিবলৈ আৰম্ভ কৰে। তেওঁৰ কিছুমান প্ৰাৰম্ভিক ৰচনাৰ ভিতৰত আছিল বাচপান (শৈশৱ), আত্মজীৱনীমূলক ৰচনা কাফিৰ, তেওঁৰ প্ৰথম চুটিগল্প ধীত (আকোৰগোজ), তেওঁৰ একমাত্ৰ একক কথন। এখন আলোচনীৰ বাবে লিখা এটা কাহিনীৰ উত্তৰত চুঘটাইক কোৱা হৈছিল যে তেওঁৰ কাম ঈশ্বৰ নিন্দা আৰু কোৰআনক অপমান কৰা। তথাপিও তেওঁ মানুহে কোৱা কথাবোৰ এখন কাণেৰে শুনি আনখন কাণেৰে নুশুনা ভাল ধৰি নিজৰ কাহিনী লিখি গৈছিল।

প্ৰগতিশীল লেখক আন্দোলনৰ সৈতে চুঘটাইৰ অবিৰত সম্পৰ্কই তেওঁৰ লেখা শৈলীৰ ওপৰত উল্লেখযোগ্য প্ৰভাৱ পেলাইছিল; তেখেতে

বিশেষকৈ জাহান, সাজ্জাদ জাহিৰ, চাহিবজাদা মাহমুদুজাফ্‌ফাৰ আৰু আহমেদ আলীকে ধৰি গোটটোৰ সদস্যসকলে উৰ্দু ভাষাত লিখা চুটিগল্পৰ সংকলন আংগেৰেই আকৰ্ষিত কৰিছিল। আন আন প্ৰাৰম্ভিক প্ৰভাৱৰ ভিতৰত উইলিয়াম ছিডনী পৰ্টাৰ, জৰ্জ বাৰ্নাৰ্ড শ্ব' আৰু এণ্টন চেখভ আদি লেখক আছিল। চুঘটাইৰ প্ৰথম চুটিগল্প সংকলন কলয়ান (কলি) আৰু কোটেন (ঘাঁ) ক্ৰমে ১৯৪১ আৰু ১৯৪২ চনত প্ৰকাশ পায়।

বিশৰ দশকৰ আৰম্ভণিতে লিখা চুঘটাইৰ প্ৰথমখন উপন্যাস ধীত (আকোৰগোজ) প্ৰথম প্ৰকাশ হৈছিল ১৯৪১ চনত। গ্ৰন্থখনত ধনী ঘৰত ঘৰুৱা সহায়ক হিচাপে কাম কৰা এগৰাকী মহিলা আৰু মালিকৰ পুত্ৰৰ প্ৰেমৰ কাহিনী বৰ্ণনা কৰা হৈছে। পিছত চুঘটাইয়ে ৰোমাণ্টিক ঔপন্যাসিক হিজাব ইমতিয়াজ আলীৰ ৰচনাৰ সৈতে উপন্যাসখনৰ বিষয়বস্তু আৰু শৈলীৰ সাদৃশ্যৰ বিষয়ে আলোচনা কৰি তেওঁক আন এক প্ৰাৰম্ভিক প্ৰভাৱ বুলি উল্লেখ কৰে। সমালোচক সকলে উপন্যাসখনৰ প্ৰশংসা কৰি কয় যে ইয়াৰ য'ত মহিলাসকলে পুৰুষৰ পৰিৱৰ্তে আন নাৰীয়ে সৃষ্টি কৰা শিকলিৰ পৰা ওলাই আহিবলৈ চেষ্টা কৰে, সেই পৃথিৱীৰ আভাস এই খন উপন্যাসত পোৱা যায়। সমালোচক আৰু চুটিগল্প লেখক আমিৰ হুছেইনে ২০১৫ চনৰ এটা পুৰ্বদৃষ্টিসম্পন্ন পৰ্যালোচনাত চুঘটাইৰ শক্তিশালী কণ্ঠস্বৰ, যিয়ে মন্তব্য বা ব্যাখ্যা কৰা নাছিল, কিন্তু আখ্যানটোক কাব্যিক পৰ্যবেক্ষণেৰে ঢাকি দিছিল'ক আমেৰিকান লেখিকা টনি মৰিছনৰ সৈতে তুলনা কৰিছিল। পিছলৈ ধীতক ইংৰাজীলৈ ৱাইল্ড এট হাৰ্ট নামেৰে অনুবাদ কৰা হয় আৰু ১৯৪৮ চনত একে নামৰ এখন বৈশিষ্ট্যপূৰ্ণ চলচ্চিত্ৰ লৈও ৰূপান্তৰিত কৰা হয়।

শিক্ষা শাখাত স্নাতক ডিগ্ৰী সম্পূৰ্ণ কৰাৰ পিছত আলিগড়স্থিত বালিকা বিদ্যালয় এখনৰ প্ৰধান শিক্ষয়িত্ৰী পদৰ বাবে আৱেদন কৰে চুঘটাই। তাতেই সেই সময়ত আলিগড় মুছলিম বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা শ্বহীদ লতিফৰ সৈতে তেওঁৰ লগ হয় আৰু তেওঁৰ ঘনিষ্ঠ বন্ধুত্ব গঢ় লৈ উঠে। আলিগড়ত থকা সময়ছোৱাত চুঘটাই বিভিন্ন প্ৰকাশনৰ বাবে লিখা-মেলা কৰি থাকিল। গাইন্দা আৰু খিদমতগৰৰ দৰে চুটিগল্প আৰু ইংতিখাব নাটকৰ দ্বাৰা তেওঁ সফলতা লাভ কৰে আৰু এই

সকলোবোৰ সেই সময়ছোৱাত প্ৰকাশো পায়। ইয়াৰ পিছত ১৯৪২ চনত তেওঁ বোম্বেলৈ গুচি যায় আৰু বিদ্যালয় পৰিদৰ্শক হিচাপে কাম কৰিবলৈ আৰম্ভ কৰে। সেই বছৰৰ শেষৰ ফালে বলীউডত সংলাপ লেখক হিচাপে কাম কৰা লতিফৰ সৈতে ব্যক্তিগত অনুষ্ঠানত তেওঁ বিবাহপাশত আবদ্ধ হয়। খোৱাজা আহমদ আব্বাছ এই অনুষ্ঠানৰ আইনী সাক্ষী আছিল।

চুঘটাইয়ে তেওঁৰ চুটিগল্প লিহাফ (The Quilt)ৰ বাবে ব্যাপক চৰ্চা লাভ কৰিছিল, যিটো ১৯৪২ চনৰ লাহোৰ ভিত্তিক সাহিত্যিক আলোচনী আদাব-ই-লাতিফৰ এটা সংখ্যাত প্ৰকাশ পাইছিল। আলিগড়ত এগৰাকী বেগম আৰু তেওঁৰ মালিচকাৰীৰ উৰাবাতৰিৰ প্ৰেমৰ পৰা অনুপ্ৰাণিত হৈ এই কাহিনীটোত বেগম জানৰ নবাবৰ সৈতে অসুখী বিবাহৰ পিছত হোৱা যৌন জাগৰণৰ বুৰঞ্জী লিখা হৈছে। মুক্তিৰ পিছত লিহাফে মহিলা সমকামিতাৰ পৰামৰ্শ আৰু পৰৱৰ্তী বিচাৰৰ বাবে সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰে। চুঘটাইক লাহোৰ উচ্চ ন্যায়ালয়ে ‘অশ্লীলতা’ৰ অভিযোগৰ বিৰুদ্ধে নিজকে ৰক্ষা কৰিবলৈ মাতিছিল। সহযোগী লেখক তথা প্ৰগতিশীল লেখক আন্দোলনৰ সদস্য সাদাত হাছান মাণ্টোৰ চুটিগল্প বু (দুৰ্গন্ধ)ৰ বাবেও একেধৰণৰ অভিযোগ উত্থাপন কৰা হৈছিল আৰু চুঘটাইৰ সৈতে মাণ্টোও লাহোৰলৈ গৈছিল। এই গুৰুতৰ অভিযোগৰ পিছতো কিন্তু চুঘটাই আৰু মাণ্টো দুয়োকে দোষমুক্ত কৰা হয়।

১৯৪৫ চনত সংঘটিত হোৱা এই বিচাৰ প্ৰক্ৰিয়াই বহু সংবাদ মাধ্যম আৰু জনসাধাৰণৰ দৃষ্টি আকৰ্ষণ কৰিছিল আৰু এই যুটিটোৰ বাবে কুখ্যাতি কঢ়িয়াই আনিছিল। প্ৰগতিশীল লেখক আন্দোলনৰ সতীৰ্থ মজননুন গোৰখপুৰী আৰু কৃষণ চন্দৰৰ পৰা সমৰ্থন লাভ কৰি চুঘটাই জনসাধাৰণৰ দৃষ্টিত ভাল ফলাফল লাভ কৰিছিল। যিয়েই নহওক, গোটেই কাণ্ডটোৰ সংবাদ মাধ্যমত প্ৰকাশ পোৱাটোক তেওঁ ঘৃণা কৰিছিল, যিটোৱে তেওঁৰ দৃষ্টিত তেওঁৰ পৰৱৰ্তী কামৰ ওপৰত যথেষ্ট প্ৰভাৱ পেলাইছিল। ‘লিহাফে মোৰ বাবে ইমানেই কুখ্যাতি আনিলে যে মোৰ জীৱন অসুস্থ হৈ পৰিল। ই মোক মাৰিবলৈ প্ৰবাদমতে এদাল লাঠি হৈ পৰিল আৰু তাৰ পিছত মই যি লিখিলোঁ ই সেয়া তাৰ ভৰিৰে গচকি মোহাৰি পেলালে।’

চুঘটাইৰ চলচ্চিত্ৰ নিৰ্মাতা হিচাপে তেওঁৰ প্ৰথম প্ৰকল্প আছিল ১৯৫৮ চনৰ নাট্য ছবি ‘চৌনে কি চিড়িয়া’ যিখন তেওঁ লিখিছিল আৰু সহ-প্ৰযোজনাও কৰিছিল। নুতান আৰু তলাত মাহমুদে মুখ্য চৰিত্ৰত অভিনয় কৰা এই ছবিখনত এগৰাকী শিশু অভিনেতাৰ কাহিনী কোৱা হৈছে, যিগৰাকীক কেৰিয়াৰৰ সময়ছোৱাত নিৰ্যাতন আৰু শোষণৰ বলি হৈছিল। লেখক আৰু সমালোচক ছামছ কানৱালে লক্ষ্য কৰা মতে ছবিখনে দৰ্শকে ভাল সমাদৰ লাভ কৰিছিল আৰু এই সফলতাৰ ফলত চুঘটাইৰ জনপ্ৰিয়তা পোনপটীয়াকৈ বৃদ্ধি পাইছিল। ছবিখনত অভিনয়ৰ বাবে ভাল সঁহাৰি লাভ কৰা নুতানে নিজেই ছবিখনক তেওঁৰ অন্যতম প্ৰিয় প্ৰকল্প বুলি অভিহিত কৰিছিল। ১৯৫৮ চনত চুঘটাইয়ে মাহমুদ-শ্যামা অভিনীত ৰোমাঞ্চ নাটক লালা ৰুখ নিৰ্মাণ কৰে।

চুঘটাইয়ে চলচ্চিত্ৰ প্ৰকল্পৰ প্ৰতি দায়বদ্ধতাৰ মাজতো সেই সময়ত চুটিগল্প লিখি থাকিল। ১৯৫২ চনত তেওঁৰ চতুৰ্থটো চুটিগল্প সংকলন চুই মুই (লাজুকী) মুক্তি পায় আৰু পাঠকৰ সঁহাৰি লাভ কৰে। চুটিগল্পটোৱে ‘আমাৰ সমাজৰ প্ৰাসংগিক বিভাজন’ আৰু মাতৃত্বৰ পূজনীয় পৰম্পৰা, বিশেষকৈ নাৰীত্বৰ সমীকৰণৰ প্ৰতিদ্বন্দ্বিতা কৰাৰ বাবে উল্লেখযোগ্য। ৰাফাই মাহমুদে ২০১৪ চনৰ এটা সম্পাদকীয়ত একবিংশ শতিকাত কাহিনীটোৰ প্ৰাসংগিকতাক আলোকপাত কৰিছিল। চুই মুইক নাছিৰুদ্দিন শ্বাহে মঞ্চৰ বাবে অভিযোজিত কৰিছিল ইছমত আপা কায় নামৰ স্মৃতিচাৰণ ধাৰাবাহিকৰ অংশ হিচাপে, য'ত তেওঁৰ কন্যা হিবা শ্বাহে এই প্ৰডাকচনত কেন্দ্ৰীয় চৰিত্ৰত অভিনয় কৰিছিল।

১৯৭০ চনৰ আৰম্ভণিতে চুঘটাইয়ে অজিব আদমী (এজন অতি আচহুৱা মানুহ) আৰু জাংগলী কাবুটাৰ (বন্য কপৌ) নামৰ দুখন উপন্যাস ৰচনা কৰিছিল য'ত তেওঁ যোৱা দুটা দশক ধৰি হিন্দী চলচ্চিত্ৰ জগতখনৰ বিষয়ে তেওঁৰ জ্ঞানৰ ব্যৱহাৰ কৰিছিল। ১৯৭০ চনত প্ৰথম প্ৰকাশিত জাংলি কাবুটাৰে এগৰাকী অভিনেত্ৰীৰ জীৱন অনুসৰণ কৰে আৰু সেই সময়ত সংঘটিত হোৱা বাস্তৱ জীৱনৰ এটা কাণ্ডৰ পৰা আংশিকভাৱে অনুপ্ৰাণিত হৈছিল। চুঘটাইৰ নাতি, চলচ্চিত্ৰ নিৰ্মাতা আইজাজ খানে ২০১৫ চনত মুম্বাই মিৰ'ৰৰ সৈতে হোৱা এক সাক্ষাৎকাৰত কাহিনীৰ

আধাৰত এখন বৈশিষ্ট্যপূৰ্ণ ছবি নিৰ্মাণৰ প্ৰতি আগ্ৰহ প্ৰকাশ কৰি কৈছিল যে তেওঁৰ এটা গল্পৰ আধাৰত এখন ছবি নিৰ্মাণ কৰিব বিচাৰিম, জাংলি কবুটাৰ। যেনেকৈ কাহিনীটোৱে মোক সদায় মোহিত কৰি আহিছে মই বুজাব নৱাৰিম।'

অজিব আদমীয়ে একেদৰেই বলীউডৰ জনপ্ৰিয় নেতা ধৰম দেৱৰ জীৱন আৰু সহযোগী অভিনেত্ৰী জৰীন জামালৰ সৈতে তেওঁৰ বিবাহ বহিৰ্ভূত প্ৰেমে জড়িত লোকসকলৰ জীৱনত যি প্ৰভাৱ পেলাইছে সেই বিষয়ে বৰ্ণনা কৰিছে। সঘনাই সহ-অভিনেতা গুৰু দত্ত আৰু ৱাহিদা ৰেহমানৰ মাজত হোৱা প্ৰেমৰ আধাৰত উপন্যাসখন নিৰ্মাণ কৰা হৈছিল বুলি কোৱা হৈছিল; দত্তৰ বিবাহ হৈছিল প্লেবেক গায়িকা গীতা দত্তৰ সৈতে আৰু সেই সময়ত এই দম্পতীৰ তিনিটা সন্তান আছিল। মীনা কুমাৰী, লতা মংগেশকাৰ, মহম্মদ ৰফিকে ধৰি বাস্তৱ জীৱনৰ ব্যক্তিসকলৰ কেইবাটাও ইংগিত পোৱা যায় যদিও দত্ত পৰিয়ালৰ সদস্য আৰু ৰেহমানৰ নাম কেতিয়াও স্পষ্টভাৱে উল্লেখ কৰা হোৱা নাই। চুঘটাইয়ে আজীব আদমীৰ বিষয়ে কয়— 'উপন্যাসখনত মই এই কথাত বাৰে বাৰে আহি পৰীছিলো যে কিয় ছোৱালীবোৰে তেওঁৰ পিছে পিছে দৌৰে আৰু তেওঁৰ দৰে প্ৰযোজকসকলে, আৰু এই পৰ্যায়ৰ পুৰুষসকলৰ বাবে আৰু তেওঁলোকৰ পত্নীৰ বাবে তেওঁলোকে যি নৰক বনাইছে তাৰ হুবহু ছবি এখন এই ছবিত আঁকিছিলো।' ১৯৭০ চনৰ আৰম্ভণিতে, চুঘটাইৰ সাহসী স্বভাৱ আৰু স্পষ্টবাদীতাৰ বাবে প্ৰশংসা কৰা হৈছিল।'

মুম্বাইৰ লেখক আৰু সাংবাদিক জেৰী পিণ্টোৱে অজিব আদমীৰ প্ৰাৰম্ভিক মুক্তিৰ প্ৰভাৱ লক্ষ্য কৰি কয় যে, 'ইয়াৰ আগতে বলীউডৰ জটিল আৱেগিক জীৱনৰ ইয়াতকৈ নাটকীয় আৰু স্পষ্ট বিৱৰণ দিয়া হোৱা নাছিল।' খলিজ টাইমছৰ বাবে লিখা ২০১৯ চনত খালিদ মহম্মদে এই আৱেগক প্ৰতিধ্বনিত কৰিছিল। তেওঁ এই কিতাপখনক হিন্দী চলচ্চিত্ৰ উদ্যোগৰ বিষয়ে প্ৰথমখন কিতাপ হ'ব পৰাকৈ উপযুক্ত বুলি অভিহিত কৰে, যিখন কিতাপ আছিল "বলীউডৰ সকলো জনা লোকসকলৰ বাবেও চকু মুদা কুলিৰ ভাও ধৰা"।

১৯৮০ চনৰ শেষৰ ফালে চুঘটাই এলঝেইমাৰ ৰোগত আক্ৰান্ত হয়,

যাৰ ফলত তেওঁৰ কাম তাৰ পিছত সীমিত হৈ পৰে। দীৰ্ঘদিনীয়া অসুস্থতাৰ পিছত ১৯৯১ চনৰ ২৪ অক্টোবৰত মুম্বাইৰ ঘৰত তেওঁৰ মৃত্যু হয়। চুঘটাই ইছলামত সাধাৰণ অন্ত্যোষ্টিক্ৰিয়াৰ প্ৰথা সমাধিস্থ লোৱাৰ পৰা বিৰক্ত হোৱা বুলি জনা গৈছিল। ৰাখছান্দ জলিলে এণ অচিভিল উইমেনঃ ৰাইটিংছ অন ইছমাত চুঘটাইত চুঘটাইৰ বন্ধু তথা সমসাময়িক লেখক কুৰ্ৰাতুলেইন হাইদৰৰ সৈতে হোৱা কথা-বতৰাৰ এটা উদ্ধৃতি দি কয়, 'মই কবৰলৈ বৰ ভয় খাওঁ। তেওঁলোকে মোক বোকা স্তূপৰ তলত পুতি থব। এইদৰে শ্বাসৰুদ্ধ হোৱাতকৈ মই দাহ কৰাটোৱেই ভাল পাম।' বেছিভাগ বিৱৰণী অনুসৰি চুঘটাইক তেওঁৰ শেষ ইচ্ছা অনুসৰি চন্দনৱাড়ী শ্মশানত দাহ কৰা হৈছিল।

তেখেতৰ বহুতো ৰচনা ইংৰাজীলৈ অনুবাদ হোৱাৰ পিছত, বিংশ শতিকাৰ উৰ্দু সাহিত্যৰ প্ৰতি নৱীকৃত আগ্ৰহ আৰু পৰৱৰ্তী সমালোচনাক পুনৰ মূল্যায়নৰ পিছত চুঘটাইৰ লেখিকা হিচাপে মৰ্যাদা বৃদ্ধি পায়। তেওঁৰ ৰচনাৰ সমালোচনাক পুনৰ মূল্যায়ন লিহাফৰ পুনৰ পঠনৰ পৰা আৰম্ভ হয়, যিটো ইয়াৰ মাজৰ বছৰবোৰত অধিক তাৎপয্য প্ৰদান কৰিছে। ই সামন্তীয় সমাজত এগৰাকী অৱহেলিত পত্নীৰ বিচ্ছিন্ন জীৱনৰ চিত্ৰণৰ বাবে বিখ্যাত হৈছিল আৰু ইয়াৰ আৰম্ভণিতে যৌন চিত্ৰণৰ বাবে ই এক ল্যাণ্ডমাৰ্ক হৈ পৰিছিল, যিটো আধুনিক ভাৰতীয় সাহিত্যত এতিয়াও নিষিদ্ধ। তাৰ পিছৰ পৰা লিহাফক বহুলভাৱে সংকলন কৰা হয় আৰু ই চুঘটাইৰ অন্যতম প্ৰশংসিত ৰচনা হিচাপে পৰিগণিত হয়।

বছৰ বছৰ ধৰি তেওঁৰ অধিক ৰচনা বহল দৰ্শকৰ বাবে পঢ়াৰ বাবে উপলব্ধ হোৱাৰ লগে লগে চুঘটাইৰ লেখাৰ সীমিত পৰিসৰক কেন্দ্ৰ কৰি কৰা সমালোচনাও কমি আহিছে। ১৯৯৩ চনৰ এটা পুৰ্বদৃষ্টিসম্পন্ন লেখাত নকভিয়ে চুঘটাইৰ লেখাৰ অনুভূত পৰিসৰক প্ৰতিহত কৰি কয় যে তেওঁৰ কাম লিহাফৰ কেন্দ্ৰীয় বিষয়বস্তুৰ দ্বাৰা 'আৱদ্ধ নহয়। তেওঁৰ হাতত আৰু বহুত বহুত ভাল গল্প আছে'। তেওঁ পৃথকে পৃথকে জাংগলী কাবুটাৰৰ উদাহৰণ দিছিল। নাকভিয়ে আলোকপাত কৰে যে এই সময়লৈকে উৰ্দু সাহিত্যত নিজকে এক উল্লেখযোগ্য কণ্ঠস্বৰ হিচাপে প্ৰতিষ্ঠা কৰাৰ পিছতো চুঘটাইয়ে এতিয়াও নতুন বিষয়বস্তুৰ অনুসন্ধান আৰু তেওঁৰ কামৰ পৰিসৰ

বৃদ্ধিৰ প্ৰতি আগ্ৰহী হৈ আছিল।

সমালোচক আৰু নাট্যকাৰ ছামিম হানফীয়ে ইয়াক সৰ্বোচ্চ প্ৰশংসা কৰে আৰু কয় যে উপন্যাসখন, বিশেষকৈ ইয়াৰ প্ৰথমাৰ্ধ, বিশ্ব সাহিত্যৰ উচ্চতম মানদণ্ডৰ সৈতে মিল খায়। হুছেইনে তুলনামূলকভাৱে ইয়াক উৰ্দু ভাষাৰ অন্যতম শ্ৰেষ্ঠ উপন্যাস বুলি অভিহিত কৰিছে আৰু লক্ষ্য কৰিছে যে চুঘটাইয়ে তেওঁৰ সকলো সাহিত্যিক প্ৰভাৱ আৰু নিজৰ জীৱিত অভিজ্ঞতাক একত্ৰিত কৰি এক আমূল গ্ৰন্থৰ সৃষ্টি কৰিছে।

২০১৮ চনৰ ২১ আগষ্টত গুগলে গুগল ডুডলৰ জৰিয়তে তেওঁৰ ১০৭ সংখ্যক জন্মদিন উদযাপন কৰে। ■

# কলেজ লাইব্ৰেৰী আৰু ইয়াৰ গুৰুত্ব

**জাৰ্জীমণি বৰুৱা বৰা**
প্ৰাক্তন ছাত্ৰী

শৈক্ষিক পুথিভঁৰাল হৈছে উচ্চ শিক্ষানুষ্ঠানৰ সৈতে সংযুক্ত আৰু দুটা পৰিপূৰক উদ্দেশ্য সাধন কৰা পুথিভঁৰাল, বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু ছাত্ৰ-ছাত্ৰীৰ পাঠ্যক্ৰম আৰু গৱেষণাক সমৰ্থন কৰা। বৰ্তমান বিশ্বজুৰি কিমান শৈক্ষিক পুথিভঁৰাল আছে সেয়া জনা নাযায়। ইউনেস্কোৰ দ্বাৰা পৰিচালিত এটা একাডেমিক আৰু গৱেষণা পৰ্টেল ৩,৭৮৫টা পুথিভঁৰালৰ সৈতে বৰ্তমানলৈকে সংযোগ স্থাপন কৰিছে ইন্টাৰনেটৰ তথ্যত পোৱা যায়। নেচনেল চেণ্টাৰ ফৰ এডুকেচন ষ্টেটিষ্টিকছৰ মতে আমেৰিকাত প্ৰায় ৩,৭০০টা একাডেমিক পুথিভঁৰাল আছে।

মহাবিদ্যালয়ৰ পুথিভঁৰালে অধ্যয়ন আৰু বৌদ্ধিক অন্বেষণৰ বাবে এক নিস্তব্ধ আৰু অনুকূল পৰিৱেশ, কলেজ কেম্পাচৰ ভিতৰত প্ৰদান কৰাৰ লগতে মহাবিদ্যালয়ত শিক্ষণ সংস্কৃতি গঢ়ি তোলাত সহায় কৰে।

এখন মহাবিদ্যালয়ৰ পুথিভঁৰালৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ প্ৰতিষ্ঠানটোৰ ভিতৰত এক মূল্যৱান সম্পদ হিচাপে নিজৰ ভূমিকা পালন কৰে। শৈক্ষিক কাৰ্যসূচীসমূহক সমৰ্থন কৰা, বৌদ্ধিক বৃদ্ধিৰ পোষকতা কৰা, আৰু গৱেষণাৰ সুবিধা প্ৰদানৰ ওপৰত গুৰুত্ব আৰোপ কৰি পুথিভঁৰালটোৱে পাঠ্যপুথিৰ পৰিসীমাৰ বাহিৰলৈ যোৱা সামগ্ৰীৰ এক সমৃদ্ধ আৰু বৈচিত্ৰময় সংগ্ৰহ প্ৰদান কৰাৰ লক্ষ্য ৰাখিব লাগে। গভীৰ আৰু উন্নত অধ্যয়নক প্ৰসাৰিত কৰি, শাখাসমূহৰ মাজত বুজাবুজি বৃদ্ধি কৰি, আৰু ছাত্ৰ-ছাত্ৰীসকলক দায়িত্বশীল নাগৰিক হিচাপে প্ৰস্তুত কৰি,

পুথিভঁৰালটোৱে ছাত্ৰ-ছাত্ৰী সকলক জ্ঞান আৰু সমালোচনাত্মক চিন্তাধাৰাৰ দক্ষতাও প্ৰদান কৰে। তদুপৰি, ই তথ্যৰ কেন্দ্ৰ হিচাপে কাম কৰে, অধ্যাপক সকলক তেওঁলোকৰ ক্ষেত্ৰৰ শেহতীয়া আপডেটৰ সৈতে সংযোগ কৰে আৰু ইয়াৰ ব্যৱহাৰকাৰীসকলৰ বাবে স্বাস্থ্যসন্মত মনোৰঞ্জনৰ বিকল্প প্ৰদান কৰে। কলেজৰ পুথিভঁৰালৰ কিছুমান মূল লক্ষ্য আৰু উদ্দেশ্য হ'ল—

ৰঙ্গ পুথিভঁৰালৰ সম্পদসমূহ পাঠ্যক্ৰমত একত্ৰিত কৰিবলৈ অধ্যাপকৰ সৈতে সহযোগিতা কৰা। ইয়াৰ বহুমুখী লক্ষ্যৰ জৰিয়তে কলেজৰ পুথিভঁৰালটোৱে তলত দিয়া কামসমূহ সম্পন্ন কৰাত সহায় কৰে—

(ক) মহাবিদ্যালয়খনৰ সকলো শৈক্ষিক আৰু নিৰ্দেশনামূলক কাৰ্যসূচীত সহায় কৰিবলৈ মহাবিদ্যালয়খনে আগবঢ়োৱা বিভিন্ন পাঠ্যক্ৰমৰ সৈতে জড়িত বিভিন্ন নথি-পত্ৰ যেনে পাঠ্যপুথি, দৃশ্য-শ্ৰাব্য আদি অধিগ্ৰহণ কৰি নিজৰ সংগ্ৰহৰ বিকাশ ঘটায়।

(খ) কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ মাজত গভীৰ আৰু উন্নত অধ্যয়নৰ অভ্যাস গঢ়ি তুলিবলৈ বিভিন্ন বিষয়ৰ পাঠ্যপুথিৰ উপৰিও আৰু বহুতো উন্নত গ্ৰন্থ ক্ৰয় কৰে।

(গ) মহাবিদ্যালয়ৰ পুথিভঁৰালে শ্ৰেণীকোঠাৰ পাঠদান আৰু পাঠ্যপুথিৰ উপৰিও ছাত্ৰ-ছাত্ৰীৰ মাজত নিজাববীয়াকৈ বিষয়ৰ বুজাবুজি বৃদ্ধি কৰিবলৈ বিশ্বকোষ আৰু বিভিন্ন বিষয়ৰ প্ৰতিটো দিশৰ অন্যান্য গ্ৰন্থৰ দৰে তথ্যসূত্ৰ পুথি আহৰণ কৰে।

(ঘ) ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন বৃত্তি আৰু বৃত্তিৰ বাবে প্ৰস্তুত কৰি তেওঁলোকৰ দক্ষতা বিকাশৰ বাবে পুথিভঁৰালটোৱে স্ব-শিক্ষণ সামগ্ৰী, প্ৰতিযোগিতামূলক পৰীক্ষাৰ কিতাপ ইত্যাদি যোগান ধৰে।

(ঙ) মহাবিদ্যালয়ৰ পুথিভঁৰাল ব্যৱহাৰকাৰীসকলক তেওঁলোকৰ চৌপাশৰ বিষয়ে সচেতন কৰিবলৈ বাতৰি কাকত, সাম্প্ৰতিক পৰিঘটনাৰ সাপ্তাহিক আৰু মাহেকীয়া আলোচনী, সাধাৰণ জ্ঞানৰ কিতাপ আদি ক্ৰয় কৰে।

(চ) মহাবিদ্যালয়ৰ পুথিভঁৰালে গৱেষণামূলক কামৰ বাবে

অধ্যাপকৰ পৰামৰ্শ অনুসৰি বিভিন্ন বিষয়ৰ উপযোগী আলোচনী আৰু গৱেষণা বুলেটিনৰ চাবস্ক্ৰাইব কৰে আৰু শিক্ষকসকলক তেওঁলোকৰ শাখাৰ শেহতীয়া তথ্যৰ সৈতে সম্পৰ্কিত কৰি ৰাখে।

(ছ) যদি কোনো নথিপত্ৰ পুথিভঁৰালত উপলব্ধ নহয়, তেন্তে ইয়াৰ ব্যৱহাৰকাৰীৰ চাহিদা অনুসৰি ইয়াক আন্তঃপুথিভঁৰাল ঋণত আনে।

ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ পুথিভঁৰালত লঘু পঢ়া সামগ্ৰীও পোৱা যায়।

কেতিয়াবা মহাবিদ্যালয়ৰ পুথিভঁৰালত অপৰ্যাপ্ত কিতাপৰ মজুত থকাও দেখা যায়। সেইবোৰ বিভিন্ন কাৰনত হ'ব পাৰে, যেনে বাজেটৰ অভাৱ, ঠাইৰ অভাৱ, বা আওপুৰণি সংগ্ৰহ ইত্যাদি। অপৰ্যাপ্ত কিতাপ ৰখাই উপলব্ধ সম্পদৰ বৈচিত্ৰ্য আৰু গভীৰতা সীমিত কৰে, যিয়ে গৱেষণাক সমৰ্থন কৰা আৰু ব্যৱহাৰকাৰীৰ বৈচিত্ৰ্যপূৰ্ণ প্ৰয়োজনীয়তা পূৰণ কৰাত পুথিভঁৰালৰ ক্ষমতাত প্ৰভাৱ পেলায়।

কেতিয়াবা অপৰ্যাপ্ত মাত্ৰাত কৰ্মচাৰীৰ আৰু প্ৰশিক্ষিত কৰ্মীৰ অভাৱে কলেজৰ পুথিভঁৰালসমূহৰ মসৃণ কায্যকলাপত বাধাৰ সৃষ্টি কৰিব পাৰে। অপৰ্যাপ্ত কৰ্মচাৰীৰ বাবে সামগ্ৰী প্ৰক্ৰিয়াকৰণত পলম হ'ব পাৰে, সীমিত প্ৰাসংগিক সেৱাসমূহ, আৰু লাইব্ৰেৰী ব্যৱহাৰকাৰীসকলৰ তথ্যৰ প্ৰয়োজনীয়তাৰ বাবে সমৰ্থন হ্ৰাস পাব পাৰে। পুথিভঁৰাল কৰ্মচাৰীসকলৰ বাবে নিয়মীয়া প্ৰশিক্ষণ আৰু পেছাদাৰী বিকাশৰ সুযোগৰ অনুপস্থিতিয়ে তেওঁলোকৰ পুথিভঁৰালৰ উদীয়মান ধাৰা, প্ৰযুক্তি আৰু উত্তম পদ্ধতিসমূহৰ বিষয়ে আপডেট হৈ থকাৰ ক্ষমতাত বাধাৰ সৃষ্টি কৰিব পাৰে। অপৰ্যাপ্ত ধাৰাবাহিক শিক্ষা কাৰ্যসূচীয়ে উচ্চমানৰ সেৱা প্ৰদান কৰাৰ আৰু বিকশিত ব্যৱহাৰকাৰীৰ প্ৰয়োজনীয়তাৰ সৈতে খাপ খুৱাবলৈ পুথিভঁৰালৰ ক্ষমতা সীমিত কৰে।

কলেজৰ পুথিভঁৰালসমূহে তেওঁলোকৰ ব্যৱহাৰকাৰীসকলক এক বিস্তৃত পৰিসৰৰ সেৱা প্ৰদান কৰাত প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পাৰে। অপৰ্যাপ্ত সেৱাসমূহৰ ভিতৰত আন্তঃপুথিভঁৰাল ঋণ কাৰ্যসূচীৰ সীমিত প্ৰৱেশ, গৱেষণা সহায়ৰ বাবে অপৰ্যাপ্ত সমৰ্থন, আৰু ইলেক্ট্ৰনিক সম্পদসমূহৰ প্ৰৱেশৰ বাবে অপৰ্যাপ্ত প্ৰযুক্তি আন্তঃগাঁথনি আদি থাকিব

পাৰে।

ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ মাজত পুথিভঁৰালৰ সজাগতাৰ অভাৱ, বহু কলেজীয়া পুথিভঁৰালে ছাত্ৰ-ছাত্ৰী আৰু কৰ্মচাৰীৰ মাজত পুথিভঁৰালৰ সজাগতাৰ নিম্ন মাত্ৰাৰ সৈতে যুঁজিছে। এই সজাগতাৰ অভাৱৰ ফলত পুথিভঁৰালৰ সম্পদ আৰু সেৱাসমূহৰ অভাৱনীয় ব্যৱহাৰ, শৈক্ষিক সহায়ৰ সুযোগ হেৰুৱাব পাৰে, আৰু পুথিভঁৰালৰ সৈতে এক গুৰুত্বপূৰ্ণ শৈক্ষিক কেন্দ্ৰ হিচাপে সীমিত সংযোগ ঘটিব পাৰে।

এই সমস্যাসমূহৰ সমাধানৰ বাবে কৌশলগত পৰিকল্পনা, পৰ্যাপ্ত ধন, কৰ্মচাৰী বিকাশ কাৰ্যসূচী, সংগ্ৰহ উন্নয়ন নীতি, আৰু কলেজ সম্প্ৰদায়ৰ মাজত পুথিভঁৰাল সজাগতা প্ৰসাৰ আদি সক্ৰিয় ব্যৱস্থাৰ প্ৰয়োজন। এই প্ৰত্যাহ্বানসমূহ চিনাক্ত কৰি আৰু অতিক্ৰম কৰিবলৈ কাম কৰি কলেজৰ পুথিভঁৰালসমূহে শিক্ষণ, গৱেষণা আৰু শৈক্ষিক সফলতাৰ বাবে অপৰিহাৰ্য সম্পদ হিচাপে নিজৰ ভূমিকা ভালদৰে পালন কৰিব পাৰে। ■

# মহিলা শিক্ষা আৰু মহিলা মহাবিদ্যালয়ৰ গুৰুত্ব

**নিহাৰীকা হাজৰিকা**
প্ৰাক্তন ছাত্ৰী

**ভাৰতত মহিলাৰ শিক্ষা**

ভাৰত চৰকাৰৰ সাৰ্বজনীন শিক্ষাৰ প্ৰতি দৃঢ় দায়বদ্ধতা থকাৰ পিছতো ভাৰতত এছিয়াৰ ভিতৰতে মহিলা সাক্ষৰতাৰ হাৰ আটাইতকৈ কম। ১৯৯১ চনত ভাৰতৰ ৭ বছৰ আৰু তাৰ ওপৰৰ ৩৩ কোটি মহিলাৰ ভিতৰত ৪০ তকৈও কম শিক্ষিত আছিল, যাৰ অৰ্থ হ'ল আজিও ২০ কোটিতকৈ অধিক মহিলা নিৰক্ষৰ হৈ আছে। এই নিম্ন স্তৰৰ সাক্ষৰতাই কেৱল মহিলাৰ জীৱনতেই নহয়, তেওঁলোকৰ পৰিয়ালৰ জীৱন আৰু দেশৰ অৰ্থনৈতিক বিকাশৰ ওপৰতো তীব্ৰ প্ৰভাৱ পেলায়। অসংখ্য গৱেষণাৰ পৰা দেখা গৈছে যে নিৰক্ষৰ মহিলাসকলৰ উৰ্বৰতা আৰু মৃত্যুৰ হাৰ অধিক, পুষ্টিৰ অৱস্থা বেয়া, অৰ্থনৈতিক ক্ষমতা সীমিত, ঘৰৰ ভিতৰতে পঁন্যতম স্বায়ত্তশাসন থাকে। এগৰাকী নাৰীৰ জ্ঞানহীনতাই তেওঁৰ সন্তানৰ স্বাস্থ্য আৰু সুস্থতাৰ ওপৰত বেয়া প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে ভাৰতত শেহতীয়াকৈ কৰা এক অনুসন্ধানত আৱিষ্কাৰ হৈছে যে শিশুৰ মৃত্যুৰ হাৰ মাতৃৰ শিক্ষাৰ ডিগ্ৰীৰ সৈতে ওলোটাকৈ জড়িত। তদুপৰি শিক্ষিত জনসংখ্যাৰ অভাৱত দেশৰ অৰ্থনৈতিক অগ্ৰগতিত বাধা আহিব পাৰে।

কেৰালাই সাক্ষৰতাৰ হাৰ ৯৩.৯১ শতাংশৰে অগ্ৰগতি বজাই ৰাখিছে, তাৰ পিছতে আছে লক্ষদ্বীপ ৯২.২৮ শতাংশ আৰু মিজোৰাম ৯২.২৮ শতাংশ, ৯১.৫৮ শতাংশ।

দেশৰ ভিতৰতে সৰ্বনিম্ন সাক্ষৰতাৰ হাৰ বিহাৰত ৬৩.৮২ শতাংশ, অৰুণাচল প্ৰদেশ ৬৬.৯৫ শতাংশ আৰু ৰাজস্থান ৬৬.৯৫ শতাংশ, ৬৭.০৬ শতাংশ।

ভাৰতত পুৰুষৰ সাক্ষৰতাৰ হাৰতকৈ মহিলাৰ সাক্ষৰতাৰ হাৰ কম। ল'ৰাৰ তুলনাত ছোৱালী কমেইহে স্কুলত পঢ়ে, আৰু বেছিভাগেই আধাতেই শিক্ষা সামৰি পেলোৱা বিধৰ। জাতিৰ প্ৰগতিৰ বাবে নাৰীৰ অধিকাৰ অতি গুৰুত্বপূৰ্ণ। এই শতিকাত দেশৰ অৰ্থনৈতিক সম্পদ কেৱল পুৰুষৰ ওপৰত নহয়, মহিলাৰ ওপৰতো নিৰ্ভৰশীল। সমাজত নাৰীৰ ভূমিকা শক্তিশালী কৰিবলৈ চৰকাৰে বেছিভাগেই শিক্ষা আৰু কৰ্মৰ সম্ভাৱনা উন্নত কৰাত গুৰুত্ব দিছিল। সেই উদ্দেশ্যে ভাৰত চৰকাৰে তেওঁলোকক উন্নয়নৰ মূলসুঁতিৰ সৈতে একত্ৰিত হোৱাত সহায় কৰাৰ বাবে বহুতো কাৰ্যসূচী আৰু পৰিকল্পনা সৃষ্টি কৰিছে। এই ব্যৱস্থাসমূহৰ ফলত মহিলাসকলৰ আৰ্থ-সামাজিক পৰিস্থিতিৰ উন্নতি ঘটিছে। ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ পিছত নাৰী জাতীয়তাবাদীসকলৰ ব্যাপক প্ৰশংসা কৰা হৈছিল। ভাৰতীয় সংবিধান লিখাৰ সময়ত নাৰীক দেশৰ বৈধ নাগৰিক হিচাপে আৰু স্বাধীনতা আৰু সুযোগৰ ক্ষেত্ৰত পুৰুষৰ সমান বুলি গণ্য কৰি সম অধিকাৰৰ প্ৰস্তাৱ দিছিল।

ভাৰতীয় সংবিধানৰ ৮৬ সংখ্যক সংশোধনী অনুসৰি ৬১ পৰা ১৪ বছৰ বয়সৰ শিশুৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা ভাৰতীয় জনসাধাৰণৰ মৌলিক অধিকাৰ। ভাৰত চৰকাৰে কিছুমান পদক্ষেপ লোৱাৰ পিছতো, যেনে 'সৰ্বশিক্ষা অভিযান' এই পদক্ষেপৰ প্ৰধান লক্ষ্য হৈছে প্ৰাথমিক শিক্ষা, বিশেষকৈ দৰিদ্ৰ গ্ৰাম্য অঞ্চলৰ মহিলা শিশুসকলক প্ৰদান কৰা, এই প্ৰচেষ্টাসমূহৰ পিছতো এতিয়াও মহিলাৰ শিক্ষাৰ ক্ষেত্ৰত বাধা আছে।

**মহিলা শিক্ষাৰ প্ৰয়োজন আৰু গুৰুত্ব**

ভাৰতত আন্তৰ্জাতিক মহিলা বিশ্বকোষ (১৯৯৯)ৰ মতে, বিভিন্ন লেখকে নাৰী সবলীকৰণত শিক্ষাৰ তাৎপৰ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। যিহেতু সমাজত মহিলাৰ স্থান বৃদ্ধিত কাম ইমানেই গুৰুত্বপূৰ্ণ, সেয়েহে প্ৰতিটো মহিলা সৱলীকৰণৰ পদক্ষেপতে মহিলাৰ শিক্ষা অতি

প্ৰয়োজনীয় ‘ডমিনিক আৰু জোথি, ২০১২’। এগৰাকী ভাৰতীয় ভদ্ৰমহিলাক শিক্ষা দিয়াটোৱে ভাৰতৰ সামাজিক আৰু অৰ্থনৈতিক বিকাশৰ বাবে এক জটিল সুযোগ। এগৰাকী শিক্ষিত ভাৰতীয় মহিলাই দেশ আৰু সমাজৰ অৰ্থনীতিত অৰিহণা যোগাই ভাৰতীয় সমাজত ভাল প্ৰভাৱ পেলাব।

‘সকলোৰে বাবে শিক্ষা’ যদিও ভাৰত চৰকাৰে গ্ৰহণ কৰা অন্যতম মূল লক্ষ্য, তথাপিও আমাৰ হাতত এতিয়াও এছিয়াৰ মহিলা সাক্ষৰতাৰ হাৰ সৰ্বনিম্ন হাৰতেই আছে । ভাৰত কাৰ্যক্ষম হৈ আছে, কিন্তু লাহে লাহে যিহেতু আমি এতিয়ালৈকে যিখিনি পাব লাগিছিল সেয়া লাভ কৰা নাই। সমীক্ষা অনুসৰি ভাৰতত দেশজুৰি মহিলা সাক্ষৰতাৰ হাৰ ৭০.৩ শতাংশ হোৱাৰ বিপৰীতে পুৰুষৰ সাক্ষৰতাৰ হাৰ ৮৪.৭ শতাংশ হ’ব বুলি ভৱিষ্যদ্বাণী কৰা হৈছে। এন এছ অ’ৰ তথ্য অনুসৰি ভাৰতৰ গড় সাক্ষৰতাৰ হাৰ ৭৭.৭ শতাংশ। দেশৰ সামগ্ৰিক বৃদ্ধিৰ বাবে মহিলা শিক্ষা অতি প্ৰয়োজনীয়। এগৰাকী সুশিক্ষিত ভদ্ৰমহিলাই নিজৰ ব্যক্তিগত আৰু পেছাদাৰী দুয়োটা জীৱন সুন্দৰকৈ পৰিচালনা কৰিব পাৰে।

**মহিলাৰ শিক্ষা অতি জটিল-**

মৌলিক অধিকাৰ ঃ শিক্ষা সকলোৰে বাবে এক মৌলিক অধিকাৰ। আমি যেতিয়া সকলোৰে বুলি কওঁ তেতিয়া মহিলাসকলকো অন্তৰ্ভুক্ত কৰিব লাগিব। ধনী বা দুখীয়া, ডেকা বা বুঢ়া, বিবাহিত, অবিবাহিত, বিধৱা বা যিকোনো সামাজিক শ্ৰেণীৰ সকলো ছোৱালী-মহিলাৰ শিক্ষাৰ মৌলিক অধিকাৰ আছে। শিক্ষা এক মৌলিক মানৱ অধিকাৰ, বিলাসীতা নহয়।

শিক্ষাই সমাজত সমতাক প্ৰসাৰিত কৰে, আমি যেতিয়া পক্ষপাতিত্ব আৰু বৈষম্যক এটা বিষয় হিচাপে আলোচনা কৰো, তেতিয়া আমি সঘনাই ভুল ব্যাখ্যা কৰোঁ যে ইয়াৰ উৎপত্তি মূল পৰ্যায়ত। যেনে- ল’ৰা স্কুললৈ গ’লে আৰু ছোৱালীজনী ঘৰতে থাকিলে তেওঁ ছোৱালীতকৈ শ্ৰেষ্ঠ বুলি বিশ্বাস কৰিবলৈ আৰম্ভ কৰে। অৱশ্যে ই পুৰুষ-মহিলা উভয়কে সমতা আৰু গণতন্ত্ৰৰ ধাৰণাক প্ৰসাৰিত কৰিবলৈ শিকাইছে।

শিক্ষাই মহিলাসকলক শক্তিশালী কৰে, স্বাধীন কৰে, আৰু

আত্মবিশ্বাসৰ বিকাশত সহায় কৰে। শিক্ষা সকলোৰে বাবে অবিশ্বাস্যভাৱে অপৰিহাৰ্য কাৰণ ই এনে দক্ষতা গঢ়ি তোলাত সহায় কৰে যিয়ে ব্যক্তিক আনক সেৱা আগবঢ়াবলৈ অনুমতি দিয়ে আৰু লগতে জীৱিকাও উপাৰ্জন কৰে। শিক্ষিত আৰু উপাৰ্জন আৰু নিজৰ খৰচ কঢ়িয়াই নিব পৰা মহিলাগৰাকীয়ে নিজৰ প্ৰয়োজনৰ বাবে আনৰ ওপৰত বা পৰিয়ালৰ ওপৰত নিৰ্ভৰ কৰাৰ প্ৰয়োজন নাই। এইটোৱে শিশুসকলক নিজৰ বিচাৰ কৰিবলৈ আৰু নিজৰ মূল্য আৰু ব্যক্তিত্বক চিনি পাবলৈ বেটি পঢ়াও আৰু বেটি বাচাও- ২০১৫ চনৰ ২২ জানুৱাৰীত নাৰী সবলীকৰণৰ বাবে পৰিচিত বেটি বাচাও, বেটি পঢ়াও সামাজিক আন্দোলন আৰম্ভ হয়। এই কাৰ্যসূচীৰ লক্ষ্য হৈছে মহিলা ভ্ৰূণহত্যাৰ নিৰ্মূল আৰু মহিলাসকলক পৰ্যাপ্ত শিক্ষা প্ৰদান কৰা।

শ্ৰমিক মহিলাৰ বাবে হোষ্টেল-মহিলাসকলে অধিক নিয়োগৰ বিকল্প লাভ কৰিবলৈ থকাৰ বাবে থকাৰ সুবিধাসমূহ অন্তৰ্ভুক্ত কৰা কৰ্ম পৰিৱেশ প্ৰদান কৰিবলৈ শ্ৰমিক মহিলাৰ হোষ্টেল প্ৰতিষ্ঠা কৰা হৈছিল।

প্ৰশিক্ষণ আৰু নিয়োগ সাহায্য কাৰ্যসূচী (STEP)- এই কাৰ্যসূচীসমূহে মহিলাসকলক বিভিন্ন ক্ষেত্ৰত স্বনিয়োজিত বা উদ্যোগী হ'বলৈ পৰ্যাপ্ত জ্ঞান প্ৰদান কৰে আৰু শক্তিশালী কৰে। এই কাৰ্যসূচী ৰছ বছৰৰ ওপৰৰ মহিলাসকলৰ বাবে সুলভ।

মহিলা-ই-হাত (মহিলা-ই-হাত)- মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে ২০১৬ চনত মহিলা উদ্যোগী আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলৰ বাবে নিজৰ সামগ্ৰী আৰু সেৱা প্ৰদৰ্শন বা বিক্ৰীৰ বাবে এক মঞ্চ প্ৰদান কৰে।

ছাবলা- ভাৰত চৰকাৰে ২০১১ চনৰ ১ এপ্ৰিলৰ পৰা আৰম্ভ কৰা কিশোৰী ছোৱালীৰ নিয়োগৰ বাবে ৰাজীৱ গান্ধী আঁচনি (RGSEAG) যাক সততে SABLA নামেৰে জনা যায়। ইয়াৰ উদ্দেশ্য হৈছে খাদ্য আৰু পুষ্টিকৰ উপাদান যোগান ধৰা।

স্বধৰ গ্ৰেহ- কেন্দ্ৰীয় মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে ২০০২ চনত স্বাধৰ গ্ৰেহৰ পদক্ষেপ প্ৰস্তুত কৰিছিল। এই কাৰ্যসূচীয়ে অসহায় মহিলাসকলক ঘৰ, খাদ্য, চিকিৎসা, আৰু কাপোৰ-কানি প্ৰদান কৰে। পৰিয়ালে পৰিত্যাগ কৰা মহিলা আৰু দুৰ্যোগৰ পৰা ৰক্ষা পোৱা

মহিলাসকলক সেয়েহে প্ৰাথমিক প্ৰয়োজনীয় সামগ্ৰী যোগান ধৰা হয়।

এক ষ্টপ-শ্বপৰ আঁচনি- মহিলা আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে ২০১৫ চনৰ ১ এপ্ৰিলত 'নিৰ্ভয়া' বাজেট ব্যৱহাৰ কৰি এক ষ্টপ চেণ্টাৰৰ পদক্ষেপ প্ৰস্তুত কৰে। এই ব্যৱস্থাই ৰাজহুৱা আৰু ব্যক্তিগত দুয়োটা পৰিৱেশতে হিংসাৰ বলি হোৱা লোকসকলক মানসিক সেৱা, আইনী প্ৰয়োজনীয়তা, আৰক্ষীৰ সহায়, গৃহ নিৰ্মাণ, আৰু খাদ্য প্ৰদান কৰে।

পুৰাস্কাৰৰ পৰা নাৰী শক্তিলৈ- নাৰী আৰু শিশু উন্নয়ন মন্ত্ৰালয়ে নাৰী শক্তি পুৰাস্কাৰ কাৰ্যসূচী আৰম্ভ কৰিছে যাতে নাৰীক সমাজলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে সন্মান জনাই নাৰী শক্তিক স্বীকৃতি আৰু সৰলীকৰণৰ ব্যৱস্থা কৰে। ■

# Political Relations between India and Neighboring Countries

**Riju Devi**
Ex Student, DMM

**India and Pakistan**

After the dissolution of the British Raj in1947 two new sovereign nations were formed- the Dominion of India and the dominion of Pakistan. Pakistan was an outcome of two nation theory.

India and Pakistan have been at loggerheads since the partition of India in 1947 was done by the Britishers. The first war fought between the two two countries which were earlier a part of a unified bigger India was fought in the year of 1947 itself.

The War of 1947- This war is called the first Kashmir War. It began in October 1947 and the consequence was the accession of Jammu and Kashmir by India. Pakistan was under the fear that Maharaja Hari Singh would accede to India. It was after the partition done by British, that the princely states were given three options

1.Accede to India
2. Accede to Pakistan
3. Remain Independent

Jammu and Kashmir had a majority of Muslim population and a significant number of Hindus as well. The tribal Islamic forces met and joined the army of Pakistan and occupied some parts of the princely state. This left Maharaja Hari Singh to choice but to accede to India and receive military aid. This issue was taken to the UN Security Council and Resolution 47 was passed on April 22,1948. The Line Of Control was born that day. At 23:59 hours on January 1, 1949, a ceasefire was declared. India had control of 2/3rds of Jammu and Kashmir whereas Pakistan gained Gilgit Balistan and Azad Kashmir. India calls it Pakistan occupied Kashmir.

The Indian (eastern) side of the ceasefire line is referred to as Jammu and Kashmir state. Both countries refer to the other side of the ceasefire line as "occupied" territory.

1954- The accession of Jammu and Kashmir to India is rectified by the State's constituent assembly. The Jammu and Kashmir constituent assembly approves a constitution . India, from the point of the 1954 rectification and 1957 constitution, begins to refer to Jammu and Kashmir as an integral part of the Indian union.

1963- Following the 1962 Sino-Indian war, the foreign ministers of India and Pakistan-Swaran Singh and Zulfiqar Ali Bhutto- holds talks under the auspices of the British and Americans regarding the Kashmir dispute. Following the failure of the 1963 talks, Pakistan refers the Kashmir case to the UN Security Council.

The war of 1965- There were reminiscences of the India Pakistan war of 1947 which may have bothered Pakistan to such a level that it tried to infiltrate Kashmir again.

The War started after Pakistan's Operation Gibraltar where the forces from the neighbour tried to get into Indian Government ruled areas and precipitate an insurgency.

India at the very time launched a full scale military response against West Pakistan. The war was fought for 17 days and thousands of people were dead or injured on both sides. The war was also a witness to the largest tanks since World war 2.

1966- On January 10,1966, Indian Prime Minister Lal Bahadur Shastri and Pakistani President Ayub Khan sign an agreement at Tashkent ( now in Uzbekistan), agreeing to withdraw to pre- August lines and that economic and diplomatic relations would be restored.

The War of 1971- ( Bangladesh Liberation War) India and Pakistan go to War a third time, this time over East Pakistan led by Zulfiqar Ali Bhutto, refuses to allow Awami League leader Sheikh Mujibur Rehman whose party won the majority of seats in the 1970 parliamentary elections, to assume the premiership.

The Pakistani army surrenders at Dhaka, and its army of more than 90,000 become prisoners of war. Hostilities lasted 13 days, making this one of the shortest wars in modern history. East Pakistan becomes the independent country of Bangladesh on December 6, 1971.

1972- Pakistani Prime Minister Zulfikar Ali Bhutto and Indian Prime Minister Indira Gandhi sign an agreement in the Indian town of Simla, in which both countries agree to "put an end to the conflict and confrontation that have hitherto marred their relations and work for the promotion of a friendly and harmonious relationship and the establishment of a durable

peace in the subcontinent." The Simla Agreement designates the ceasefire line of December 17, 1971, as being the new "Line-of-Control (LoC)"

1974- The Kashmiri state government affirms that the state "is a constituent unit of the Union of India". Pakistan rejects the accord with the Indian government.

1988- The two countries sign an agreement that neither side will attack the other's nuclear installations or facilities. Both sides agree to share information on the latitudes and longitudes of all nuclear installations. This agreement is later ratified, and the two countries share information on January 1 each year since then.

1989- Armed resistance to Indian rule in the Kashmir Valley begins. Muslim political parties, after accusing the state government of rigging the 1987 state legislative elections, form activist wings.

1991 - The two countries sign agreements on providing advance notification of military exercises, manoeuvres and troop movements, as well as on preventing airspace violations and establishing overflight.

1992- A joint declaration prohibiting the use of chemical weapons is signed in New Delhi.

1996- Following a series of clashes, military officers from both countries meet at the LoC in order to erase tensions.

1998- India detonates five nuclear device at Pokhran. Pakistan responds by detonating six nuclear devices of its own in the Chaghai Hills. The tests result in international sanctions being placed on both countries. In the same year, both countries carry out tests of long-range missiles.

1999- It is most commonly known the Kargil War. The Pakistani troops infiltrated across the Line of Control and occupied Indian territory at Kargil district of Kashmir. India not just launched a military response but also went diplomatically after Pakistan. It was within two months of infiltration that the ridges occupied by them were taken were taken back by India. There were fear of large-scale military escalation which then forced the US to pressurized Pakistan to withdraw. Pakistan faced an international isolation pressure which also could be harmful for its already sinking economy.

Many units of the Northern Light infantry of Pakistan had also suffered heavy casualties. Nawaz Sharif informed later to the international media, that more than 4,000 Pakistani troops were killed in the operation and that Pakistan had lost the conflict. This was one of the major defects of Pakistan. Later many conflicts have been reported on the border. India has always been following its no attack first policy and only responds to cross border terrorism. Since long there have been many military standoffs like Uri strike by Pakistan and response of surgical strike by India.

Indian Prime Minister Atal Bihari Vajpayee meets with Nawaz Sharif, his Pakistani counterpart, in Lahore. The two sign the Lahore Declaration, the first major agreement between the two countries since the 1972 Shimla Accord, and agree to undertake a number of 'Confidence Building Measures' (CBMs).

In October 1999, General Pervez Musharraf, the Pakistani chief of army staff, leads a military coup, deposing Nawaz Sharif, the then Prime Minister, and installing himself as the head of the government.

2001- Tensions along the Line of Control remain high, with 38 people killed in an attackon the Kashmiri assembly in Srinagar. Following that attack, Farooq Abdullah,the chief minister of Indian-adminstered Kashmir, calls on the Indian government to launch a full-scale military operation against alleged training camps in Pakistan.

2002- President Musharraf pledges that Pakistan will combat extremism on its own soil,but affirms that the country has a right to Kashmir.

2003- After Musharraf calls for a ceasefire along the LoC during a UN General Assembly meeting in September, the two countries reach an agreement to cool tensions and cease hostilities across the de facto border.

2004- Vajpayee and Musharraf hold direct talks at the 12th SAARC summit in Islamabad in January, and the two countries foreign secretaries meet later in the year. This year marks the beginning of the Composite Dialogue Process, in which bilateral meetings are held between officials at various levels of Government ( including foreign ministers, foreign secretaries, military officers, border security officilas, anti-narcotics and nuclear experts.

2007-On February 18, the train service between India and Pakistan (the Samjhauta Express) is bombed near Panipat,north of New Delhi. Sixty-eight people are killed, and dozens injured.

2008- On November26, armed gunmen open fire on civilians at several sites in Mumbai, India. The attacks on the Taj Mahal Palace& Tower, the Oberoi Trident Hotel, the Chhatrapati Shivaji Terminus, Leopold Café, Cama Hospital, Nariman House Jewish community centre, Metro Cinema, St

Xavier's College and in a lane near the Times of India office, prompt an almost three-day siege of the Taj. More than 160 people are killed in the attacks . Ajmal Kasab,the only attacker captured alive. In the wake of the attacks, India breaks off talks with Pakistan.

2009- The Pakistani government admits that the Mumbai attacks may have been partly planned on Pakistani soil, while vigorously denying allegations that the plotters were sanctioned or aided by Pakistan's intelligence agencies. In August, India give Pakistan a new dossier of evidence regarding the Mumbai attacks,asking it to prosecute Hafiz Mohammad Saeed, the head of Jamaat-ud-Dawa, an Islamic charity with ties to Lashkar -e-Taiba.

2012- In November, India executes Pakistani national Kasab, the lone survivor of a fighter squad that killed 166 people in a rampage through the financial capital Mumbai in 2008, hanging him just days before the fourth anniversary of the attack.

2013- In January, India and Pakistan trade accusations of violating the ceasefire in Kashmir, with Islamabad accusing Indian troops of a cross-border raid that killed a soldier and India charging that Pakistani shelling destroyed a home on its side.

2014- On February 12, India and Pakistan agree to release trucks held in their respective territories, ending a three-week impasse triggered by the seizure of a truck in India-administered Kashmir coming from across the de facto Line of Control for allegedly carrying brown sugar. On May 25, Pakistan releases 151 Indian fishermen from its jails in a goodwill ahead of the swearing in ceremony of Narendra

Modi as prime Minister. On May 27,Indian Prime Minister Narendra Modi holds talks with Pakistan's Prime Minister Nawaz Sharif in New Delhi. Both sides express willingness to begin a new era of bilateral relations.

2015- Modi makes a surprise visit to the Pakistani eastern city of Lahore on Sharif's birthday and the wedding of his grand- daughter.

2016- India launches what it calls "surgical strikes" on "terrorist units" in Pakistan-administered Kashmir in September, less than two weeks after an attack on an Indian army base leaves 19 soldiers dead. Pakistan denies the attacks took place. In November, seven Indian soldiers are killed after rebels disguised as policemen storm a major army base near the frontier with Pakistan.

2019- In the early hours of February 26, India conducts air attacks against what it calls Pakistan- based rebel group Jaish-e-Mohammad(JeM)'s biggest training camp", killing "a very large number of terrorists".

In the bilateral brief between India and Pakistan (February 2020). India stands by its " Neighbourhood First Policy" and desires normal relations with Pakistan in an environment which is free of terror and violence.

**India and China**

❑ On 1 April, 1950, India became the first non-socialist bloc country to establish diplomatic relations with the People's Republic of China. Prime Minister Nehru visited China in October 1954. Though the border conflict in 1962 was a setback to ties, Prime Minister Rajiv Gandhi's landmark visit in 1988 marked the beginning of improvement in bilateral relations. In 1993, the signing of an Agreement on the

Maintenance of Peace and Tranquility along the Line of Actual Control on the India-China Border Areas during Prime Minister Narasimha Rao's visit reflected the growing stability in bilateral ties. This was followed by signing of the 'Confidence-Building Measures in the Military Field along the Line of Actual Control in the India-China Border Areas' in 1996.

❑ The cumulative outcomes of various bilateral high-level visits have added value and substance to bilateral ties. During Prime Minister Atal Bihari Vajpayee's visit in 2003, India and China signed the Declaration on Principles for Relations and Comprehensive Cooperation and also mutually decided to appoint Special Representatives (SRS) to explore the framework of a boundary settlement. During the April 2005 visit of Premier Wen Jiabao, the two sides established a Strategic and Cooperative Partnership for Peace and Prosperity. The bilateral high-level visits continued with President Hu Jintao visiting India in 2006, followed by Premier Wen Jiabao's visit in 2010. PM Dr. Manmohan Singh visited China in 2008 and 2013.

❑ India-China bilateral relations have expanded and become diversified in the past decade. During the visit of President Xi Jinping to India in September 2014, the two sides redefined the bilateral engagement as Closer Developmental Partnership. In addition, a total of 16 agreements were signed in various sectors including, commerce & trade, railways, space- cooperation, pharmaceuticals, establishment of industrial parks, and sister-city arrangements. The two sides also signed a MoU to open the Nathu La route for Kailash Mansarovar Yatra.

❑ Prime Minister Narendra Modi visited China in May 2015 and held meetings with President Xi Jinping and Premier Li Keqiang. During the visit, Prime Minister Modi and Premier Li Keqiang also addressed the opening session of the First State/Provincial Leaders' Forum in Beijing. 24 agreements were signed on the government-to-government side, 26 MoUs on the business-to- business side and two joint statements, including one on climate change.

❑ President Pranab Mukherjee made a state visit to China in May 2016. He visited Guangdong and Beijing where he met with the Chinese leadership. During the visit, ten MoUs in the field of education and research were concluded.

❑ In April 2018 Prime Minister Modi and President Xi held the first Informal Summit in Wuhan to exchange views on overarching issues of bilateral and global importance and elaborated upon their respective visions and priorities for national development. The two leaders agreed to significantly enhance efforts to build on the convergences through the established mechanisms in order to create the broadest possible platform for the relationship. The dialogue helped in forging a common understanding of the future direction of India-China relations built upon mutual respect for each other's developmental aspirations and prudent management of differences with mutual sensitivity.

❑ The Second Informal Summit between Prime Minister Modi and President Xi held in Chennai on 11-12 October 2019. The Summit discussed ways to further deepen India-China bilateral interaction. The Summit recognized that India and China were factors for stability in the current international landscape and that both sides should properly manage their

differences and not allow them to become disputes.

❑ The two leaders also visited each other's countries to attend various multilateral summits. Prime Minister Modi visited China to participate in the G20 Summit in Hangzhou (Sept 2016), BRICS Summit in Xiamen (Sept 2017) and SCO Summit in Qingdao (June 2018). President Xi visited India in October 2016 to participate in the BRICS Summit in Goa. Prime Minister Modi and President Xi met on the sidelines of the SCO Leaders' Summit in Bishkek on 13 June 2019, which was their first meeting after the re-election of Prime Minister Modi. They also met on the sidelines of the 14th G- 20 Summit in Osaka on 30 June 2019 and at the 11th BRICS Summit in Brasilia on 13 November 2019.

❑ Bilateral relations have been adversely impacted by the continuing situation because of the incidents along the Line of Actual Control (LAC) in Eastern Ladakh in April-May 2020

**Other high-level visits and mechanisms**

❑ India and China have more than thirty dialogue mechanisms at various levels, covering bilateral political, economic, cultural, people-to-people, consular matters as well as dialogues on regional and global issues. Frequency of meetings of these mechanisms got impacted because of the current status of bilateral relations as well as strict travel restrictions imposed by the Chinese side on account of China's COVID-19 policy.

The Foreign Ministers have been meeting including on the sidelines of multilateral events. Foreign Minister Wang Yi visited Delhi in the capacity of Special Envoy of the President in June 2014, when he called on PM Modi and had bilateral

discussions with EAM. He also visited Goa and Delhi in August 2016, where he had separate meetings with Chief Minister and Governor of Goa, EAM and also called-on the Prime Minister. He also took part in the RIC Foreign Ministers Meeting in December 2017 in New Delhi. During this visit, Wang Yi had also called-on the Hon'ble President, and held bilateral meetings with EAM and NSA. Foreign Minister Wang Yi again visited India from 21-24 December 2018 to lead a multi-ministry delegation for the inaugural meeting of the High-Level Mechanism (HLM) on Cultural and People-to-People Exchanges, an important outcome of the Wuhan Summit. During the visit, he also had meetings with NSA and Maharastra Chief Minister, Devendra Fadnavis, and also called on President Ram Nath Kovind. On 25 March 2022, Chinese Foreign Minister Wang Yi visited India and held meetings with EAM and NSA.

❑ EAM Smt. Sushma Swaraj visited Beijing in February 2015 for the Russia-India-China (RIC) Foreign Ministers' meeting. In April 2018, EAM visited Beijing for the SCO Council of Foreign Ministers, when she also called on Vice President Wang Qishan, and in February 2019 she participated in the RIC Foreign Ministers' Meeting in Wuzhen. She also had bilateral meetings with Foreign Minister Wang Yi during these visits. EAM Dr. S. Jaishankar paid an official visit to China from 11 to 13 August 2019, during which he held a bilateral meeting and co-chaired the 2nd meeting of the India-China High-level Mechanism (HLM) on Cultural and People-to-People Exchanges with Chinese Foreign Minister Mr. Wang Yi in Beijing. Five MOUS on cooperation in the fields of sports, culture, museums and traditional medicine, as well as

on exchanges between the two Foreign Ministries were signed during the visit. During the visit, EAM also met with the Vice President of China Mr. Wang Qishan. Recently, both Foreign Ministers met on the sidelines of the SCO Foreign Ministers' Meetings in Moscow (10 September 2020), Dushanbe (14 July 2021 and 16 September 2021), and on the sidelines of G-20 in Bali.

Following establishment of the mechanism of Special Representatives (SR) on the India-China Boundary Question in 2003, 22 rounds of talks have been held. The 22nd round of talks between Mr. Ajit Doval, National Security Advisor and Mr. Wang Yi, Foreign Minister & State Councillor was held in New Delhi on 21 December 2019. An Agreement on the Establishment of a Working Mechanism for Consultation and Coordination on India-China Border Affairs (WMCC) was signed during the 15th Round of SR talks in New Delhi in January 2012. Since June 2020, the two sides have been engaged in discussions through the WMCC and Senior Commander's Meeting (SCM) for disengagement in the border areas along the LAC in Eastern Ladakh. The WMCC has held 25 meetings, with the latest one held on 14 October 2022. 17 rounds of Senior Commanders' Meeting (SCM) mechanism have been held so far. This process has led to successful disengagement at several friction points. Diplomatic and military discussions to achieve complete disengagement in all friction areas are ongoing.

Following establishment of the mechanism of Special Representatives (SR) on the India-China Boundary Question in 2003, 22 rounds of talks have been held. The 22nd round of talks between Mr. Ajit Doval, National Security Advisor

and Mr. Wang Yi, Foreign Minister & State Councillor was held in New Delhi on 21 December 2019. An Agreement on the Establishment of a Working Mechanism for Consultation and Coordination on India-China Border Affairs (WMCC) was signed during the 15th Round of SR talks in New Delhi in January 2012. Since June 2020, the two sides have been engaged in discussions through the WMCC and Senior Commander's Meeting (SCM) for disengagement in the border areas along the LAC in Eastern Ladakh. The WMCC has held 25 meetings, with the latest one held on 14 October 2022. 17 rounds of Senior Commanders' Meeting (SCM) mechanism have been held so far. This process has led to successful disengagement at several friction points. Diplomatic and military discussions to achieve complete disengagement in all friction areas are ongoing.

❑ The 1st reconstituted Strategic Dialogue between the then Foreign Secretary, Dr. S Jaishankar and the Chinese Executive Vice Foreign Minister Mr. Zhang Yesui was held in February 2017. Foreign Secretary Vijay Gokhale and Vice Foreign Minister Mr. Kong Xuanyou have met in Beijing in February 2018, in New Delhi in April and June 2018, and again in April 2019 in Beijing, as part ofregular diplomatic consultations.

India and China have also had exchanges in the field of defence. The then Raksha Mantri (RM) Smt. Nirmala Sitharaman paid a visit to Beijing in April 2018 for the SCO Defense Minister's meeting. During the visit, she also held bilateral meeting with Chinese Defense Minister Wei Fenghe. Chinese Defense Minister Wei Fenghe paid an official visit to India in August 2018 and held discussions with the then RM.

The two Defence Ministers also met on the sidelines of the SCO Defence Ministers Meeting in Moscow on 04 September 2020.

The 9th India-China Annual Defence and Security Dialogue (ADSD) was held in Beijing on 13 November 2018. The dialogue was co- chaired by the Defence Secretary of India and the Deputy Chief of Joint Staff Department of Central Military Commission of China. Two Chinese naval ships participated in the International Fleet Review conducted at Visakhapatnam in February 2016. Two Indian naval ships, the INS Kolkata and the INS Shakti took part in the International Fleet Review in Qingdao, Shandong in April 2019, held as part of the 70th anniversary celebrations of the People's Liberation Army (PLA) Navy. The 8th edition of India-China Joint Training Exercise (Hand-in-Hand 2019) was held from 06 to 20 December 2019 at Umroi in Meghalaya, wherein 130 soldiers from both sides jointly conducted Counter-Terrorism and Humanitarian Assistance and Disaster Relief exercise. A delegation of the Indian Army , led by General Officer Commanding in Chief, Northern Command, Lt. Gen Ranbir Singh, visited China on an official engagement from 7-10 January 2020.

India and China also have a High-Level Dialogue Mechanism on Counter Terrorism and Security, led by Chairman (JIC) on the Indian side and the Secretary General of the Central Political and Legal Affairs Commission of the Chinese Communist Party on the Chinese side. The mechanism first met in Beijing in September 2016. Minister of Public Security, Mr. Zhao Kezhi also visited India in October 2018 and co-chaired the first India-China High Level Meeting on

Bilateral Security Cooperation with Home Minister Shri Rajnath Singh. An MOU on cooperation in security and law enforcement was also signed.

Furthering interaction between scholars, academicians, experts and strategic thinkers on both sides, the 4th India-China Think Tank Forum was held from 28-29 November 2019. A 15-member delegation led by Director General of the Indian Council of World Affairs (ICWA) Ambassador T.C.A. Raghavan visited China to participate in the forum, which was co-organized by ICWA and the Chinese Academy of Social Sciences (CASS). The 8th ICWA- Chinese People's Institute of Foreign Affairs (CPIFA) Dialogue was also held on 16 November 2022 in virtual format.

Both India and China have maintained regular exchanges on cooperation in the field of water resources. During the visit of the President of the People's Republic of China to India in November 2006, it was agreed to set up an Expert-Level Mechanism to discuss interaction and cooperation on provision of flood season hydrological data, emergency management and other issues regarding trans-border Rivers as agreed between them. Accordingly, the two sides have set up the Joint Expert Level Mechanism through a Joint Declaration by both the countries. The ELM meetings are held alternately in India and China every year. Thirteen meetings of ELM have been held so far (twelve meetings held physically, alternatively in India and China). The 13th meeting of ELM was held on 18th May 2022 through virtual format

**India and Bangladesh**

India and Bangladesh

Three sides of Bangladesh's land border are shared with

India, and one side runs along the Bay of Bengal. India and Bangladesh share 4096.7 km. of border, which is the longest land boundary that India shares with any of its neighbours.

India was the first country to recognize Bangladesh as a separate and independent state and established diplomatic relations with the country immediately after its independence in December 1971 as a friendly South Asian neighbour.

Bangladesh occupies a key place in India's Neighbourhood First policy. India's links with Bangladesh are civilisational, cultural, social and economic. There is much that unites the two countries- a shared history and common heritage, linguistic and cultural ties, passion for music, literature and the arts. Also, Rabindranath Tagore, created the National Anthems of both India and Bangladesh.

However, there still remain major issues such as river water disputes (Teesta River water sharing), aiding illegal immigrants, and drug trades remain between India and Bangladesh, that must be addressed.

**How is India's Relation with Bangladesh ?**

■ Economic Ties: The geographical proximity of India to Bangladesh has made it one of its biggest trading partners. Bangladesh is the 6th largest trade partner of India.

❑ India has provided duty free quota free access to Bangladesh on all tariff lines except tobacco and alcohol under South Asian Free Trade Area (SAFTA) since 2011.

The bilateral trade between two countries has jumped to USD 18.2 billion in 2021-22 as compared to USD 10.8 billion in 2020-21.

❑ 6 Border Haats (4 in Meghalaya and 2 in Tripura), have been approved by the Indian and Bangladesh governments.

■ Sharing of River Waters: India and Bangladesh share 54 common rivers. The Ganga Waters Treaty signed in 1996 for sharing of waters of river Ganga during lean season (January 1-May 31).

❑ Most recently, the Kushiyara Pact was signed that will benefit people in Southern Assam and the Sylhet region in Bangladesh. Connectivity: India and Bangladesh share 4096.7 Km. of border, which touches Assam, Tripura, Mizoram,

Meghalaya and West Bengal. Transit and trade through inland waterways have been governed by a long standing and time-tested protocol between Bangladesh and India.

Agartala-Akhaura Rail-Link will be the first rail route between Northeast India and Bangladesh.

■ Power and Energy Sector Cooperation: Energy sector cooperation between India and Bangladesh has also seen considerable progress in the last few years.

❑ The India-Bangladesh Friendship Pipeline Project, signed in 2018, will connect Siliguri in West Bengal in India and Parbatipur in Dinajpur district of Bangladesh.

■ India and Bangladesh have also signed the the Hydrocarbon Sector.

Framework of Understanding (FOU) on Cooperation in

■ Tourism: According to the Ministry of Tourism, Bangladesh accounted for the largest share of foreign tourist arrivals in India in 2020, including tens of thousands of people who come to the country for medical treatment.

**Major Issues**

Teesta River Water Dispute: Teesta river flows from India to the Bay of Bengal through Bangladesh. Almost half a

dozen districts in West Bengal are dependent on this river. It is also a major source of irrigation to the paddy growing greater Rangpur region of Bangladesh.

❑ Bangladesh complains that it does not get a fair share of the water. Since water is a state subject in India, the bottleneck lies in the non-consensus between the state government of Bengal and central government

■ Meanwhile, no treaty has been signed yet to resolve the Teesta water-sharing dispute between the two nations.

Illegal Migration: Illegal immigration from Bangladesh to India, which includes both refugees and economic migrants, continues unabated.

❑ Large influx of such migrants across the boundary has posed serious socio-economic-political problems for the people of Indian states bordering Bangladesh with serious implications for its resources and national security.

❑ The issue was further complicated when the Rohingya refugees originally from Myanmar started infiltrating into India through Bangladesh

■ Also, the National Register of Citizens (NRC), that is expected to deter future migrants from Bangladesh from entering India illegally has also triggered a major concern in Bangladesh.

■ Drug Smuggling & Trafficking: There have been many incidences of cross border drug smuggling & trafficking. Humans (especially children & women) are trafficked & various animal & bird species are poached through these borders.

■ Terrorism: The borders are susceptible to terrorist infiltration. A number of outfits are trying to spread their

tentacles across India, such as Jamaat-ul Mujahideen Bangladesh (JMB).

■ JMB is listed as a terror group by Bangladesh, India, Malaysia and the United Kingdom.

❑ Recently, The National Investigation Agency has filed a charge-sheet against 6 members of the JMB in a special court in Bhopal.

■ Growing Chinese Influence in Bangladesh: At present, Bangladesh is an active partner in the Belt and Road Initiative (BRI) (India is not a part of BRI).

**India and Nepal**

**2.2. INDIA-NEPAL**

India-Nepal overview

India and Nepal share unique ties of friendship and cooperation characterized by an open border and deep-rooted people-to- people contacts of kinship and culture.

India and Nepal have recently unveiled several initiatives and agreements during the visit of the Prime Minister of Nepal to India.

Nepal shares a border of over 1850 km with five Indian states-

Sikkim, West Bengal, Bihar, Uttar Pradesh, and Uttarakhand.

The India-Nepal Treaty of Peace and Friendship of 1950 forms the bedrock of the special relations that exist between India and  Nepal

Nepal.

Importance of Nepal for India

❑ Strategic location of Nepal as it acts as a natural security buffer between India and China.

India's internal security: The harmonious relations between the two countries is necessary to curb terrorism and Maoism.

Security of india and aided development projects such as cross border railways, Pacheshwar multipurpose project, bridges over Mahakali river etc.

Flood water management and development of hydropower.

People to people connect and empowerment of Madhesis

(residents of Terai region in at the foothill of the Himalayas on the border with India in Bihar) to avoid political spillovers on India.

■ Various MoUs were signed for-

Development of Dodhara Chandani check post along India-Nepal Border,

Development of Phukot- Karnali Hydroelectric project

Cross Border Payments

Laying the 2nd cross-border petroleum pipeline between Siliguri in India and Jhapa in Nepal.

Extension of Motihari-Amlekhganj pipeline to Chitwan.

Power sector- India agreed to the first trilateral power trade from Nepal to Bnagladesh through India for up to 40 megawatts of power.

TREATY OF TRANSIT- Revised treaty of transit that would provide Nepal access to inland waterways of India.

❑ Hydropower cooperation: Project Development Agreement of Lower Arun Hydroelectric Project

■ Connectivity:

Line of credit of $680 million by India to fund three

major transmission corridors in Nepal -Bheri Corridor, ? Nijgadh-Inaruwa Corridor and Gandak-Nepalgunj corridor.

India to fund and build two additional bridges across the Mahakali River.

Inaugural run of the cross-border freight rail operations between Bathnaha in India and Nepal custom yard on the Jogbani-Biratnagar rail link.

Handing over of Kurtha-Bijalpura rail section of the Jaynagar-Kurtha passenger rail link to Nepal.

Major areas of engagement between India and Nepal

■ Economic cooperation: India is the largest trading partner of Nepal and highest source of FDI. Bilateral trade crossed US$ 7 billion in FY 2019-20.

Connectivity and Development Partnership: India has been assisting Nepal in development of border infrastructure through upgradation of roads, development of cross-border rail links and increasing the overall economic assistance.

■ Multilateral Co-operation: Such as BBIN (Bangladesh, Bhutan, India, and Nepal), BIMSTEC (Bay of Bengal Initiative for Multi-Sectoral Technical and Economic Cooperation), Non-Aligned Movement, and SAARC etc.

■ Defence Cooperation: India assists in modernizing Nepal Army through equipment supply and training. Recruitment of Nepalese soldiers in Gorkha regiments of the Indian Army. Joint military exercises (e.g., Surya Kiran) and disaster assistance.

■ Energy Cooperation: India and Nepal have a Power Exchange Agreement since 1971 for meeting the power requirements in the border areas.

❑ South Asia's first cross-border petroleum products

pipeline, constructed and funded by Indian Oil Corporation Ltd., connecting Motihari in India to Amlekhgunj in Nepal was inaugurated in 2019.

■ Hydropower cooperation: India and Nepal recently signed an MOU to develop the West Seti and Seti River (SR6) projects (1,200 MW) and also agreed to take forward the Sapta Kosi high dam project on Kosi river.

❑ West Seti River is a tributary of Karnali River located in the far western region of Nepal. o Other projects include Mahakali Treaty (6,480 MW), the Upper Karnali Project (900 MW) and the Arun - III projects (900 MW) in western and eastern Nepal, respectively.

Culture: Swami Vivekananda Centre for Indian Culture was set up in Kathmandu to showcase the best of Indian culture. India International Centre for Buddhist Culture and Heritage was inaugurated in Lumbini, Nepal.

**India and Sri Lanka**

The Tamil National Alliance (TNA), the largest parliamentary grouping of Tamil parties in Sri Lanka has rejected the Sri Lankan President's offer to implement the 13th Amendment of the Sri Lankan Constitution without police powers.

■ This rejection by the TNA assumes significance before the President's scheduled visit to India, as India has consistently emphasized the "full implementation" of this legislation, which is vital for addressing the historic demand of Sri Lankan Tamils for self-determination.

**About:**

The 13th Amendment was enacted after the Indo-Lanka Accord of 1987, and it remains the only legislative

guarantee of power devolution to the provinces.

Indo-Lanka Accord 1987 was signed by the then Prime Minister Rajiv Gandhi and President J.R. Jayawardene, to resolve Sri Lanka's ethnic conflict that had aggravated into a full-fledged civil war, between the armed forces and the Liberation Tigers of Tamil Eelam, which led the struggle for Tamils' self-determination and sought a separate state.

The 13th Amendment, which led to the creation of Provincial Councils, assured a power sharing arrangement to enable all nine provinces in the country, including Sinhala majority areas, to self- govern.

❑ Subjects such as education, health, agriculture, housing, land and police are devolved to the provincial administrations, but because of restrictions on financial powers and overriding powers given to President, the provincial administrations have not made much headway.

■ However, successive governments in Sri Lanka have refused to grant land and police powers to the provinces, leading to unresolved issues since the civil war ended 14 years ago.

■ President's Proposal and TNA's Response:

■ The Sri Lankan President presented a comprehensive dossier to Tamil political parties, outlining plans for truth-seeking,reconciliation, accountability, development, and power devolution.

The proposal included implementing the 13th Amendment, except for police powers, and empowering provincial councils through various Bills.

❑ However, the TNA rejected the proposal, calling it a "hollow promise," citing a lack of political will to genuinely

devolve power, as provincial councils have been defuncting for five years without elections.

❑ The Tamil National People's Front and civil society leaders expressed concerns to the Indian Prime Minister, urging a federal solution due to limitations of the 13th Amendment under a unitary constitution.

**About:**

■ India and Sri Lanka are two South Asian nations situated in the Indian Ocean region. Geographically, Sri Lanka is located just off the southern coast of India, separated by the Palk Strait.

This proximity has played a significant role in shaping the relationship between the two countries.

❑ The Indian Ocean is a strategically important waterway for trade and military operations, and Sri Lanka's location at the crossroads of major shipping lanes makes it a critical point of control for India.

**Relations:**

❑ Historical Ties: India and Sri Lanka have a long history of cultural, religious, and trade ties dating back to ancient times.

❑ There are strong cultural ties between the two countries, with many Sri Lankans tracing their heritage to India. Buddhism, which originated in India, is also an important religion in Sri Lanka.

❑ Economic ties: India is Sri Lanka's third largest export destination, after the US and UK. More than 60% of Sri Lanka's exports enjoy the benefits of the India-Sri Lanka Free Trade Agreement. India is also a major investor in Sri Lanka.

Foreign Direct Investment (FDI) from India amounted to around USD 1.7 billion over the years from 2005 to 2019.

❑ Defence: India and Sri Lanka conduct joint Military (Mitra Shakti) and Naval exercise (SLINEX).

❑ Participation in Groupings: Sri Lanka is also a member of groupings like BIMSTEC (Bay of Bengal Initiative for Multi-Sectoral Technical and Economic Cooperation) and SAARC in which India plays a leading role.

**References:-**


❑ Internet

❑ Vision ias

❑ Drishti ias

❑ The indian express

❑ International Relations - Prakash Chander and Prem Arora. ■

# মা

**মনোমতি বৰা বৰুৱা**
প্ৰাক্তন ছাত্ৰী

(১)

দীৰ্ঘদিন পাৰকিনচন ৰোগত ভুগি থকা অলকাৰ মাকৰ মৃত্যু হ'ল। ঘৰৰ-পৰৰ বেছিভাগ মানুহেই স্বস্তিৰ নিশ্বাস এৰিলে। অলকাৰ বাহিৰে। কম খন আহুকাল নে এনে ৰোগীক চম্ভালি থকা। কিন্তু মাকৰ মৃত্যুৰ পাছতহে অলকাই অনুভৱ কৰিলে মাকৰ অবিহনে তাই আন কাৰো আগত সহজ হ'ব নোৱাৰে। লাহে লাহে এই অনুভৱটো গায় হ'বলৈ ধৰিলে। মাকৰ অবিহনে অলকাক ভাল পোৱা, বুজি পোৱা মানুহ এই পৃথিৱীত নায়েই। যেতিয়াই তেতিয়াই অলকাই মাকক বিচাৰি থকা হ'ল। অলকা লাহে লাহে জীয়া মানুহৰ মানুহৰ মাজৰ পৰা আঁতৰি থকা হ'ল। মাক সদায় আহে তাইৰ কাষলৈ। কেতিয়াবা চুলি আঁচুৰি দিয়ে। কেতিয়াবা আবেলি বাৰাণ্ডাত বহি গল্প কৰি একেলগে চাহ একাষে খায়। এদিন হঠাতে মাক অলকাৰ কাষলৈ নহা হ'ল।

এদিন, দুদিন, তিনিদিন। অলকা অধীৰ হৈ পৰিল। তাই চটফটাই উঠিল। মাক কিয় নাহে তাইৰ কাষলৈ। তাইৰ যে ইমান কথা আছে মাকক ক'বলৈ।

এদিন ৰাতি অলকাৰ মাক তাইৰ সপোনত আহিল। আহি ক'লে— মই আৰু এনেকৈ নাহো দে তোৰ ওচৰলৈ। মই ইতিমধ্যে এই পৃথিৱীত জন্ম লৈছোঁ।

(২)

সৰু ল'ৰাটো সদায় ৰেলৰ চিৰিত বহি থাকেহি। কোমল মুখৰ লেতেৰা হাত-ভৰি। পিঠিত প্লাষ্টিকৰ লেতেৰা বস্তা। হয়তো পেলনীয়া বস্তু বিচাৰি ফুৰে। তাৰ মাজতো নিৰ্দিষ্ট সময়ত সি সদায় ৰেলৰ চিৰিত বহি থাকেহি।

কাষৰ-পাজৰৰ মানুহবোৰে তাক চিৰিত বহি থকাৰে পৰা খেদাব লগা হয়। অন্যমনস্ক হৈ ল'ৰাটোৱে ক'ৰবালৈ সি ৰ'দ লাগি চাই থাকে। মাত-বোল নকৰে লগত খেলিবলৈও নাহে। সি থিক সেইখিনিতে বহি থাকে। তাৰ ব্যৱহাৰত কৌতুহলী হৈ এদিন ৰেলৰ বাবে ৰৈ থকা যাত্ৰী এজনে তাক কাষলৈ মাতি আনি সুধিলে — এইখিনিতে কিয় বহি থাক' তই? মায়ে এইখিনিতে বহি থাকিবলৈ কৈছিল।

ঃ মই, ক'ত তোৰ?

ঃ মা, ৰেলত উঠি গুছি গৈছে?

ঃ কিমান দিন হক্সল ?

ঃ বহুত দিন হক্সল। মা আহিব। সেইকাৰণে ... ■

অনুগল্প

# অব্যক্ত

**উৰ্মিমা তামুলী**
প্ৰাক্তন ছাত্ৰী

ঔ আই ... এইজনীক কথা এটা সুধিব নোৱাৰি অ' একেবাৰে জুই দিলেও নোপোৰা মুখ পাই। ভালক বুলি কথা এষাৰ সুধিম, তাইৰ আকৌ ফুটনিটো চা, এই অহংকাৰ ভাললৈ নহয় দেই। .... কথাখিনি অলপ আনে শুনাকৈ উচ্চস্বৰে কৈ কৈ সেমসেমিয়া হৈ পৰা মানুহজনলৈ চাই তাইৰ মুখত হাঁহি বিৰিঙিল। কালচক্ৰত পৰি বগা সাজেৰে মেৰিয়াব লগা হোৱা তাইৰ এই শৰীৰটো এই চোকা মুখখনৰ বাবেইতো বাচি আছে। নহ'লে তাইৰ মনৰ কথানো কোনে বুজিব? মুখাৰ আঁৰৰ মুখবোৰ চিনাকী হৈ পৰিছে তাইৰ বাবে। সেয়ে গাঁওখনতে সকলোতকৈ ভদ্ৰ অমায়িক বুলি পৰিচয় থকা গাঁওবুঢ়াই ৰাতি কিমান দিন আহি তাইৰ বাঁহৰ দুৱাৰত হেঁচুকি হেঁচুকি দিয়া অস্পষ্ট ফুচ্ ফুচনিবোৰে তাইক আৰু দুগুণ সাহসী হ'বলৈ বাধ্য কৰাইছে। ■

**গল্প**

# ন্যায়

**পিংকী কোঁৱৰ**
প্ৰাক্তন ছাত্ৰী

এটা স্থায়ী সংস্থাপন, ৰিয়াৰ বাবে এতিয়া এইটোৱে ডাঙৰ চিন্তা? কেতিয়া হ'ব তাইৰো এটা ভাল চাকৰি, কেতিয়া পাৰিব তাই মাক-দেউতাকৰ সপোনবোৰ পূৰণ কৰিব। বহুত পৰীক্ষা দিছে কিন্তু চেষ্টা কৰিও বাৰে বাৰে হাৰি গৈছে... কিমান দিননো টিউচন কৰাৰ পইচাৰে ঘৰখন চলাব পাৰিব। সেয়ে মাজে মাজে অশান্তিত থাকে, নিজৰ ওপৰতে খং উঠে তাইৰ... কিয় বাৰু পৰা নাই তাই আগবাঢ়িবঙ্গ 'কিয় বাৰু এতিয়ালৈ এটা চাকৰি ল'ব পৰা নাই, এনেবোৰ কথা ভাবি থাকোতেই ৰিয়াৰ ঘৰৰ সন্মুখত এখন গাড়ী ৰ'লহি। আৰু দুজন মানুহ জপনা খুলি সোমাই আহিল।

ঃ বাইদেউ এইটো ৰক্তিমৰ ঘৰ হয়নে?

ঃ হয়, পিছে আপোনালোকক চিনি নাপালোঙ্গ

ঃ চিনি নাপাব আমাক, পাৰিলে এবাৰ তাক মাতি দিয়কচোনঙ্গ

ঃ কিন্তু, সি এতিয়া ঘৰত নাই।

ঃ সময় নাই, অতি সোনকালে মাতি দিয়ক তাক।

(ৰক্তিম সোমাই আহে)

ঃ অ' নিলয় তই, আহি পালিহি।

ঃ পালোহি, এতিয়া ব'ল। সকলোবোৰ যোগাৰ কৰি থৈছ নহয়?

ঃ হুম, ব'ল।

ঃ কিন্তু ভাইটি, মই একো বুজা নাই, ক'লৈ যাব তই?

ঃ পাছত বুজি ল'বি, এতিয়া যাওঁ, মাহঁতক চাবি। (ৰিয়াই কি ক'ব ভাবি থাকোতেই ভায়েকহঁত ওলাই গ'ল)

ৰক্তিম ৰিয়াৰ একমাত্ৰ ভায়েক। সৰুৰে পৰা ঘৰৰ সকলোৰে বৰ মৰমত তাক ডাঙৰ কৰিলে, বি.এ পাছ কৰি ঘৰতে আছিল। দিনটো ঘূৰি ফুৰা, শুই থকা বাহিৰে সি একো কৰিব নিবিচাৰে, সেয়ে ঘৰৰ বাবে সিও এক চিন্তা হৈ পৰিছেঙ্গ কি কৰি খাব, কেনেকৈ ভবিষ্যতে চলিব, এইবোৰৰ কাৰণে মাজে মাজে মাকহঁতে গালি শপনিও পাৰি থাকে। কিন্তু হঠাত আজি সিঙ্গ

ঃ মাজনী, ৰক্তিম ক'লৈ গৈছে? গাড়ী এখনত যোৱা দেখিলো (মাকৰ প্ৰশ্নত কি উত্তৰ দিব ভাবি নাপালে তাই)

ঃ কোনোবা লগৰ দুজনৰ লগত ওলাই গৈছে মা।

ঃ বাৰু, এতিয়া দেউতাৰাক গাটো ধুৱাই লওঁগৈ ব'ল । ইমান গৰম পৰিছে।

ঃ ব'লা। মই ভাত কেইটাও ৰান্ধি থৈছো। তোমালোকে খাইও ল'বা।

(দেউতাকক গা ধুৱাই মেলি ৰিয়া টিউচনৰ বাবে ওলাই গ'ল। গৈ থাকোতে বাটতে এজাক মানুহ দেখি তাইও ওচৰলৈ গ'ল, গৈ যি দেখিলে, ৰিয়াৰ মুখৰ মাত হেৰাই গ'ল)

কি ভাবিছিল আৰু কি হৈ গ'ল হঠাৎঙ্গ কি বুলি সান্তনা দিব মাকহঁতক তাই। মনত বহুতো প্ৰশ্ন কোনে, কিয় আৰু কেনেকৈ? মনতে ঠিক কৰিলে যেনেকৈ নহওক তাই আচল দোষীক বিচাৰি উলিয়াবই। এনেতে পেইয়েকে ৰিয়াৰ ৰুমলৈ সোমাই আহে ।

ঃ ৰিয়া আৰু নাকান্দিবি অ', কি কৰিবি ক', এই সকলোবোৰ ঈশ্বৰৰ ইচ্ছা। এতিয়া বাহিৰলৈ ব'ল সময় হ'ল নহয়।

ঃ পেহী, মই নোৱাৰিম পেহী। মই নোৱাৰিম চাব।

ঃ তই এতিয়া এনেকৈ ক'লে বৌক কোনে সান্ত্বনা দিব, ককাইদেউ কথানো কি কম।

ঃ কিয় পেহী, কিয় আমাৰ সৈতে ঈশ্বৰে এই অন্যায় বাৰে বাৰে

কৰিছে, মই আৰু নোৱাৰিছো পেহী।

(পেইয়েকে বুজাই মেলি ৰিয়াক বাহিৰলৈ উলিয়াই আনিলে, সহ্য কৰিব পৰা নাই তাই মাকৰ চকুৰ চকুপানী, চাব পৰা দেউতাকৰ মুখলৈ ... বিভিন্নজনৰ মুখত বিভিন্ন কথা, পুলিচেও বহুত সোধা পোছা কৰিছে সকলোকে, ৰিয়াৰ পুলিচলৈ এটাই অনুৰোধ, ন্যায় লাগিব)

ঃ বাইদেউ, আপোনাক মন কৰি আছিলোঁ, কি ভাবি আছে বাৰুঙ্গ

ঃ নাই, নয়না বহু আগৰ কথা এটাই মনটোক বৰ অশান্তি দি আছে।

ঃ আপুনি চাকৰিত জইন কৰাৰ পৰাই মই আপোনাক প্ৰায় এইদৰেই চিন্তাত থকা দেখো, সেয়ে আজি সুধিলো, যদি ক'ব বিচাৰে কি অসুবিধা হৈছে আপোনাৰ, মোক জনাব পাৰে।

ঃ নয়না, কি নো ক'ম মোৰ চিন্তাৰ কথা তোমাক, এই এবছৰে মই বহুত হেৰুৱালো অ'।

ঃ মাঁনে?

ঃ নয়না, এবছৰ আগতে এটা নিউজ পাইছিলা ছাগে ডুমডুমাৰ হোৱা এটা হত্যাকাণ্ডৰ কথা।

ঃ হয়, শুনিছিলো, কিন্তু আজিলৈকে দোষী চিনাক্ত হ'ল নাই সেয়া গম নাপালো। 'সেয়া মোৰ ভাইটি আছিল নয়না, বহুত যুজিলোঁ অ' মই কিন্তু হাৰি গ'লো, দোষী কোন চিনি পাইও মই একো কৰিব নোৱাৰিলো, মই মোৰ ভাইটিক ন্যায় দিব নোৱাৰিলো। (কান্দি পৰিল ৰিয়া)

ঃ (আচৰিত হৈ) কি কয় বাইদেউ? নাকান্দিবচোন আপুনি, সেয়া আপোনাৰ ভাইটি আছিল মই জনা নাছিলো।

ঃ অ' নয়না, মই নোৱাৰিলো সেই অসুৰবোৰৰ লগত যুঁজিব, আপোন হোৱাৰ অভিনয় কৰি মোৰ ভাইটি জীৱন শেষ কৰি দিলে সিঁহতে। আৰু ভাইটিৰ মৃত্যুৰ দুমাহৰ পাছতেই দেউতাও ঢুকাল, মাও বেমাৰী হ'ল, নোৱাৰিছো আৰু জীৱনৰ সৈতে যুঁজিব।

ঃ আপুনি সাহস নেহেৰুৱাব বাইদেউ। ঈশ্বৰৰ ওপৰত বিশ্বাস ৰাখক। দোষীয়ে শাস্তি পাবই।

ঃ শান্তনা আৰু কিমান দিম এইদৰে নিজক, পুলিচৰ ওপৰতো বিশ্বাস হেৰুৱালো।

ঃ মই এটা কথা কও বাইদেউ, সকলো পুলিচ একেই নহয়, আৰু মই আপোনাক কথা দিছো। এতিয়াৰ পৰা মইও আপোনাৰ সৈতে আছোঁ।

ঃ আজিলৈ যিমান কেইজনৰ পুলিচৰ সৈতে কথা পাতিছো, সকলোৱে প্ৰথমে ন্যায় দিয়াৰ কথা কয়, কিন্তু শেষত একেই ওলাই।

ঃ বাইদেউ মোৰ দেউতা এই বিভাগতে চাকৰি কৰে। ডিগবৈ থানাৰ এচ .আই.। মই দেউতাৰ সৈতে কথা পাতিম আৰু আমি সকলো এক হৈ যুঁজিম। আৰু আপোনাৰ ভাইটিক আমি ন্যায় দিম।

(ৰিয়াই নয়নাৰ কথাত অলপ সকাহ পালে ...অৱশেষত ভায়েকক ন্যায় দিয়াৰ এটা পথ বিচাৰি পালে ... তাই মনতে ভায়েক আৰু দেউতাকৰ আত্মাৰ চিৰশান্তি কামনা কৰিলে) ■

# কেইগৰাকী মান প্ৰাক্তন ছাত্ৰীৰ সৈতে হোৱা বাৰ্তালাপ



**গীতালি মহন্ত,** প্ৰাক্তন ছাত্ৰী

ডিগবৈ মহিলা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী সকলৰ মাজত এখন আলোচনী ওলোৱাৰ কথাটো গম পাইছিলো যদিও মোকো যে তাত কিবা এটা লিখিব কব সেই বিষয়ে মোৰ একেবাৰে ধাৰণা নাছিল। সম্পাদিকা জাহ্নৱী গগৈ য়ে মোক টেলিফ'ন যোগে যোগাযোগ কৰি আলোচনীৰ পাতত থাকিব লগীয়া বিষয় খিনি দিলে। বহু ব্যস্তৰ মাজত ভালকৈ চাবলৈ সময়েই পোৱা নাছিলো। সম্পাদিকাই যেতিয়া আকৌ ফোন কৰিলে বৰ লাজ পালো লগে লগে মোৰ বান্ধৱী জোনালী লৈ ফোন কৰি ক'লো যে সেই বিষয়ৰ ওপৰত যদি নিদো মই প্ৰাক্তন ছাত্ৰী সকলৰ মনৰ কথা দিলে কেনে হয় বুলি সোধাত তাই বৰ ভাল হ'ব বুলি মোক পৰামৰ্শ দিলে। লগে লগেই কামত লাগি গলো। বহু কেইগৰাকী প্ৰাক্তন ছাত্ৰীৰ লগত যোগাযোগ কৰি প্ৰশ্ন কেইটা দিলো। প্ৰায় ভাগেই নিজৰ বহুমূলীয়া সময় খৰচ কৰি মোক সহাৰি জনালে। ভাল লাগিল। বহুতক চিনি পাওঁ বহুতৰ লগত চিনাকি হ'লো। সকলোৰে বহু অভিজ্ঞতা

জানিবলৈ পালো। এই আপাহতে বন্ধু জোনালী আৰু সম্পাদিকা জাহ্নবীক অন্তৰৰ পৰা ধন্যবাদ জনাইছো ইমান সুন্দৰ কাম এটা কৰিবলৈ পোৱাৰ বাবে। আহক চোন প্ৰাক্তন ছাত্ৰী সকলে আমাৰ মহাবিদ্যালয় খনলৈ আগবঢ়োৱা মনৰ ভাৱ আমি পঢ়ি চাওঁ। ■



**নিশাৰাণী দেৱী শৰ্মা,** প্ৰাক্তন ছাত্ৰী

IOCL ত ১৯৯২ যোগদান কৰি বৰ্তমান মই বঙাইগাঁও BOTTLING PLANT ত Senior Operation Officer হিচাপে কৰ্মৰত। পৰিয়ালত দুগৰাকী দুহিতা। ডাঙৰগৰাকী (ইশানী) য়ে বৰ্তমান হাইদৰাবাদ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত ইংৰাজীত Ph. D কৰি আছে। সৰুগৰাকীয়ে (ৰাগিনী) JNU ত ইংৰাজীত স্নাতকোত্তৰ কৰি বৰ্তমান অশোকা বিশ্ববিদ্যালয়ত কাম কৰি আছে।

গীতালি ঃ ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আপুনি কোনটো বৰ্ষৰ ছাত্ৰী আছিল?

নিশাৰাণী ঃ ১৯৮৬ চনৰ।

গীতালী ঃ পঢ়ি থকা কালছোৱাৰ আপোনাৰ যিকোনো এটি স্মৰণীয় ঘটনা উল্লেখ কৰকচোন।

নিশাৰাণী ঃ আমাৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক দ্বিজেন্দ্ৰনাথ শৰ্ম্মা চাৰে মহাবিদ্যালয়ৰ কাৰণে ছাত্ৰী বিচাৰিছিল আৰু আমাৰ ঘৰলৈ আহিছিল আৰু মোৰ কথা কওতে, দেউতাই ক'লেযে - ছোৱালী বিয়া দিবৰ হোৱা নাই, কিয়নো তাই এইবাৰ মেট্ৰিক দিছে হে। ছাৰে খুবকৈ হাঁহিলে আৰু ক'লে মই কলেজত পঢ়িবৰ বাবে বিচাৰিছো।

কলেজখনৰ গাঁথনি আৰু উন্নত কৰিবলৈ আমাৰ শৰ্মা ছাৰে থিয়েটাৰ পাৰ্টি আনিছিল। তাৰবাবে টিকেট বিক্ৰী কৰিবলৈ মানুহৰ ঘৰে ঘৰে গৈছিলোঁ। তাৰবাবে মানুহৰপৰা বহুত কথা শুনিব লগা হৈছিল। আমাৰ কান্দোন ওলাই আহিছিল। তেতিয়া ছাৰে কৈছিল, " ভাল কাম কৰিলে মানুহৰ কথা শুনিবই লাগিব।"

১৯৮৯ বছৰ সাধাৰণ সম্পাদক আছিল শ্ৰীমতী জ্যোতিকা ভৰালী আৰু মই ক্ৰীড়া সম্পাদক। সেই সময়ত এখন আলোচনী উলিয়াবলৈ সিদ্ধান্ত লোৱা হল। তাকেই কথা পাতিবলৈ আমি দুয়োজনী সনেকা প্ৰেছলৈ গলো। যাওঁতে ৰিক্সাৰে গলো, CMH অঞ্চল পাওঁতে হেলনীয়া ৰাস্তা মই কলো আমি নামি খোজকাঢ়ি যাওঁ, তলত গৈ আকৌ উঠিম। জ্যোতিকা কলে নহয় উঠি যাওঁ নামি ভাল লাগিব .. সাহকপূৰ্ণ যাত্ৰা হব আৰু কেনেকুৱা লাগে গম পাম.. সেইহে নামিলোঁ.... ৰাস্তাটোৰ বাওঁহাতে ঘূৰিব লওঁতে ধুৰাডালৰ ওচৰতে ৰিস্কাৰ বাওঁফালৰ চকাটো ভাগি পৰিলে। মই বাওঁফালে বহিছিলোঁ। মই আগত পৰিলোঁ, মোৰ ওপৰত জ্যোতিকা। পৰাৰ শব্দ শুনি "Boy's Summary School" (পূৰ্বৰ বেংগলী প্ৰাথমিক বিদ্যালয়) ৰ ল'ৰাবিলাক ওলাই আহিল। সিহঁতৰ জিৰণীৰ সময় আছিল। আমি তাঁহাতক দেখি ঘৰলৈ দৌৰ মাৰিছিলোঁ মানে বাংল' --৩২০২, (CMH Area) কি দুখ পাইছিলোঁ ক'ব নোৱাৰোঁ। ঘৰ পাইহে গম পালোঁ ক'ত কিমান দুখ পালোঁ। তাৰ পাছত হস্পিতাল পালোগৈ। মুখেদি দুঃসাহসীক যাত্ৰা ওলাই গ'ল।

গীতালি ঃ মহাবিদ্যালয়ৰ তেতিয়াৰ আৰু এতিয়াৰ পৰিবেশৰ মাজত কি কি পাৰ্থক্য দেখিছে?

নিশাৰাণী ঃ হয়, তেতিয়া আৰু এতিয়াৰ মাজত বহুত পাৰ্থক্য আছে। কিয়নো আমি পঢ়োঁতে মহাবিদ্যালয় খনৰ আৰম্ভণি সময়। প্ৰথমতে আমি মলীয়াবাৰী বেংগলী প্ৰাথমিক বিদ্যালয়ত

পাঠ গ্ৰহণ কৰিছিলোঁ। যেতিয়া IOC ( AOD) কলেজৰ কাৰণে মাটি দিলে টিনপাতৰ চালিৰে শ্ৰেণীকোঠা সাজিছিলে। পাছত ভেটি সাজিছিলে। তাতে আমি পাঠ গ্ৰহণ কৰিছিলোঁ। তাতো কিছু আনন্দ আছিল। এতিয়া বহুত উন্নত হ'ল। আৰু উন্নত হওক তাৰে কামনা কৰিলোঁ।

গীতালি ঃ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে আপুনি কেনে পৰামৰ্শ আগবঢ়াব?

নিশাৰাণী ঃ আন্তঃগাঁঠনি আৰু উন্নতি হওক যাতে ছাত্ৰ-ছাত্ৰীয়ে যি বিচাৰে তাকে পাওক আৰু গৱেষণা কৰিবলৈ সুবিধাখিনি পাওক।

ধন্যবাদ নিশাৰাণী দেৱী শৰ্মা। ■



**আইভি বৰুৱা ভট্টাচাৰ্য,** প্ৰাক্তন ছাত্ৰী
বৰ্তমান গুৱাহাটী নিবাসী।

গীতালি ঃ ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আপুনি কোনটো বৰ্ষৰ ছাত্ৰী আছিল?

আইভি ঃ ১৯৮৭ চনত ডিগবৈৰ 'সৌমাৰ বিদ্যাপীঠ' ৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হৈ সেই বছৰতে ডিগবৈ মহিলা মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষত নাম ভৰ্তি কৰোঁ। ১৯৯৩ চনত অসমীয়া বিষয়টি মুখ্য বিষয় হিচাপে লৈ স্নাতক পৰীক্ষাত উত্তীৰ্ণ হওঁ।

গীতালি ঃ পঢ়ি থকা কালছোৱাৰ আপোনাৰ যিকোনো এটি স্মৰণীয় ঘটনা উল্লেখ কৰকচোন।

আইভি ঃ উল্লেখযোগ্য ঘটনা বুলি ক'লে বহুতো কথাই মনত

অগাদেৰা কৰিছে। কাৰণ সকলোৰে বাবে কলেজীয়া দিনবোৰেই বেচ উৎসাহ উদ্দীপনাৰ দিন নহয় জানো? কিমান যে কি ঘটনা নাথাকে। তথাপিও এই মুহূৰ্ত্তত মোৰ মনলৈ এটা কথা বাৰে বাৰে আহিছে যে, মোৰ সম্পাদনাত ডিগবৈ মহিলা মহাবিদ্যালয়ৰ মুখপত্ৰ 'শ্যামলী' দুবাৰকৈ প্ৰকাশ হৈছিল। তাকে ধাৰাবাহিকভাবে। আজিৰ দিনত হোৱা হলে সেয়া একো উল্লেখনীয় কথা নহ'লহেঁতেন। কিন্তু আজিৰ পৰা প্ৰায় উনত্ৰিশ- ত্ৰিশ বছৰ আগত আমাৰ মহাবিদ্যালয়খন আছিল তেনেই চালুকীয়া। বয়সেদি মাথোঁ ছয় সাত বছৰমানহে হ'ব। ছাত্ৰীৰ সংখ্যাও আছিল তেনেই নগণ্য। গতিকে তেনে অৱস্থাত এখন ছপা আলোচনী উলিওৱাটো এটা দুৰূহ কামেই আছিল। বিশেষকৈ আমি আৰ্থিক সংকটৰ মুখামুখি হৈছিলোঁ। অ আৰু এটা কথা সেই সময়ত আমাৰ ছাত্ৰী একতা সভাখন নিৰ্বাচিত হোৱা নাছিল, মনোনীত হে হৈছিল। কাৰণ নিৰ্বাচন পাতিব পৰা পৰিবেশ পৰিস্থিতি তেতিয়াও হৈ উঠা নাছিল। যি কি নহওক আলোচনী সম্পাদনাৰ গুৰু দায়িত্ব লৈয়ে কেইগৰাকীমান সহপাঠী লৈ অৰ্থ সংগ্ৰহৰ কামত নামিলোঁ। অসম তেল গেছ কোম্পেনী আৰু আন আন ব্যৱসায়িক প্ৰতিষ্ঠানৰ পৰা আৰ্থিক অনুদান লাভ কৰিলোঁ বিজ্ঞাপনৰ বিনিময়ত। শ্যামলীৰ দুয়োটা সংখ্যাতে ছাত্ৰীসকলৰ বৌদ্ধিক আৰু মৌলিক চিন্তাবোৰ ফুটি উঠিছিল, চাৰ বাইদেউসকলৰ তত্ত্ব গধুৰ লেখাবোৰে সৌষ্ঠৱ বঢ়াইছিল। আৰু বহুকেইজনৰ অমৰ বাণী বোৰে আমাকো উৎসাহিত কৰিছিল। দুয়োটি সংখ্যাৰ সম্পাদনাৰ কালছোৱাত প্ৰতিটো মুহূৰ্ত্ততে প্ৰতিটো দিশতে বিভিন্ন দিহা পৰামৰ্শ আগবঢ়োৱা শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপক পৰম শ্ৰদ্ধাৰ নকুল গগৈ চাৰক আজিও সোঁৱৰো অশেষ শ্ৰদ্ধাৰে আৰু কৃতজ্ঞতাৰে। পংগু হলেও সন্তান যিদৰে মাতৃৰ অতি মৰমৰ তেনেদৰে উচ্চ মানবিশিষ্ট নহলেও 'শ্যামলী' আছিল

মোৰ অতি মৰমৰ অতি আদৰৰ।

গীতালি ঃ মহাবিদ্যালয়ৰ তেতিয়াৰ আৰু এতিয়াৰ পৰিবেশৰ মাজত কি কি পাৰ্থক্য দেখিছে?

আইভি ঃ আজি বহুবছৰ হ'ল মোৰ মৰমৰ মহাবিদ্যালয়খনি এৰি অহাৰ। তেতিয়াৰ পৰিৱেশৰ লগত বৰ্তমানৰ পৰিৱেশৰ আকাশ-পাতাল পাৰ্থক্যতো হ'বই। আমাৰ নাম ভৰ্তি কৰাৰ সময়ত শ্ৰেণীসমূহ চলিছিল মুলীয়াবাৰীৰ এটা পাহাৰৰ ওপৰত, এ. অ.চি.ৰ এখন অব্যৱহৃত প্ৰাইমেৰী স্কুলত। কিছুদিনৰ পাছত বিদ্যালয়খন লৈ যোৱা হল বৰ্তমানৰ নিজা মটিলৈ। টিঙৰ চালি টিঙৰ বেৰাৰ কেইটামান কোঠালীত আমাৰ শ্ৰেণীসমূহ চলিছিল। গৰমৰ দিনত উৎকট গৰম,

বৰষুণ দিলে টিঙবোৰেও কথা পাতে, শ্ৰেণীসমূহ চলি থকাৰ সময়ত কোঠাৰ চুকত থকা ভেকুলীকেইটাই মাজে মাজে টুৰুক টুৰুককৈ শব্দ কৰি সিহঁতৰ উপস্থিতি সদম্ভে ঘোষণা কৰে। অসুবিধা হৈছিল, সমস্যা আছিল, কিন্তু শৈক্ষিক পৰিৱেশ কেতিয়াও বিনষ্ট হোৱা নাছিল। আমাৰ চিৰ নমস্য পৰম শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলে অশেষ কষ্টেৰে আমাক শিক্ষাদান কৰিছিল। তেওঁলোকৰ ওচৰত আমি চিৰঋণী।

ডেৰবছৰমানৰ ভিতৰত মহাবিদ্যালয়ৰ দুমহলীয়া পকী ভবনটি নিৰ্মাণ হ'ল। সম্পূৰ্ণকৈ হৈ উঠা নাছিল যদিও আমাৰ শ্ৰেণীসমূহ তাতেই নিয়মীয়াকৈ হ'বলৈ ধৰিলে। আমাৰ মহাবিদ্যালয় শিক্ষা সমাপ্ত হোৱাৰ সময়তো ভবনটিৰ নিৰ্মাণকাৰ্য চলি আছিল। আজি ডিগবৈ মহিলা মহাবিদ্যালয়ে পূৰ্ণাঙ্গ ৰূপ পালে। নিজ চকুৰে দেখা নাই, শুনিছোঁ আৰু কোনো কোনোৱে মহাবিদ্যালয়খনৰ বিষয়ে লিখা লেখাৰ পৰা অনুমান কৰিছোঁ এখন সুন্দৰ তোৰণেৰে বিশাল প্ৰেক্ষাগৃহ আৰু আটক ধুনীয়া ভবনটিৰে তৈল নগৰী ডিগবৈৰ মাজ মাজিয়াত আমাৰ কলেজখন জিলিকি আছে। কেৱল শৈক্ষিক দিশতে নহয় সাহিত্য-সংস্কৃতি, ক্ৰীড়া আদি বিভিন্ন

ক্ষেত্ৰত ছাত্ৰীসকলে মহাবিদ্যালয়খনিলৈ সুনাম কঢ়িয়াই আনিছে। স্ত্ৰীশিক্ষা প্ৰসাৰণ আৰু নাৰী সৱলীকৰণেৰে উত্তৰণৰ দিশে আগবাঢ়ি যোৱা ডিগবৈ মহিলা মহাবিদ্যালয়' অসমৰ এখন আগশাৰীৰ মহাবিদ্যালয় হিচাপে পৰিগণিত হৈছে। এইখিনিতে এটা কথা উল্লেখ নকৰি নোৱাৰিলোঁ আজি পূৰ্ণাঙ্গ ৰূপ পোৱা জ্ঞানৰ এই বটবৃক্ষজোপাৰ জন্মৰ গুৰিতে আছিল ডিগবৈৰ এজন স্বনামধন্য ৰক্তি, প্ৰাক্তন বিধায়ক, প্ৰবীন শিক্ষাবিদ স্বৰ্গীয় দ্বিজেশ চন্দ্ৰ দেৱশৰ্মা আৰু লগতে আছিল কেবাজনো বিশিষ্ট গুণী-মানী চিন্তাবিদ। সকলোলৈ সশ্ৰদ্ধ প্ৰণাম জনাইছোঁ।

গীতালি ঃ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে আপুনি কেনে পৰামৰ্শ আগবঢ়াব।

আইভি ঃ নেপোলিয়ন বানাপাৰ্টে কৈছিল, "মোক এগৰাকী ভাল নাৰী দিয়া, মই এটা ভাল জাতি দিম।" ডিগবৈ মহিলা মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰী ব'নাপাৰ্টে বিচৰা নাৰীগৰাকী হওক। মই ভাবোঁ মহাবিদ্যালয়খনৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ চাবি কাঠি তাতেই লুকাই আছে।

**ধন্যবাদ আইভি বৰুৱা ভট্টাচাৰ্য। ■**



**প্ৰান্তিকা বৰঠাকুৰ,** প্ৰাক্তন ছাত্ৰী
বৰ্তমান তৈলনগৰী ডিগবৈৰ বাসিন্দা।

গীতালি ঃ ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আপুনি কোনটো বৰ্ষৰ ছাত্ৰী আছিল?

প্ৰান্তিকা ঃ মই ১৯৮৭-৯৩ বৰ্ষৰ ছাত্ৰী আছিলোঁ।

গীতালি ঃ পঢ়ি থকা কালছোৱাৰ আপোনাৰ যিকোনো এটা স্মৰণীয় ঘটনা উল্লেখ কৰকচোন।

প্ৰান্তিকা ঃ মহাবিদ্যালয়ত পঢ়ি থকা কালছোৱাৰ প্ৰথম অৱস্থাৰ কিছুমান কথাই আজিও মন পুলকিত কৰে। সেই সময়ত মহাবিদ্যালয়ত কিবা এটা অনুষ্ঠান পাতিবলৈ হ'লেই আমাৰ মনত উলাহে নধৰা হয়। আটাইতকৈ ভাল লগা কথা আছিল কিবা অনুষ্ঠান পাতিবলৈ লওঁতেই আমি সকলো ছাত্ৰীয়ে মিলি অস্থায়ী ষ্টেজ এটা খুব সুন্দৰকৈ সাজিবলৈ যত্ন কৰিছিলোঁ। সেই সময়ত আমাৰ খুবেই কষ্ট হৈছিল যদিও আমি কামবোৰ বৰ আমেজ লৈ কৰিছিলো।

গীতালি ঃ মহাবিদ্যালয় তেতিয়াৰ আৰু এতিয়াৰ পৰিবেশৰ মাজত কি কি পাৰ্থক্য দেখিছে?

প্ৰান্তিকা ঃ পাৰ্থক্যৰ তালিকাখন লিখিবলৈ হ'লে বহু দীঘলীয়া হ'ব। আমি টিঙৰ চালি থাকোঁতেই পঢ়িছিলোঁ। তাৰপিছত প্ৰেক্ষাগৃহৰ সৈতে দুমহলীয়া ভৱন হোৱালৈকে আমি থাকোঁতেই বহু সলনি হৈছিল। সেয়াই আমাৰ বাবে যথেষ্ট আছিল। আজি ডিগবৈ মহিলা মহাবিদ্যালয়ত ছাত্ৰীৰ সংখ্যাও বহু বাঢ়িল। নতুন নতুন শ্ৰেণীকোঠা হ'ল। বৰ্তমান প্ৰায়বোৰ বিষয়তেই অনাৰ্চ খুলিলে। জানিব পৰা মতে ডিগবৈ মহিলা মহাবিদ্যালয়ে NAAC ৰ মূল্যায়নত 'B' গ্ৰে'ড পাবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনৰ উন্নতিয়ে মনত বৰ আনন্দ দিয়ে। মহাবিদ্যালয়খন এনেকৈয়ে আৰু উন্নতিৰ দিশত আগুৱাই যোৱাৰ কামনা কৰিলোঁ।

গীতালি ঃ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে আপুনি কেনে পৰামৰ্শ আগবঢ়াব?

প্ৰান্তিকা ঃ মহাবিদ্যালয়ৰ উন্নয়নৰ ক্ষেত্ৰত ছাত্ৰীসকল, শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে মহাবিদ্যালয়খনৰ জন্মলগ্নৰে পৰা সম্পৰ্ক থকা আৰু নতুনকৈ সম্পৰ্কলৈ অহা সকলোৰেই

দিহা-পৰামৰ্শৰ খুবেই প্ৰয়োজন। সকলোৱেই যেতিয়া মহাবিদ্যালয়খনৰ সমস্যা সমূহৰ বিষয়ে জানিবলৈ ইচ্ছা কৰিব আৰু মহাবিদ্যালয়ৰ প্ৰতিটো কামতে সহযোগিতা আগবঢ়াবলৈ চেষ্টা কৰিব তেতিয়া মহাবিদ্যালয়খনে উন্নয়নৰ দিশত যেন সুন্দৰ গতি ল'ব।

ধন্যবাদ প্ৰান্তিকা বৰঠাকুৰ। ■



**ছায়া ৰাণী শইকীয়া,** প্ৰাক্তন ছাত্ৰী
অঁনাতাৰ শিল্পী, কবি, গল্পকাৰ।

গীতালি ঃ ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আপুনি কোন বৰ্ষৰ ছাত্ৰী আছিল?

ছায়া ৰাণী ঃ ১৯৯৪ বৰ্ষৰ ছাত্ৰী আছিলো।

গীতালি ঃ পঢ়ি থকা কালছোৱাৰ আপোনাৰ যি কোনো এটি স্মৰণীয় ঘটনা উল্লেখ কৰকচোন।

ছায়া ৰাণী ঃ যি সময়ত মই মহাবিদ্যালয়ত পঢ়ি আছিলো তেতিয়া মই বিবাহিত কেচুৱাৰ মাতৃ। পৰীক্ষা হলত লিখি থাকোতে কেতিয়ানো মোৰ মনটো ঢপলিয়াই গৈ কেচুৱাৰ ওচৰ পাইগৈ গমেই নাপাঁও। সেইসময়ত উৎপল শৰ্ম্মা ছাৰ আছিল। তেখেতে যেতিয়া মোক মাত দিয়ে (মোক শইকীয়া বুলি মাতিছিল) লিখা নাই কিয় তুমি? তেতীয়াহে মোৰ সম্ভীত ঘুৰাই আহিছিল তাৰ মানে মুখৰ আগত বহীখন লৈ কিমান দেৰী যে বহি আছিলো গমেই নাপাঁও। মোক কিন্তু সকলোৱে বৰ মৰম কৰিছিল। ছাৰক কৈছিলো যে মই লিখিব

নোৱাৰো ছাৰ, কেচুৱাটোলৈ বৰকৈ মনত পৰিছে। ছাৰে কৈছিল যেনে তেনে ৩০ ৰ বাবে লিখা। শেষত সেইটোকেই কৰিলো মই।

গীতালি ঃ মহাবিদ্যালয়ৰ তেতীয়াৰ আৰু এতিয়াৰ মাজত কি কি পাৰ্থক্য দেখিছে?

ছায়া ৰাণী ঃ বহুত পাৰ্থক্য। দিনক দিনে মহাবিদ্যালয়খনৰ উন্নতি হৈছে। ছাত্ৰীসকলৰ যোগদান যথেষ্ট হৈছে। এটি সুন্দৰ পৰিবেশত কটকটীয়া নিৰাপত্তাৰ মাজত শিক্ষা ল'ব পাৰিছে। বহুতো ছাত্ৰী এইখন মহাবিদ্যালয়ৰ পৰা ওলাই গৈ এটি সুন্দৰ সংস্থাপনৰে সৈতে নিজকে বিভিন্ন দিশত প্ৰতিষ্ঠিত কৰিব পাৰিছে। গৌৰৱ কৰোঁ মোৰ মহাবিদ্যালয়ৰলৈ। যোৱা দুটি বৰ্ষত এই অভাজন প্ৰাক্তন ছাত্ৰীৰ সভাপতিৰ দায়িত্বও বহন কৰিব লগীয়া হৈছিল। কভিদ হোৱাৰ বাবে বিশেষ কোনো অনুষ্ঠান অনুষ্ঠিত কৰিবলৈ আমি সুযোগ নাপালো।

গীতালি ঃ মহাবিদ্যালয় সৰ্বতোপ্ৰকাৰৰ উন্নতিৰ বাবে আপুনি কেনে পৰামৰ্শ আগবঢ়াব।

ছায়া ৰাণী ঃ ছাত্ৰী আৰু শিক্ষকসকলৰ সম্পৰ্কটো বন্ধুত্ব সুলভ হ'ব লাগে য'ত ভক্তি, আদৰ, মৰম চেনেহৰ বান্ধোন পিতৃ মাতৃৰ দৰে হওক। শিক্ষক সকলক তেওঁলোকৰ প্ৰাপ্যখিনি সময়মতে দি দীৰ্ঘদিনীয়া কায্যকাল কৰিবলৈ চেষ্টা কৰিব লাগে। মাজে সময়ে বিভিন্ন ৰাষ্ট্ৰীয় পয্যায়ৰ কৰ্মশালা আলোচনা চক্ৰ হৈ থাকিলে ছাত্ৰী সকল আৰু শিক্ষক সকলৰ যথেষ্ট লাভ হ'ব বুলি ভাবো। শেষত মহাবিদ্যালয়খনৰ সৰ্ব্বতো প্ৰকাৰৰ উন্নতি কামনা কৰিলোঁ।

ধন্যবাদ ছায়াৰাণী শইকীয়া। ■



**মিতালী মহন্ত,** প্ৰাক্তন ছাত্ৰী

অসম চৰকাৰৰ লেখক সম্বৰ্ধনা সন্মানেৰে সন্মানিত মিতালী মহন্ত একেধাৰে গল্পকাৰ, প্ৰবন্ধকাৰ, উপন্যাসিক কবি। অতি সাধাৰণ এটা বিষয় বস্তুক কলাগুণ বিশিষ্টতাৰে সজাই পৰাই ৰসোতীৰ্ণ কৰি তুলিব পৰা তেখেত অসমৰ আগশাৰীৰ আলোচনী, সংবাদপত্ৰত ভিন্ন স্বাদৰ লেখনিৰ জড়িয়তে পাঠকৰ হৃদয় জয় কৰিবলৈ সক্ষম হৈছে। বৰ্তমান দুলীয়াজানৰ নিবাসী।

গীতালি ঃ ডিগবৈ মহিলা মহাবিদালয়ৰ আপুনি কোনটো বৰ্ষৰ ছাত্ৰী আছিল?

মিতালী ঃ ১৯৯৪-১৯৯৬ বৰ্ষৰ ছাত্ৰী আছিলোঁ।

গীতালি ঃ পঢ়ি থকা কালছোৱাৰ আপোনাৰ যিকোনো এটি স্মৰণীয় ঘটনা উল্লেখ কৰকচোন।

মিতালী ঃ সাংস্কৃতিক বিভাগৰ সম্পাদিকা আছিলোঁ, বহু ৰসাল কাহিনী ও আছে। বহু নজনা কথা শিকিলোঁ, নব নব বহু অভিজ্ঞতা লাভ কৰিলো। তাৰ মাজতো স্মৰণীয় হৈ ৰোৱা ঘটনাতো হ'ল সেই বৰ্ষত অসমীয়া ত আমি প্ৰায় সংখ্যক ছাত্ৰী অনুত্তীৰ্ণ হ'লো। অধ্যক্ষ মহাশয়ৰ কোঠাত আমাৰ কান্দোনত এক শোকাকুল পৰিবেশ ৰ সৃষ্টি হৈছিল। ছাৰ সকলৰ বুজনি আৰু অধ্যক্ষ মহাশয়ৰ গালি কেইটা আজিও মনত আছে।

গীতালি ঃ মহাবিদ্যালয়ৰ তেতিয়াৰ আৰু এতিয়াৰ পৰিবেশৰ মাজত কি কি পাৰ্থক্য দেখিছে?

মিতালী ঃ তাহানিৰ পৰিবেশ আৰু আজিৰ পৰিবেশৰ মাজত বহু তফাৎ। বিশেষকৈ আমাৰ ভঙা চিঙা কেন্টিনৰ উন্নতি, আমাৰ

পুথিভঁৰাল ৰ উন্নতি, মহাবিদ্যালয়ৰ গৃহৰ উন্নতি দেখিয়েই মন ভাল লাগি যায়।

গীতালি ঃ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে আপুনি কেনে পৰামৰ্শ আগবঢ়াব?

মিতালী ঃ ডিগবৈ মাজ মজিয়াত থকা শৈক্ষিক বট বৃক্ষ জোপা ফুলে ফলে জাতিষ্কাৰ হৈ থাকক, মনে প্ৰাণে কামনা কৰো বৃক্ষজোপা সাৰ পানী দি শুভচিন্তকসকলে চিৰ সেউজ কৰি ৰাখক। যি শুভাকাংক্ষীসকলৰ ভিতৰত আমাৰ প্ৰাক্তন শিক্ষাৰ্থী সকলে ও যেন অগ্ৰণী ভূমিকা পালন কৰিব পাৰে।

ধন্যবাদ মিতালী মহন্ত। ■



**ইপ্সিতা কন্দলী শৰ্মা,** প্ৰাক্তন ছাত্ৰী

ডিগবৈ মহিলা মহাবিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা শৰ্মাই বিভিন্ন কাকত আলোচনীত তেওঁৰ লিখা প্ৰকাশ কৰি আহিছে। কলমৰ শক্তিৰে সমাজৰ পৰা অৰাজকতা আঁতৰাই এখন সুন্দৰ সমাজ প্ৰতিষ্ঠা কৰাই তেওঁৰ লক্ষ্য। এগৰাকী প্ৰতিশ্ৰুতিসম্পন্ন লেখিকা হিচাপে ইতিমধ্যে ইপ্সিতা কন্দলী শৰ্মা পাঠক সমাজৰ মাজত সমাদৃত হৈছে।

গীতালি ঃ ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আপুনি কোনটো বৰ্ষৰ ছাত্ৰী আছিল?

ইপ্সিতা ঃ ১৯৯১-৯৬ বৰ্ষৰ ছাত্ৰী আছিলোঁ

গীতালি ঃ পঢ়ি থকা কালছোৱাৰ আপোনাৰ যিকোনো এটি স্মৰণীয়

ঘটনা উল্লেখ কৰকচোন।

ইপ্সিতা ঃ মই মহাবিদ্যালয়লৈ চাইকেলত গৈছিলোঁ। লগত আৰু এজনী যায়। এদিন মই অকলে যাওঁতে মোৰ পিছে পিছে ল'ৰা কেইজনমানো আছিল। মই গ'ম পাই আছিলোঁ সিহঁত যে মোতকৈ আগবাঢ়ি নাযায়। সেয়ে মই চাইকেলৰ গতি বঢ়াই দিছিলোঁ। ল'ৰাকেইজনো কম নাছিল। সুহুৰি মাৰি মোক জোকাই জোকাই চাইকেলৰ গতি বঢ়াই গান গাবলৈ ধৰিল। মোক লৈ যেন গানেই ৰচনা কৰি পেলাইছিল। মোৰ লক্ষ্য আছিল কিমান সোনকালে মহাবিদ্যালয় গৈ পাওঁগৈ। অৱশেষত গৈ পালোগৈ মোৰ গন্তব্যস্থলী আৰু ল'ৰাকেইজনো নোহোৱা হ'ল। খঙত চাইকেল ৰখায়েই ওপৰৰ শ্ৰেণীকোঠালৈ বুলি যাওঁতে ৰাজনীতি বিভাগৰ অধ্যাপক উৎপল শৰ্মা ছাৰক লগ পাই ল'ৰাকেইজনৰ কথা একে উশাহতে কৈ পেলালো। ছাৰে মিচিকি হাঁহি মাৰি তেনেই সাধাৰণভাৱে যেতিয়া ক'লে - 'এইটো বয়সেই তহঁতৰ পিছত ল'ৰা ঘূৰাৰ ' তেতিয়াহে মই যেন বাস্তৱলৈ ঘূৰি আহিছিলোঁ। ইমান লাজ লাগিছিল সেই মুহূৰ্ত্তত। সৰু স্কুলীয়া ছোৱালীৰ দৰে কথাবোৰ কৈ থাকোঁতে মনলৈ অহাই নাছিল ময়ো যে ডাঙৰ হ'লো, কলেজত পঢ়াঙ্গ এইবোৰ স্মৃতিয়ে আজিও বৰকৈ হুহুৱাই।

গীতালি ঃ মহাবিদ্যালয়ৰ তেতিয়াৰ আৰু এতিয়াৰ পৰিবেশৰ মাজত কি কি পাৰ্থক্য দেখিছে?

ইপ্সিতা ঃ পাৰ্থক্য যথেষ্ট দেখিছোঁ তেতিয়াৰ আৰু এতিয়াৰ ডিগবৈ মহিলা মহাবিদ্যালয়খনত। আজিৰ মহাবিদ্যালয়খনত ছাত্ৰীৰ সংখ্যা বাঢ়িল। বৰ্ধিত ছাত্ৰীৰ অনুপাতে শ্ৰেণীকোঠাও হ'ল। প্ৰায়বোৰ বিষয়তে অনাৰ্চ খুলিলে। শৈক্ষিক দিশৰ লগতেই ক্ৰীড়া-সাহিত্য-সংস্কৃতিৰ দিশত ছাত্ৰীসকলে পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছে। মহাবিদ্যালয়ত NSS, NCC, ছাত্ৰীসকলেও সুনাম কঢ়িয়াই অনাৰ কথা জানিব পাৰিছোঁ

মহাবিদ্যালয়খনৰ উন্নতিয়ে মনত বৰ আনন্দ দিয়ে। অন্তৰেৰে কামনা কৰোঁ উন্নতিৰ জখলাত আৰু আগুৱাই যাওক আমাৰ স্নেহৰ ডিগবৈ মহিলা মহাবিদ্যালয়খন

গীতালি ঃ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে আপুনি কেনে পৰামৰ্শ আগবঢ়াব?

ইপ্সিতা ঃ মহাবিদ্যালয় এখনৰ উন্নয়নৰ কথা আহিলেই মহাবিদ্যালয়ৰ সৈতে জড়িত থকা সকলো লোকৰেই দিহা পৰামৰ্শক সন্মানসহকাৰে আন্তৰিকতাৰে গ্ৰহণ কৰি সেই দিশত বিচাৰ-বিবেচনা কৰি আগবাঢ়িলে সুফল নিশ্চয় পোৱা যাব ছাত্ৰীসকলৰ অৱদানে মহাবিদ্যালয়খনক অনন্য মাত্ৰা দিবলৈ যাতে সুবিধা হয় তাৰবাবে মহাবিদ্যালয়ৰ প্ৰতিগৰাকী ছাত্ৰীকে অধ্যয়ন আৰু ভিন ভিন দিশত শিক্ষা দিয়াৰ লগতেই ছাত্ৰী সকলৰ চিন্তাৰে যাতে ন ন পৰামৰ্শ পোৱা যায় তাৰবাবে শ্ৰেণীত তেওঁলোকক নিজ নিজ চিন্তাৰে মুকলিকৈ কথা ক'বলৈ সাহস আৰু প্ৰেৰণা যোগোৱাৰ ক্ষেত্ৰটো গুৰুত্ব দিলে যেন সুফল পোৱা যাব। কাৰণ প্ৰত্যেকৰেই থাকে চিন্তা কৰাৰ শক্তি। কিন্তু সেই চিন্তাৰ বিকাশ আৰু প্ৰকাশৰ বাবেও সুযোগ লাগে। প্ৰতিগৰাকী ছাত্ৰীয়েই যেতিয়া নিজ নিজ চিন্তাৰে সমৃদ্ধিশালী হৈ পৰিব তাৰ প্ৰভাৱ নিশ্চয় মহাবিদ্যালয়খনটো পৰিব। আৰু তেওঁলোকৰ ভৱিষ্যত জীৱনতো এই অৰ্হতাৰে কৰি যাব পাৰিব বহু কাম নিজৰ পৰিয়ালৰ আৰু সমাজৰ ভালৰ বাবে।

ধন্যবাদ ইপ্সিতা কন্দলী শৰ্মা। ■



**জোনালী বুঢ়াগোহাঁই,** প্ৰাক্তন ছাত্ৰী

তৈল নগৰী ডিগবৈৰ এটি অতি চিনাকী নাম জোনালী বুঢ়াগোহাঁই । ডিগবৈ মহিলা মহাবিদ্যালয়ৰ সমাজ শাস্ত্ৰ বিষয়ত স্নাতক ডিগ্ৰী লৈ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰীধাৰী জোনালী একেৰাহে লেখিকা, গল্পকাৰ, প্ৰৱন্ধকাৰৰ লগতে এগৰাকী সু-বক্তা। বৰ্তমান বৰবিল মধ্য ইংৰাজী বিদ্যালয়, ডিগবৈ, সহ শিক্ষয়িত্ৰী জোনালী বুঢ়াগোহাঁই দুটি সন্তানৰ মাতৃ। পত্নী তথা এগৰাকী সু-গৃহিনী জোনালীৰ মুখেৰেই শুনুচোন আহক মহাবিদ্যালয়ৰ কথা।

গীতালি ঃ ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আপুনি কোনটো বৰ্ষৰ ছাত্ৰী আছিল ?

জোনালী ঃ ১৯৯৬ ৰপৰা ১৯৯৯ বৰ্ষ।

গীতালি ঃ পঢ়ি থকা কালছোৱাৰ আপোনাৰ যিকোনো এটি স্মৰণীয় ঘটনা জনাওকচোন।

জোনালী ঃ তেতিয়া মই স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰী। গৰিষ্ঠ সংখ্যক ছাত্ৰীৰ পচন্দ অনুসৰি মোক মহাবিদ্যালয় আলোচনী “শ্যামলী”ৰ সম্পাদিকাৰ কাৰ্যভাৰ অৰ্পন কৰা হয়। সেই সময়ত মহাবিদ্যালয়ত নিৰ্বাচনৰ সুবিধা নাছিল। তেতিয়া মহাবিদ্যালয়ৰ অধ্যক্ষ আছিল আমাৰ সকলোৰে শ্ৰদ্ধাৰ প্ৰয়াত ড° কান্তেশ্বৰ ডেকা ছাৰ। ছাৰক আমি অসম্ভৱ ভয় কৰিছিলো। মই কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছতে মোক ছাৰে ক'লে তুমি যিমান পাৰা সিমান সোনকালে ছোৱালীবিলাকৰ পৰা লেখা সমূহ যোগাৰ কৰা। নহ'লে সিহঁতে বৰ দেৰি কৰে। ৬ মাহৰ ভিতৰত আমি আলোচনীখন উলিয়াব

লাগিব। মই অলপো সময় পলম নকৰি ছাত্ৰীসকলক গল্প, কবিতা, প্ৰবন্ধ লিখি জমা দিবলৈ অনুৰুধ জনালো। মোৰ হাতলৈ অহা লিখাসমূহৰ ভিতৰত কবিতা আৰু গল্পৰ বাহিৰে প্ৰবন্ধৰ সংখ্যা শূণ্যৰ ঘৰত। ইফালে সময়বোৰ গৈ আছে। এদিন অধ্যক্ষ ছাৰে মোক তেখেতৰ কোঠালিলৈ মাতি নি আলোচনীৰ সামগ্ৰিক কামখিনি জানিবলৈ বিচাৰিলে। মই যেতিয়া বৰ বেছি আগবাঢ়িব পৰা নাই বুলি ক'লো ছাৰে অতি খঙেৰে ক'লে যে মই সেইবোৰ একো নাজানো মোক এমাহৰ ভিতৰত মেগাজিন লাগিবই। ছাৰৰ গালি শুনি মই সেইদিনা বহুত কান্দিলো। ভাবিছিলো কিহে পাইছিল মোক আলোচনী সম্পাদিকা হ'বলৈ। ছাৰে যিহেতো মোক এমাহ সময় দিছে মই এটা বুদ্ধি উলিয়ালো। প্ৰায় ৫ টা মান বিভিন্ন বিষয়ৰ প্ৰবন্ধ নিজে লিখি মোৰ প্ৰিয় ৫ গৰাকী বান্ধৱীৰ নামত প্ৰকাশ কৰাৰ দিহা কৰিলো। সিহঁতে এইবিষয়ে ঘূণাক্ষৰেও জনা নাছিল। যেতিয়া আলোচনীখন প্ৰকাশ হৈ ওলাল সিহঁতৰ নামকেইটা দেখি আচৰিত হৈ মোক সুধিছিল... ক'তে মৰো জোনালী... আমি কেতিয়া প্ৰবন্ধ লিখি তোক জমা দিছিলো? মানুহ মাৰিবি দেই তই। বন্তি, ডেইজী, পপিক কেতিয়াবা লগ পালে এই কথাটো মনত পেলাই এতিয়াও হাঁহো। যি কি নহওক এই অভিজ্ঞতাই মোক আলোচনী এখন প্ৰস্তুত কৰাৰ যাৱতীয় কথাখিনি জনা আৰু বুজাত সহায় কৰিলে। "শ্যামলী" সম্পাদনাৰ হৰ্ষ বিষাদ মিশ্ৰিত অভিজ্ঞতাৰ পৰা এতিয়ালৈকে মোৰ প্ৰায় ১৫ খন গ্ৰন্থ সম্পাদনা কৰাৰ অভিজ্ঞতা হৈছে। এই চেগতে প্ৰয়াত ড° কান্তেশ্বৰ ডেকা ছাৰকো সশ্ৰদ্ধ প্ৰণিপাত জনালো।

গীতালি ঃ মহাবিদ্যালয়ৰ তেতিয়া আৰু এতিয়াৰ পৰিৱেশৰ মাজত কি কি পাৰ্থক্য দেখিছে?

জোনালী ঃ আমি পঢ়ি থকা কালছোৱাত মহাবিদ্যালয়ত আজিৰ দৰে

বিশাল প্ৰেক্ষাগৃহ নাছিল। নাছিল সুস্বাদু খাদ্যৰ সম্ভাৰেৰে সদা ব্যস্ত কেন্টিনখন। পুথিভঁৰালটো এটা সৰু কোঠাত ঠেকঠুককৈ কোনোমতে বিদ্যালয়ৰ কতৃপক্ষই সজাই থৈছিল। এতিয়া সেই পৰিবেশ নাই। হাজৰৰো অধিক ছাত্ৰী বহিব পৰা এটা বৃহৎ প্ৰেক্ষাগৃহ, ৩৩ তাতকৈ অধিক কম্পিউটাৰেৰে সুসজ্জিত বাতানুকুল সভাকক্ষ, ২২ হাজাৰতকৈও অধিক গ্ৰন্থ আৰু অন্যান্য মানবিশিষ্ট আলোচনীৰে পৰিপূৰ্ণ উন্নত পুথিভঁৰাল, সু খাদ্যৰ সমাহাৰেৰে কেন্টিনৰ ব্যৱস্থা, নিৰ্দিষ্ট বিভাগৰ শিক্ষক সকলৰ বিভাগভিত্তিক জিৰণি কোঠাৰ সু ব্যৱস্থা, স্কাউট গাইডৰ ব্যৱস্থা, সেউজ গৃহ ইত্যাদিৰ সমাবেশে মহাবিদ্যালয়খনিক প্ৰদান কৰিছে সৌন্দৰ্য্য আৰু মৰ্য্যদাৰ অন্য এক মাত্ৰা।

গীতালি ঃ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে আপুনি কেনে পৰামৰ্শ আগবঢ়াব?

জোনালী ঃ মহাবিদ্যালয়ৰ সৰ্বাংগীন বিকাশৰ বাবে পোনপ্ৰথমেই লাগিব ছাত্ৰী আৰু শিক্ষকৰ মাজত মজবুট স্নেহ বন্ধন। পাঠগ্ৰহণতে সীমাবদ্ধ নাথাকি অন্যান্য গৱেষণামূলক কামত ছাত্ৰীসকলে নিজকে নিয়োজিত কৰিবলৈ চেষ্টা অব্যাহত ৰাখিব লাগিব আৰু এইক্ষেত্ৰত শ্ৰদ্ধাৰ শিক্ষকসকলৰ সহযোগিতা অন্যতম। ছাত্ৰীসকলে নিয়মীয়া কাকত সমূহত বিভিন্ন লেখা প্ৰদান কৰি লিখন চৰ্চা অব্যাহত ৰাখিবলৈ যত্ন কৰা উচিত। ৰাজ্যিক ভিত্তিত অনুস্থিত হোৱা গীত, নৃত্য, তৰ্ক, নাটক, বিভিন্ন খেল ইত্যাদিত অংশ গ্ৰহণৰ জড়িয়তে নিজৰ লগতে মহাবিদ্যালয়ৰো গৌৰৱ অক্ষুন্ন ৰাখিবলৈ যত্ন কৰিব লাগিব। আশে পাশে থকা গাঁও সমূহলৈ মাজে সময়ে গৈ মাদক দ্ৰব্য নিবাৰণী, নাৰী নিৰ্যাতন, শিশু শ্ৰমিক ৰোধ, পৰিবেশ সংৰক্ষণৰ ওপৰত সজাগতা সভাৰ আয়োজন কৰিব পাৰে। ছাত্ৰী সকলৰ অভিভাৱকৰ লগতে সমাজৰ অভিজ্ঞ গণ্য মান্য ব্যক্তিসকলক মহাবিদ্যালয়ৰ উন্নয়নৰ কামত নিয়োজিত

কৰাৰ সুবিধা প্ৰদান কৰিব লাগে। অসমৰ লগতে ভাৰতৰ বিভিন্ন উন্নত মহাবিদ্যালয়ৰ সৈতে যুগসূত্ৰ ৰক্ষা কৰি তেনে মহাবিদ্যালয়লৈ ছাত্ৰীসকলক নিয়াৰ ব্যৱস্থা কৰিব লাগে তদুপৰি তেওঁলোককো নিজ মহাবিদ্যালয়লৈ নিমন্ত্ৰণ জনোৱাৰ ব্যৱস্থা কৰিব লাগে। আৰু তাৰপৰা আহৰণ কৰা অভিজ্ঞতাৰ জড়িয়তে নিজৰ মহাবিদ্যালয়খনকো উন্নতভাৱে সজাবলৈ চেষ্টা কৰিব লাগে।

ধন্যবাদ জোনালী বৰগোহাঁই। ■



**বিনীতা গগৈ দত্ত,** প্ৰাক্তন ছাত্ৰী

জনপ্ৰিয় ডিজাইনাৰ-ৰূপসজ্জাকৰ।

ডিগবৈৰ জুহাল ৰেষ্টুৰেন্টৰ আৰু জোনবিৰি বুটিকৰ স্বত্বাধিকাৰী।

গীতালি ঃ ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আপুনি কোনটো বৰ্ষৰ ছাত্ৰী আছিল?

বিনীতা ঃ মই ডিগবৈ মহিলা মহাবিদ্যালয়ৰ ১৯৯৬ বৰ্ষৰ ছাত্ৰী আছিলো।

গীতালি ঃ পঢ়ি থকা কালছোৱাৰ আপোনাৰ যিকো এটি স্মৰণীয় ঘটনা উল্লেখ কৰকচোন।

বিনীতা ঃ উচ্চতৰ মাধ্যমিকৰ প্ৰথম বৰ্ষৰ এটা ঘটনা মোৰ জীৱনৰ আটাইতকৈ স্মৰণীয় ঘটনা যিটো কেতিয়াও পাহৰিব নোৱাৰো। নকুল গগৈ ছাৰৰ Education class এটা ৪ টা বজাৰ পৰা আৰম্ভ হয় আৰু ক্লাছটো সকলোৱে কৰিবই লাগিব মুঠতে ছাৰে কাৰো কথা নামানে। এদিন সেই ক্লাছটো

কৰিবৰ বাবে ৰৈ থাকোতে হঠাৎ এজাক বতাহ-ধুমুহা-বৰষুণ আহিল। ক্লাছটো আৰম্ভ নোহোৱাৰ বাবে মই Toilet লৈ গৈছিলো তাৰ পাছত বাহিৰলৈ যেতিয়া ওলাবলৈ লৈ দেখো যে, দুৱাৰ খন নোখোলে, খুউব জোৰকৈ চিঞৰী চিঞৰী মাতো যদিও কাৰো একো শব্দ নুশুনি কাৰণ বাহিৰত বতাহ-ধুমুহা। এনেকুৱা অনুভৱ হৈছিল সেই বতাহ-ধুমুহা মোৰ বাবে যেন আহিল। ওপৰলৈ চালো কাৰোবাক যে মাতিব পাৰিম তাৰ পৰা সাধ্য নাই। লাহে লাহে ভয় লাগিবলৈ ধৰিলে ক্লাছ শেষ হোৱাৰ লগে লগে সকলো গুচি যাব কি হ'ব মোৰ তলতে বহি বহি কান্দি আছো হঠাৎ দুৱাৰখন খোলাৰ শব্দ এটা শুনিলো লগে লগে বহাৰ পৰা উঠি দুৱাৰ খন খোলা মাত্ৰকেই ওলাই আহিলো। দৌৰি আহিয়েই জুৰিক দেখিলো তাই মাত্ৰ গ'ম পাইছিল মই Toilet গৈছো বুলি কিন্তু ইমান দেৰি হ'ল ক্লাছত নাই বুলি তাইৰ মনত যদি সন্দেহটো নহ'ল হয় মই চাগে তাতে কি হ'লো হেঁতেন থিক নাছিল। আজিৰ দিনৰ ঘটনা হ'লে নিউজত বিনীতা গগৈ কলেজৰ পৰা নিৰুদ্দেশ বুলি বাতৰি ওলাল হেঁতেন। হে ভগৱান তুমিহে বচালা আৰু দেই। কলেজীয়া জীৱনৰ এইটো ঘটনা চিৰস্মৰণীয় মোৰ বাবে।

গীতালি ঃ মহাবিদ্যালৰ তেতিয়াৰ আৰু এতিয়াৰ পৰিবেশৰ মাজত কি কি পাৰ্থক্য দেখিছে?

বিনীতা ঃ আমি পঢ়াৰ সময়ত এটা Building আছিল ক্লাছবোৰো হয় আৰু কেতিয়াবা কলেজৰ অনুষ্ঠানবোৰো হয়। বৰ্তমান সকলো সুবিধা কলেজত দেখিলো খুউব ভাল লাগিল। তেতিয়াৰ আৰু এতিয়াৰ পৰিবেশৰ মাজত যথেষ্ট পাৰ্থক্য দেখিলো।

গীতালি ঃ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে আপুনি কেনে পৰামৰ্শ আগবঢ়াব?

বিনীতা ঃ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে শিক্ষক আৰু ছাত্ৰী সকলৰ সম্বন্ধ মজবুত হ'ব লাগিব লগতে অকল পাঠ্যক্ৰমৰ

শিক্ষাতে সীমাবদ্ধ নাথাকি বিভিন্ন প্ৰতিযোগিতা মূলক কামও কৰিব লাগিব।

ধন্যবাদ বিনীতা গগৈ দত্ত। ■



**দীপাঞ্জলি গগৈ,** প্ৰাক্তন ছাত্ৰী
বিষয় শিক্ষয়িত্ৰী (অৰ্থনীতি)
গঁড়েহগা বাঁহপাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়, আজাদ, উত্তৰ লখিমপুৰ।

গীতালি ঃ ডিগবৈ মহিলাবিদ্যালয়ৰ আপুনি কোনটো বৰ্ষৰ ছাত্ৰী আছিল?

দীপাঞ্জলি ঃ ১৯৯৯-২০০২ বৰ্ষৰ ছাত্ৰী আছিলো।

গীতালি ঃ পঢ়ি থকা কালছোৱাৰ আপোনাৰ যিকোনো এটি স্মৰণীয় ঘটনা উল্লেখ কৰকচোন।

দীপাঞ্জলি ঃ আমি এই মহাবিদ্যালয়ত পঢ়ি থকা কালছোৱাত এটা অতি স্মৰণীয় আৰু ভাল লগা অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। এই অনুষ্ঠানটো আছিল SPICMACAY অৰ্থাৎ Society for the Promotion of Indian Classical Music and Culture Amongst Youth তৰফৰ পৰা। তেওঁলোকে ভাৰতবৰ্ষৰ নানা প্ৰান্তত বিদ্যালয় মহাবিদ্যালয় সমূহত ঘূৰি পকি বছা বছা শিল্পীসকলৰ দ্বাৰা অনুষ্ঠান পৰিবেশন কৰোৱাইছিল। আমাৰে সৌভাগ্য যে আমাৰ কলেজলৈ আহিল পদ্মভূষণ, গ্ৰেমী বঁটা প্ৰাপক, কিম্বদন্তী মোহন বীণা বাদক পণ্ডিত বিশ্ব মোহন ভাট আৰু পদ্ম বিভূষণ, প্ৰখ্যাত লোক সংগীত "পাণ্ডৱানী" পৰিবেশিকা তীজন বাই। প্ৰথম

অনুষ্ঠানটো বিশ্ব মোহন ভাটৰ আছিল। মঞ্চত উপবিষ্ট হৈ তেখেতে সকলোকে বীণা বাদনৰ কালছোৱাত সম্পূৰ্ণ নীৰৱতা অৱলম্বন কৰিবৰ বাবে কৰযোৰে প্ৰণাম কৰি বিনম্ৰ অনুৰোধ জনালে। তেখেতৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই শিক্ষক -ছাত্ৰী সমন্বিতে সকলো দৰ্শকে মৌন হৈ ৰ'ল। সেই সময়ছোৱাত মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহটো বৰ্তমানৰ ঠাইত নাছিল। পুৰণি বিল্ডিঙৰ বাটৰ কাষে থকা প্ৰথম মহলৰ এছোৱা প্ৰেক্ষাগৃহ হিচাপে ব্যৱহাৰ হৈছিল। বীণা বাদন আৰম্ভ হ'ল। পণ্ডিত ভাট সুৰৰ সাধনাত সম্পূৰ্ণ ৰূপে নিমজ্জিত হৈ পৰিল। দৰ্শকসকলেও যথাসম্ভৱ নীৰৱে থাকি মোহন বীণাৰ সুৰত মোহাচ্ছন্ন হৈ পৰিল। প্ৰেক্ষাগৃহত কাঁহ পৰি জিন যোৱা নীৰৱতা। তেনেতে ঘটিল সেই অপ্ৰত্যাশিত ঘটনাটো। ডিগবৈ- পেঙেৰী ৰোডৰ পৰা কৰ্কশ শব্দৰে তীব্ৰ গতিত আগবাঢ়ি আহিল এখন কেঁচা চাহ পাত কঢ়িওৱা গাড়ী। মহাবিদ্যালয়ৰ চৌহদ অতিক্ৰম কৰি থকা সময়তে বিকট শব্দৰে হৰ্ণ বজাই উঠিল। হতচকিত হৈ উঠিল বীণা বাদক অতি সংবেদনশীল শিল্পী। কেইটামান মুহূৰ্তৰ বাবে তেওঁ অস্থিৰ হৈ ৰ'ল। পুনৰ বীণাত টান দিলে যদিও পিছৰ সময় কণ তেওঁ যেন একাত্ম হব নোৱাৰিলে নিজ বাদ্যযন্ত্ৰ টিৰ সৈতে।

মই এহালিচা মান বৰ্ণনা কৰা এই ঘটনাটো বহুজনৰ দৃষ্টিত নিচেই সামান্য আৰু সাধাৰণ হব পাৰে, কিন্তু মই কিয় নাজানো এই ঘটনাটো মনলৈ আহিলেই আজিও এক নামহীন অস্বস্তি আৰু বেদনা অনুভৱ কৰোঁ।

গীতালি ঃ মহাবিদ্যালয়ৰ তেতিয়াৰ আৰু এতিয়াৰ পৰিবেশৰ মাজত কি কি পাৰ্থক্য দেখিছে?

দীপাঞ্জলি ঃ মহাবিদ্যালয়ৰ তেতিয়াৰ আৰু এতিয়াৰ পৰিবেশৰ মাজত বিস্তৰ পাৰ্থক্য আছে। প্ৰথমেই চকুত পৰা পাৰ্থক্য হ'ল মহাবিদ্যালয় খনৰ আন্তঃগাঁথনি। আমি পঢ়া কালত প্ৰতিটো

বিভাগৰ নিজস্ব শ্ৰেণীকোঠা তথা বিষয় শিক্ষকৰ বহা কোঠা নাছিল। আজিৰ দৰে সুকীয়াকৈ এটা প্ৰেক্ষাগৃহ নাছিল। সন্মানীয় শিক্ষক-শিক্ষয়িত্ৰী সকলৰ কমনৰুম আজিৰ দৰে সুসজ্জিত নাছিল। পুথিভঁৰালো আছিল চালুকীয়া অৱস্থাত। কেণ্টিন খনৰ অৱস্থা আছিল তথৈবচ। আজিৰ ছাত্ৰী সকলে এইখিনি সা-সুবিধা পোৱা দেখি অতিশয় সুখী হৈছো। এইক্ষেত্ৰত আটাইতকৈ ভাল লগা কথাটো হৈছে মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই অনা কৃতী ছাত্ৰী সকলৰ নাম-ফলাফলৰ তথ্য সম্বলিত বৃহৎ ফলক মহাবিদ্যালয়ৰ বাটচৰাৰ দেৱালত খোদিত কৰা। ইয়ে উঠি অহা প্ৰজন্মৰ ছাত্ৰী সকলক গভীৰ ভাৱে অনুপ্ৰাণিত কৰিব।

দ্বিতীয়তে চকুত পৰা বিষয়টো হ'ল শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰীৰ সম্বন্ধ। আমাৰ দিনত শিক্ষকৰ প্ৰতি এটা ভয় মিহলি সমীহভাৱ আছিল যাৰ ফলত মনত "Fear of Approching" সৃষ্টি হৈছিল। যিকোনো কথা নিঃসংকোচে শিক্ষকক সুধিবলৈ কেতিয়াবা অস্বস্তি বোধ কৰিছিলোঁ। যিটো আজিৰ ছাত্ৰী সকলৰ মাজত সচৰাচৰ দেখা পোৱা নাই। তেওঁলোক যথেষ্ট সপ্ৰতিভ। মই ইয়াক ধনাত্মক পৰিৱৰ্তন বুলি কব খোজো কাৰণ শিক্ষক-ছাত্ৰৰ বন্ধুত্ব পূৰ্ণ সম্পৰ্কইহে শিক্ষাদান সম্পূৰ্ণ অৰ্থত ফলপ্ৰসূ কৰি তুলিব পাৰে বুলি মোৰ দৃঢ় বিশ্বাস।

গীতালি ঃ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে আপুনি কেনে পৰামৰ্শ আগবঢ়াব?

দীপাঞ্জলি ঃ মহাবিদ্যালয়খন আমাৰ অতি মৰমৰ। ইয়াৰ উত্তৰোত্তৰ উন্নতি অন্তৰেৰে কামনা কৰোঁ। তাৰ বাবে মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষা মহোদয়া আছে, পৰিচালনা আৰু উন্নয়ন সমিতিৰ বিষয় ববীয়া সকল আছে, প্ৰাক্তন ছাত্ৰীসকলৰ সংগঠনৰ সভানেত্ৰী-সম্পাদিকা তথা আমাৰ সতীৰ্থ সদস্য সকল আছে, অভিজ্ঞতাপুষ্ট সন্মানীয় অৱসৰপ্ৰাপ্ত শিক্ষক-শিক্ষয়িত্ৰী

সকল আৰু বৰ্তমান কৰ্মৰত আমাৰ সহপাঠী বান্ধৱীসকল আছে, অসমৰ বিভিন্ন ঠাইৰ পৰা আহি এই মহাবিদ্যালয়ত পাঠদান কৰি থকা শিক্ষক সকল আছে। এই বিজ্ঞ ব্যক্তি সকলৰ বহুমূলীয়া পৰামৰ্শ সংগ্ৰহ কৰি মহাবিদ্যালয় খনিৰ সৰ্বাঙ্গীণ উন্নতিৰ বাবে খটুওৱা উচিত। তেখেতসকল থাকোঁতে মই কিবা অতিৰিক্ত পৰামৰ্শ দিয়াৰ ধৃষ্টতা কৰিব নোখোজোঁ। এইখিনি প্ৰশ্নোত্তৰৰ সুযোগ দিয়াৰ বাবে ধন্যবাদ জনাইছো।

ধন্যবাদ দীপাঞ্জলি গগৈ। ■



**কুমাৰিকা তালুকদাৰ,** প্ৰাক্তন ছাত্ৰী
কবি, গল্পকাৰ, অনুগল্পকাৰ তথা এগৰাকী সমাজ সংগঠক।

গীতালি ঃ ডিগবৈ মহিলা মহাবিদ্যালয়ৰ কোনটো বৰ্ষৰ ছাত্ৰী আছিল?

কুমাৰিকা ঃ ১৯৯৯-২০০২ বৰ্ষৰ শিক্ষাৰ পৰা বিচিন্ন হোৱা এঘাৰ বছৰৰ পাছত।

গীতালি ঃ পঢ়ি থকা কালছোৱাৰ আপোনাৰ যিকোনো এটি স্মৰণীয় ঘটনা উল্লেখ কৰকচোন।

কুমাৰিকা ঃ পঢ়াৰ পৰা বিচিন্ন হোৱা এঘাৰ বছৰৰ পাছত, প্ৰথমদিনা ডিগবৈ মহিলা মহাবিদ্যালয় ইংৰাজীৰ ক্লাছলৈ সোমই যাওঁতে যি দুগৰাকী ছাত্ৰীয়ে মই কাষত বহা বাবেই হীনমান্যতাত ভূগি, মোক অকলশৰে এৰি, উঠি গৈ লাষ্টৰ বেঞ্চত বহিছিলগৈ, তাৰে এগৰাকীয়ে সমাজবিদ্যাৰ (Sociology) ইউনিট টেষ্টৰ পৰীক্ষাত, মোৰ বহী টানি নি লিখিছিল (তাৰ আগৰটো ইউনিট টেষ্টত মই ক্লাচত সৰ্ব্বোচ্ছ নম্বৰ পাইছিলোঁ,

বোধকৰো সেয়ে)। কথাটো মই নিজকে বৰ দেখুৱাবলৈ মুঠেই কোৱা নাই। আচলতে কেতিয়াও কাকো নিচাত্মক দৃষ্টিৰে চাব নালাগে। এই ঘটনাটো মোৰ মানসপটত এটি পাহৰিব নোৱাৰা স্মৃতি হৈ ৰৈ গ'ল।

গীতালি ঃ মহাবিদ্যালয়ৰ তেতিয়াৰ আৰু এতিয়াৰ পৰিবেশৰ মাজত কি কি পাৰ্থক্য দেখিছে?

কুমাৰিকা ঃ প্ৰথম কথা হ'ল-মহাবিদ্যালয়ৰ বিল্ডিংৰ অভূতপূৰ্ব সালসলনি। আগতকৈ সকলো দিশতে পৰিবৰ্তন চকুতলগা। উন্নত মানৰ অহল-বহল অডিটেৰিয়াম, পুথিভঁৰাল, কমিউনিটি হ'ল, অফিচ ৰূম, অধ্যক্ষৰ কোঠালী সকলো। প্ৰতিটো বিভাগৰে অধ্যাপকৰ বাবে আচুতীয়াকৈ কোঠাৰ ব্যৱস্থা কৰা হৈছে। কলেজৰ চৌহদত পিতৃ স্বৰূপ দ্বিজেশ চন্দ্ৰ দেৱ শৰ্মা দেৱৰ আৱক্ষ মূৰ্তি স্থাপনে, কলেজখনৰ প্ৰতি থকা তেখেতৰ অপাৰ ভালপোৱাক স্বিকৃতি তথা কৃতজ্ঞতা জনোৱাৰ এক উত্তম পন্থাৰ কথাকে কয়। অধ্যয়নৰ বাবে ছাত্ৰী সকলে অধিক সুবিধা লাভ কৰিছে। আগতকৈ কৰ্মচাৰীৰ সংখ্যাও যথেষ্ট বৃদ্ধি হৈছে।

বিভিন্ন দিশত অধ্যয়নপুষ্ট শ্ৰদ্ধাৰ ব্যক্তি সকলক আমন্ত্ৰিত কৰি আনি, তেখেত সকলৰ দ্বাৰা ছাত্ৰীসকলক সকলো দিশতে পাৰ্গত কৰি তোলাৰ প্ৰচেষ্টা কৰা হৈছে। প্ৰাক্তন ছাত্ৰী সকলৰ কমিটিখনো আজিকালি যথেষ্ট সক্ৰিয় অৱস্থা প্ৰাপ্ত হোৱা দেখা গৈছে। প্ৰাক্তন ছাত্ৰী সমাৰোহবোৰ আজিকালি যথেষ্ট আকৰ্ষণীয় হৈ উঠিছে।

মুঠতে আগতকৈ দেশ সকলো দিশতে বহুত আগবাঢ়ি গৈছে আৰু পৰিবৰ্তনো হৈছে যথেষ্ট। এনে ক্ষেত্ৰত আমাৰ মৰমৰ মহাবিদ্যালয়খনৰো পৰিবৰ্তন আৱশ্যাম্ভী।

গীতালি ঃ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে আপুনি কেনে পৰামৰ্শ আগবঢ়াব?

কুমাৰিকা ঃ মহাবিদ্যালয় কতৃপক্ষই ইতিমধ্যে যথেষ্ট ব্যৱস্থা হাতত লৈছে।

বিশ্ববিদ্যালয়, আন আন মহাবিদ্যালয়ৰ জ্ঞানৰ কাণ্ডাৰী সকলক সময়ে সময়ে মহাবিদ্যালয়লৈ আনি, অধিক জ্ঞান প্ৰদানৰ ব্যৱস্থা কৰি আহিছে। মোৰ সীমিত জ্ঞানেৰে শ্ৰদ্ধাৰ শিক্ষাগুৰু সকলক পৰামৰ্শ দিয়াৰ ধৃষ্টতা নকৰোঁ।

ভালপাওঁ বৰ মহাবিদ্যালয়খনক। মোৰ আধৰুৱা সপোন পূৰ হৈছে ইয়াৰ বাকৰিতে। সৰ্ব্বতোপ্ৰকাৰ মঙ্গল কামনা কৰোঁ মহাবিদ্যালয়খনৰ।

ধন্যবাদ কুমাৰিকা তালুকদাৰ। ■



**তুতুমণি গগৈ বুঢ়াগোঁহাই**

প্ৰাক্তন ছাত্ৰী

অহাইঅ, আমেৰিকা যুক্তৰাষ্ট্ৰ।

গীতালি ঃ ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আপুনি কোনটো বৰ্ষৰ ছাত্ৰী আছিল?

তুতুমণি ঃ মই ডিগবৈ মহিলা মহাবিদ্যালয়ৰ ১৯৯৯-২০০১ বৰ্ষৰ ছাত্ৰী আছিলোঁ।

গীতালি ঃ পঢ়ি থকা কালছোৱাৰ আপোনাৰ যিকোনো এটি স্মৰণীয় ঘটনা উল্লেখ কৰকচোন।

তুতুমণি ঃ কলেজীয়া জীৱনৰ কালছোৱাৰ স্মৃতি প্ৰকৃতাৰ্থতেই চিৰদিনিয়া স্মৰণীয় স্মৃতি। কলেজত অধ্যয়ন কৰা কালছোৱা প্ৰতিজন বিদ্যাৰ্থীৰ বাবে হৈ পৰে অতি মোহনীয়, অপুৰুগীয়া আৰু আৱেগ-জড়িত। সেয়েহে হয়তো কলেজীয়া জীৱনৰ সেই আপুৰুগীয়া মূৰ্হুতবোৰে আমাৰ

বুকুত মাজত চিৰদিনৰ বাবে ঠাই লয়। এই পৃথিৱীত হয়তো এনে কোনো ব্যক্তি নোলাব যাৰ সৈতে কলেজীয়া জীৱনৰ কালছোৱাত কোনো এক স্মৰণীয় ঘটনা ঘটি যোৱা নাই। ময়ো ইয়াৰ ব্যতিক্ৰম নহয়। মোৰ সৈতেও কলেজীয়া জীৱনৰ এনে বহু স্মৰনীয় ঘটনা আছে যি বোৰ আজিও মোৰ মনৰ এক আছুতীয়া কোণত সজীৱ হৈ আছে। তাৰে ভিতৰত এটা অতি অবিস্মৰণীয় ঘটনাৰ বিষয়ে লিখিবলৈ লৈছো যিটো মই মোৰ সেই দিনটোৰ এটা উল্লেখযোগ্য কথা বুলি ধৰি লৈছিলোঁ আৰু মোৰ 'ডায়েৰী'ৰ পাতত লিখি থৈছিলোঁ।

২০০০ চনৰে কথা। কলেজত কলেজ সপ্তাহৰ উথপ থপ পৰিবেশ। মোৰ বন্ধুবৰ্গৰ মাজৰে কোনোৱে যদি বেডমিণ্টনত ভাগ লৈছে তেন্তে আন কোনোৱে আকৌ দৌৰত, কোনোৱে যদি নাচ-গানত কোনোৱে আকৌ কুইজ প্ৰতিযোগিতাত। কোনো কোনোৱে আকৌ সকলোতে অংশগ্ৰহণ কৰিছিল। মুঠতে কলেজ সপ্তাহ মানেই আছিল আমাৰ সকলোৰে বাবে এক উলহ-মালহৰ সপ্তাহ। সেই সময়ত দুখ ভাগৰে কাৰোৰেই লগ ল'ব নোৱাৰিছিল। কলেজৰ বুকুত সকলোৱে হেঁপাহ পলুৱাই আনন্দ কৰিছিল। মই কিন্তু কোনো ক্ষেত্ৰতেই অধিক পাকৈত নাছিলোঁ যদিও প্ৰায়বোৰ প্ৰতিযোগিতাতেই অংশগ্ৰহণ কৰিছিলোঁ। তাৰে ভিতৰত মোৰ আটাইতকৈ ভাল লগা খেলৰ প্ৰতিযোগিতাবিধ আছিল আমাৰ পৰম্পৰাগত খেল টেকেলি ভঙা প্ৰতিযোগিতা। ই এক আমোদজনক খেল আছিল মোৰ বাবে। টেকেলি ভঙা প্ৰতিযোগিতাটো যিমান সহজ খেল যেন লাগিলেও সিমান সহজ নাছিল। এজনী এজনী কৈ খেলি গৈ আছিল খেলখনত অংশগ্ৰহণ কৰা সকলে কিন্তু কোনেও ভাঙিব পৰা নাছিল তেতিয়ালৈকে। এইবাৰ আহিল অমুকাৰ পাল। সকলোকে চকুত কাপোৰ বান্ধি দিয়াৰ দৰে মোৰ চকুটো বান্ধি দিয়া হৈছিল কাপোৰ।

কিন্তু আমোদজনক কথাটো আছিল যে মোৰ চকুত বান্ধি দিয়া কাপোৰখন তেনেই ধিলা আছিল। অৰ্থাৎ মই কাপোৰখনৰ তলেদি সকলোবোৰ দেখি আছিলো। কিন্তু সেই কথা মই কাকোৱেই অৱগত নকৰি মই ধুনীয়াকে টেকেলিটো ভাঙি প্ৰথম বিজয়ী হিচাপে ঘোষিত হ'লো। খেলখন আকৌ তদাৰক কৰিছিল আমাৰ সকলোৰে শ্ৰদ্ধাৰ ছাৰ শ্ৰীযুত কৃপা উপাধ্যায় ছাৰে। ছাৰে মোৰ নাম ঘোষণা কৰিলে প্ৰথম বিজয়ী হিচাপে। ছাৰে ঘোষণা কৰাৰ মুহূৰ্তত মোৰ মনলৈ হাজাৰ সুখ নামি আহিছিল যদিও মোৰ অৱচেতন মনটোৰ মাজত যুদ্ধ চলিবলৈ আৰম্ভ কৰিছিল ইতিমধ্যেই। মই দুধুৰ-মুধুৰত পৰিছিলো। এফালে আছিল পুৰস্কাৰৰ লোভ আনফালে আছিল মোৰ সততা। কি কৰো কি নকৰো ভাবি শেষলৈ মোৰ মনলৈ সৰুৰে পৰা শিকি অহা "Honesty is the best policy" বাক্যাংশ বাৰে বাৰে মোৰ মনলৈ আহিবলৈ ধৰিল। অৱশেষত সততাই জয় কৰিলে মোৰ মনটোক। তেতিয়াই মই তাৰাতাৰিকৈ ছাৰক কথাটো জানিবলৈ দিলো। ছাৰে কথাটো জানিবলৈ পাই ইমানেই সুখী হ'ল যে কলেজ সপ্তাহৰ শেষৰ দিনটোত অৰ্থাৎ পুৰস্কাৰ বিতৰণি সভাৰ সেই দিনটোত সমূহীয়াকৈ সকলোৰে সন্মুখত মুকলিকৈ মোৰ কথাটো প্ৰকাশ কৰিছিল। মোৰ ভালো লাগিছিল কিন্তু লাজো লাগিছিল কিয়নো কথাটো মই ইমানখিনি হ'ব বুলি ভাবি ছাৰক জনোৱা নাছিলো কেৱল মই কৰা কামটো যে মুঠেই ভাল হোৱা নাছিল সেই কথা ভাবিহে মই ছাৰৰ জানিবলৈ দিছিলোঁ। কলেজৰ দিনৰ সেই ঘটনাটো মোৰ বাবে এক অবিস্মৰণীয় ঘটনা আছিল। মনৰ মাজত হোৱা সেই যুদ্ধখন, মিছাকৈ জিকি পুৰস্কাৰ লৈ আত্মসন্মানত হোৱা আঘাত, কৃপা ছাৰৰ উষ্ম প্ৰশংসা, উফ সেই সকলোবোৰ মিলি মোৰ সেই দিনটো মোৰ জীৱনৰ এক স্মৰণীয় দিন কৰি তুলিছিল। এতিয়াও এই

কথাযাৰ ছাৰৰ মনত আছে নে নাই সেই কথা মই সঠিক কৈ ক'ব নোৱাৰিম কিন্তু ছাৰৰ সেই প্ৰশংসাই মোৰ মনত আজিও দকৈ সাঁচ বহাই থৈছে। সঁচা কথাৰ আশ্ৰয়লৈ সেইদিনা যি সুখ পাইছিলোঁ সেই সুখৰ তুলনা আন কোনো সুখৰ লগতেই কৰিব নোৱাৰি। পিছলৈ ছাৰে মোক যেতিয়াই লগ পাইছিল তেওঁ প্ৰায়ে এষাৰ কথাই কৈছিল যে "তোমাৰ সেই সততাৰ কথা মই আজিকালি প্ৰায়েই মিটিংবোৰত কওঁ"। ছাৰৰ মুখৰ সেই বাণী মোৰ বাবে অমৃতৰ বাণী আছিল।

গীতালি ঃ মহাবিদ্যালয়ৰ তেতিয়াৰ আৰু এতিয়াৰ পৰিবেশৰ মাজত কি কি পাৰ্থক্য দেখিছে?

তুতুমণি ঃ ডিগবৈ মহিলা মহাবিদ্যালয়ত উচ্চতম মাধ্যমিকৰ দুবছৰীয়া শিক্ষা সম্পূৰ্ণ কৰি যেতিয়া উচ্চ শিক্ষাৰ বাবে গুৱাহাটীলৈ আহো সঁচা অৰ্থত সেই সময়ত মোৰ মনত এনে ভাৱ হৈছিল যে কিয় মই মোৰ আপোন কলেজখন এৰি ইয়ালৈ আহিলোঁ। স্কুলীয়া শিক্ষা সমাপ্ত কৰি কলেজীয়া জীৱনত ভৰি দিয়াৰ লগে লগেই জীৱনত প্ৰথম বাৰৰ বাবে এটা মুক্ত আৰু স্বাধীনচিতীয়া পৰিৱেশৰ অনুভৱ কৰিছিলোঁ। কলেজীয়া জীৱনত স্কুলৰ দৰে পদেপদে অনুশাসন নাছিল। কলেজত ভৰি দিয়েই বহুতো নতুন নতুন বান্ধৱীক লগ পাইছিলোঁ। তই মই সম্বন্ধেৰে বন্ধুত্বসমূহ সাৱলীল হৈ উঠিছিল। জীৱনত প্ৰথমবাৰৰ বাবে কলেজৰ চৌহদত ভৰি দি যি এক সুকীয়া মদকতাৰ অনুভৱ কৰিছিলো সেই মাদকতা মই আজিও ক'তো বিচাৰি পোৱা নাই।

২০০১বৰ্ষতে এৰি থৈ অহা কলেজখনলৈ নিজৰ জন্মভূমিৰ পৰা আঁতৰি বাহিৰত থাকিবলগীয়া হোৱাৰ হেতুকে কলেজলৈ যোৱাৰ সুযোগ প্ৰায়ে নিমিলে। ২০২২ বৰ্ষত ঘৰলৈ যাওঁতে আমাৰ বাইদেউ জোনালী বুঢ়াগোঁহাই দাসে, শ্ৰদ্ধাৰ শ্ৰীযুত জুবিয়েল কলিতা ছাৰে আয়োজিত কৰা এটি সুন্দৰ অনুষ্ঠানত দৰ্শক হিচাপে ভাগ ল'বলৈ অনুৰোধ

জনোৱাত কলেজলৈ যোৱাৰ সুযোগ ঘটিছিল। মই কোন কাহানিতে এৰি থৈ মহাবিদ্যালয়খনত ভৰি দিয়েই তেতিয়াৰ আৰু এতিয়াৰ পৰিবেশৰ মাজত বহুতো পাৰ্থক্য দেখিবলৈ পাইছিলো। কলেজৰ এনে নৱ ৰূপ দেখি হতবাক হৈ পৰিছিলোঁ। আমি পঢ়ি থকা কালছোৱাত মহাবিদ্যালয়ত আজিৰ দৰে বিশাল আটকধুনীয়া প্ৰেক্ষাগৃহ নাছিল। নাছিল এতিয়াৰ দৰে সুস্বাদু খাদ্যৰ সম্ভাৰেৰে ভৰা বিশাল কোঠাৰ কেণ্টিনখন। এটা সৰু কোঠাত কোনোমতে কেণ্টিনখন চলি আছিল। পুথিভঁৰালটোৰ বেলিকাও সেই একেই আছিল। এটা সৰু কোঠাত ঠেকঠুককৈ কোনোমতে কলেজৰ কৰ্তৃপক্ষৰ দ্বাৰাই সজাই পৰাই থোৱা হৈছিল। কিন্তু এতিয়া আৰু সেই পৰিবেশ নাই। তেতিয়াৰ পৰিবেশ আৰু এতিয়াৰ পৰিবেশৰ মাজত বৃহত পাৰ্থক্য দেখিবলৈ পাই মনটো উৎফুল্ল হৈ পৰিল। হাজাৰৰো অধিক ছাত্ৰী বহিব পৰা এটা বৃহৎ প্ৰেক্ষাগৃহ, ৩৩   তাতকৈ অধিক কম্পিউটাৰেৰে সুসজ্জিত বাতানুকুল সভাকক্ষ, ২২ হাজাৰতকৈও অধিক গ্ৰন্থ আৰু অন্যান্য মানবিশিষ্ট আলোচনীৰে পৰিপূৰ্ণ উন্নত পুথিভঁৰাল, নিৰ্দিষ্ট বিভাগৰ শিক্ষক সকলৰ বিভাগভিত্তিক জিৰণি কোঠাৰ সু ব্যৱস্থা, সেউজ গৃহ ইত্যাদিৰ সমাবেশে মহাবিদ্যালয়খনিক বৃদ্ধি কৰিছে এক অনন্য সৌন্দৰ্য্যতা ও মৰ্য্যদাৰ আন এক মাত্ৰা। আশাকৰোঁ আগন্তুক দিনবোৰতো এনেদৰেই ন ন পৰিকল্পনাৰে জ্ঞান আৰু প্ৰজ্ঞাৰ ৰশ্মি বিকিৰণ কৰি তৈল্য নগৰী ডিগবৈৰ বুকুত চিৰকাল জিলিকি থাকক আমাৰ অতিকে আপোন ডিগবৈ মহিলা মহাবিদ্যালয়।

গীতালি ঃ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে আপুনি কেনে পৰামৰ্শ আগবঢ়াব?

তুতুমণি ঃ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে সজ পৰামৰ্শ আগবঢ়াব পৰাকৈ মই এতিয়ালৈও তেনে পৰ্য্যায়ৰ হোৱাগৈ নাই বুলিয়েই নিজকে ভাৱো। তথাপিও মই এই প্ৰশ্নৰ

উত্তৰটো দিবই লাগিব সেয়েহে মই মোৰ সিমিত জ্ঞানেৰে মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী হিচাপে নতুবা মহাবিদ্যালয়ৰ শুভচিন্তক হিচাপে কেইটামান পৰামৰ্শ আগবঢ়াবলৈ চেষ্টা কৰিছো।

১) বছৰৰ পিছত বছৰে শৈক্ষিক পৰিক্ৰমাক বুকুত কঢ়িয়াই প্ৰজন্মৰ পৰা প্ৰজন্মলৈ অবিৰতভাৱে জ্ঞানৰ সঞ্চাৰ কৰি অহা শিক্ষানুষ্ঠানখনক শিক্ষক আৰু ছাত্ৰী উভয়ে অতি সততা, নিষ্ঠা আৰু আন্তৰিকতাৰে শিক্ষানুষ্ঠানখনৰ সৰ্বাংগীণ বিকাশৰ হেতুকে নিজৰ নিজৰ কৰ্ম সুচাৰু ৰূপে কৰি যাব লাগে বুলি মই ব্যক্তিগত ভাৱে অনুভৱ কৰো।

২ ) ছাত্ৰীসকলৰ অভাৱ অভিযোগৰ লগতে সৰ্ব্বোৎকৃষ্ট শিক্ষা ছাত্ৰীসকলে লাভ কৰিবলৈ সক্ষম হৈছেনে নাই সেই কথা অতি গুৰুত্বসহকাৰে লোৱাটো মহাবিদ্যালয়ৰ শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়াকে প্ৰমুখ্য কৰি শ্ৰদ্ধাৰ শিক্ষাগুৰুসকলৰো প্ৰধান দায়িত্ব হোৱা উচিত বুলি মই ভাৱো। ছাত্ৰীসকলৰো এটাই কথা মনত ৰখা উচিত যে যি সকল শিক্ষাগুৰুয়ে মানৱ সম্পদ গঢ়ি তুলিবলৈ তেওঁলোকৰ যি বহুমূলীয়া জীৱন ত্যাগ দিব লগীয়া হয় সেই ত্যাগৰ উচিত মূল্য তেতিয়াহে দিয়া হ'ব যেতিয়া ছাত্ৰীসকলে নিজৰ যি কোনো দক্ষতাৰে বিদ্যালয়লৈ সুনাম কঢ়িয়াই আনিবলৈ অধিক গুৰুত্ব দিব।

৩) ছাত্ৰীসকলে কেৱল নিজৰ পাঠ্যপুথিতে ব্যস্ত নাথাকি সৰ্বাংগীণ বিকাশৰ ওপৰত গুৰুত্ব আৰূপ কৰি তেওঁলোকৰ বিভিন্ন ক্ষেত্ৰত থকা প্ৰতিভাসমূহকো বিকাশ কৰিবলৈ ৰাজ্যিক ভিত্তিত অনুষ্ঠিত হোৱা গীত, নৃত্য, তৰ্ক, নাটক, বিভিন্ন খেল ইত্যাদিত অংশগ্ৰহণ কৰি নিজৰ লগতে মহাবিদ্যালয়ৰো গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ যত্ন কৰিব লাগিব।

৪) প্ৰত্যেক গৰাকী ছাত্ৰীয়েই যাতে গুণগত শিক্ষাৰ সুবিধা লাভ কৰে তাৰ বাবে মহাবিদ্যালয়ে সকলোধৰণৰ উন্নত পদক্ষেপ গ্ৰহণ কৰিব লাগিব। আমাৰ শিক্ষা ব্যৱস্থাত ছাত্ৰীসকলক আধুনিক পৃথিৱীত সফল হ'বলৈ প্ৰয়োজনীয় দক্ষতা যেনে ধৰক সমালোচনাত্মক চিন্তাধাৰা আৰু সমস্যা সমাধানৰ ওপৰত অধিক গুৰুত্ব দিব লাগিব। এইক্ষেত্ৰত শ্ৰদ্ধাৰ শিক্ষকসকলৰ সহযোগিতা অন্যতম।

৫) ইয়াৰোপৰি ছাত্ৰীসকলে নিজৰ পাঠ্যপুথিৰ উপৰিও বাহিৰা কিতাপ পঢ়াৰ ওপৰত অধিক গুৰুত্ব দিব লাগিব। নিয়মীয়া কাকত, আলোচনী সমূহত বিভিন্ন লেখা প্ৰদান কৰি লিখন চৰ্চা অব্যাহত ৰাখিবলৈ যত্ন কৰা উচিত।

৬) ছাত্ৰীসকলৰ সৈতে বছৰত ক'মেও দুবাৰকৈ শৈক্ষিক আৰু সামাজিক বিষয়বস্তুৰ সন্দৰ্ভত মত-বিনিময় অনুষ্ঠান আয়োজিত কৰিব লাগে। অসমৰ বিশিষ্ট শিক্ষাবিদ, বুদ্ধিজীৱীসকলৰ লগতে স্থানীয় বিধায়কক আমন্ত্ৰণ কৰি শিক্ষাৰ্থী সকলক অধিক উৎসাহিত কৰিব লাগে যাতে এনে ধৰণৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি অসম চৰকাৰলৈও অসমৰ বিভিন্ন সমস্যা আৰু তাৰ সমাধাণৰ বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়াব পাৰে।

সৰ্বশেষত ডিগবৈ মহিলা মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নতিৰ কামনা কৰিলোঁ।

ধন্যবাদ তুতুমণি গগৈ বুঢ়াগোঁহাই। ■



**প্ৰীতিমালা তালুকদাৰ শইকীয়া,** প্ৰাক্তন ছাত্ৰী

বাংগালোৰ

Craft work business

গীতালি ঃ ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আপুনি কোনটো বৰ্ষৰ ছাত্ৰী আছিল?

প্ৰীতিমালা ঃমই ডিগবৈ মহিলা মহাবিদ্যালয়ৰ ২০১০ বৰ্ষৰ ছাত্ৰী আছিলোঁ।

গীতালি ঃ পঢ়ি থকা কালছোৱাৰ আপোনাৰ যিকোনো এটি স্মৰণীয় ঘটনা উল্লেখ কৰকচোন।

প্ৰীতিমালা ঃ মোৰ প্ৰিয় বিষয় আছিল h.scence লগতে সেই বিষয়ৰ দুয়োগৰাকী মেম ক্ৰমে আল্পনা মেম আৰু বৰ্তমান কলেজৰ অধ্যক্ষাৰ পদ শুৱনি কৰি আছে ড°সঞ্জিতা মেমমোৰ অতিকে শ্ৰদ্ধাৰ আছিল। তেখেতসকলৰ বন্ধুত্ব সূলভ ব্যৱহাৰে home science ৰ ক্লাছ সমূহ কৰিবলৈ সততে আগ্ৰহী কৰি তোলাৰলগতে সহজেই পাঠ্যক্ৰমৰ বিষয় সমূহ নিজৰ আয়ত্তলৈ অহাত সুবিধা হৈছিল। আল্পনা মেমলৈ অৱশ্যে কিছু ভয়ো নলগা নহয়। ৰূপালী জয়ন্তী, আমাৰেই সৌভাগ্য যে, আমি পঢ়ি থকা সময়তে আমাৰ কলেজে ৰূপালী জয়ন্তীবৰ্ষ গৰকিছিল। সেয়ে অনুষ্ঠানটিৰ লগত ওতপ্ৰোত ভাবে জড়িত হৈ পৰাৰ সুবিধা লাভ কৰিছিলোঁ। কলেজৰ মেম চাৰ সকলেও এইক্ষেত্ৰত আমাক যথেষ্ট উৎসাহিত কৰিছিল। আমি ছাত্ৰীসকলে মিলি জুলি সকলো কামতে আগভাগ লোৱাৰ প্ৰেৰণা পাইছিলোঁ। আল্পনা মেম আৰু সঞ্জিতা মেমে মোৰ ওপৰত গভীৰ বিশ্বাস ৰাখি, সেই অনুষ্ঠানটোৰ মঞ্চ সজ্জাৰ গুৰু দায়িত্ব অৰ্পন কৰে। নিজে ভাল পোৱা কাম এটা কৰাৰ সুযোগ পাই, মন আনন্দত নাচি উঠে। কেইগৰাকীমান ইচ্ছুক ছাত্ৰীক সহযোগী হিচাপে লৈ, নিজৰ সাধ্যানুসাৰে কামটো সমাধান কৰিবলৈ চেষ্টা কৰিছিলোঁ। ভাল পাইছিল সকলোৱে। শলাগ লৈছিল আমাৰ কামৰ। সেই সময়ৰ, সেই সুযোগ, মোৰ জীৱনত কলেজ লাইফৰ এটি মধুৰ স্মৰণীয় ঘটনা হৈ, মোৰ মানসপটত চিৰদিন জিলিকি থাকিবঙ্গ তেখেত সকলৰ লগত, কলেজ এৰাৰ ইমান বছৰৰ পাছতো মৰমৰ সম্পৰ্ক অটুত আছে। দুয়োগৰাকী মেমলৈ মোৰ শ্ৰদ্ধা জ্ঞাপন কৰি সুস্বাস্থ্য কামনা কৰিলোঁ।

গীতালী ঃ মহাবিদ্যালয়ৰ তেতিয়াৰ আৰু এতিয়াৰ পৰিবেশৰ মাজত কি কি পাৰ্থক্য দেখিছে?

প্ৰীতিমালা ঃ যোৱা বছৰ আমি অসমলৈ যাওঁতে, সুযোগ বুজি কলেজলৈ

গৈছিলোঁ। কলেজলৈ সোমোৱা গেটৰ বাহিৰতে সুন্দৰকৈ ডাঙৰ ডাঙৰ আখৰেৰে লিখা কলেজৰ নাম ফলকখন দেখি মন ভৰি গ'লঙ্গ আমি পঢ়ি থকা সময়তকৈ, কলেজৰ ৰূপ বহুখিনি সলনি হ'ল। সময়ৰলগত হোৱা ইতিবাচক পৰিবৰ্তনে সফলতা কঢ়িয়াইঙ্গ কলেজৰলগত জড়িত প্ৰতিজন শুভচিন্তকৰ কষ্টৰ ফচল এয়া , যাৰবাবে আজি কলেজখনে সকলো দিশতে সময়ৰ লগত ফেৰ মাৰি আগবাঢ়ি যাবলৈ সক্ষম হৈছেঙ্গ এনেদৰে সকলোৰে সহযোগিতাত নিশ্চয় আমাৰ মৰমৰ কলেজখন দোপতদোপে আগবাঢ়ি যাবলৈ সক্ষম হ'ব।

গীতালি ঃ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে আপুনি কেনে পৰামৰ্শ আগবঢ়াব?

প্ৰীতিমালা ঃ মাজে সময়ে সঞ্চিতা মেমৰলগত হোৱা টেলিফ'নিক বাৰ্তালাপৰ জৰিয়তে, কলেজত হোৱা পৰিবৰ্তন আৰু সকলোৰে কলেজখনৰ উন্নতিৰ হকে কৰা কষ্টৰলগতে প্ৰচেষ্টাৰ বিষয়েও এটি সম্যক ধাৰণা কৰিব পাৰোঁ। তেখেত সকলে কৰা কষ্ট আৰু ত্যাগ সঁচাকৈয়ে আদৰ্শনীয়ঙ্গ পৰামৰ্শ দিব পৰাকৈ মই নিজকে যোগ্য বুলি নাভাবো। তথাপি মনেৰে আশা কৰোঁ, কলেজখন বিভিন্ন দিশত আৰু আগবাঢ়ি যাওক আৰু সমগ্ৰ অসমৰ ভিতৰতে এখন জাকত জিলিকা কলেজ হৈ উঠক। আমাৰ শুভকামনা সদায়েই আছে আৰু চিৰজীৱন থাকিবঙ্গ কলেজখনৰ লগত আমাৰ আবেগ জড়িত হৈ আছে। আমাৰ কলেজ আমাৰ গৌৰৱ ঙ্গ প্ৰাক্তন ছাত্ৰী হিচাপে নিজৰ পৰিচয় দিবলৈ গৌৰৱ অনুভৱ কৰোঁঙ্গ শেষত গীতালি বাৰ্লৈ মৰম দিলোঁ যি মোক এই প্ৰশ্ন কেইটা শুধি পুনৰ কলেজ জীৱনলৈ ঘূৰাই লৈ যোৱাৰ বাবে।।। ন পুৰণি সকলো শিক্ষা গুৰুলৈ মোৰ সেৱা জনালোঁ আৰু তেখেতসকল সু স্বাস্থ্যৰ গৰাকী হওক তাকে প্ৰাৰ্থনা কৰিলোঁ।

ধন্যবাদ প্ৰীতিমালা তালুকদাৰ শইকীয়া। ■



**জাহ্নৱী বৰগোঁহাই,** প্ৰাক্তন ছাত্ৰী
অসম চৰকাৰৰ গুৱাহাটী কাহিলীপাৰাৰ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ সমাজশাস্ত্ৰ বিভাগৰ প্ৰবক্তা।

গীতালি ঃ ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আপুনি কোনটো বৰ্ষৰ ছাত্ৰী?

জাহ্নৱী ঃ ২০০৯-২০১২ বৰ্ষৰ ছাত্ৰী আছিলো।

গীতালি ঃ পঢ়িথকা কালছোৱাৰ আপোনাৰ যিকোনো এটি স্মৰণীয় ঘটনা উল্লেখ কৰকচোন।

জাহ্নৱী ঃ ২০২২ চনত ঘোষিত হোৱা মোৰ পৰীক্ষাৰ ফলাফল, কাৰণ মোৰ মা-দেউতা দুয়ো শাৰীৰিক অসুস্থতাত সন্মুখীন হৈছিল, Major class এটা কৰিবলৈও পৰা নাছিলোঁ। কিন্তু প্ৰভাত ছাৰ, জোনালী মেম, পুৰবী মেম এ যি খিনি সুবিধা আগবঢ়াই দিছিল, মোৰ বাবে চিৰ স্মৰণীয়। তেওঁলোকৰ উৎসাহ আৰু আৰ্শীবাদ, লগতে কৰা মোৰ বাবে যতন সদায় মনত আছে, আৰু চিৰদিন থাকিব।

গীতালি ঃ মহাবিদ্যালয়ৰ তেতিয়া আৰু এতিয়াৰ পৰিৱেশৰ মাজত কি কি পাৰ্থক্য দেখিছে?

জাহ্নৱী ঃ অলপ পাৰ্থক্য দেখিছোঁ, ছাত্ৰী সকলৰ মাজত।
(ক) তেওঁলোকৰ ব্যৱহাৰ মাজত পৰিবৰ্ত্তন ঘটিছে।
(খ) তেওঁলোকৰ মহাবিদ্যালয় খনলৈ থকা আৱেগ আৰু অনুভূতি বোৰৰ পৰিবৰ্ত্তন দেখিছোঁ।
(গ) শিক্ষক আৰু ছাত্ৰী সকলৰ মাজৰ সম্পৰ্কৰ পৰিবৰ্তন ঘটিছে।

গীতালি ঃ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰে উন্নয়নৰ বাবে আপুনি কেনে

পৰামৰ্শ আগবঢ়াব?

জাহ্নৱী ঃ মহাবিদ্যালয়খনৰ সকলো ছাত্ৰী-শিক্ষক-শিক্ষয়িত্ৰী-অভিভাৱক সকলোৰ মাজত একতা আৰু সহযোগিতা স্থাপন হোৱাটো বিচাৰিছোঁ।

ধন্যবাদ জাহ্নৱী বৰগোহাঁই। ■



**ৰিশা চেত্ৰী,** প্ৰাক্তন ছাত্ৰী

নৃত্য শিল্পীৰ লগতে এগৰাকী অভিনয় শিল্পী।

বৰ্তমান ৰেঙনীচেনেলৰ ধাৰাবাহিক বেহাৰবাৰী আউটপোষ্টৰ এগৰাকী আৰক্ষীৰ অভিনয়ত ব্যস্ত।

গীতালি ঃ ডিগবৈ মহিলা মহাবিদ্যালয়ৰ আপুনি কোনটো বৰ্ষৰ ছাত্ৰী আছিল?

ৰিশা ঃ মই ২০১৩ ৰপৰা ২০১৬ বৰ্ষৰ ছাত্ৰী আছিলো।

গীতালি ঃ পঢ়ি থকা কালছোৱাৰ আপোনাৰ যিকোনো এটি স্মৰণীয় ঘটনা উল্লেখ কৰকচোন?

ৰিশা ঃ মোৰ এইটো মনত আছে, যেতিয়া মই প্ৰথম কলেজ'লৈ গৈছিলো খুব ৰেগিং হয় তেতিয়া। ডাঙৰ সকলৰ লগত অলপ ভূল বুজা বুজিও হৈছিল। এদিন মই গোটেই ৰাস্তা কান্দি কান্দি ঘৰলৈ গৈছিলো ইউনিয়নৰ কেইগৰাকীমান লিডাৰৰ লগত কাজিয়া লাগি। কিন্তু পাছত সেই ইউনিয়নে মোক কলেজৰ সাধাৰণ সম্পাদিকা হিচাপে উঠালে, ইলেক্সনৰ সময়ত খুব সহায় কৰিছিল। মই বহুত ভোট পাই জিকিবলে সক্ষম হৈছিলো। পাচত সকলোৰে লগত খুবেই

ভাল সম্পৰ্ক হ'ল আৰু এতিয়াও হৈ আছে। সেইয়া মোৰ ভাল লগা সময় আৰু মনত থকা এটা ধুনীয়া স্মৃতি।

গীতালি ঃ মহাবিদ্যালয়ৰ তেতিয়াৰ আৰু এতিয়াৰ পৰিবেশৰ মাজত কি কি পাৰ্থক্য দেখিছে?

ৰিশা ঃ আমি পঢ়ি থাকোতে কেন্টিনৰ পৰিবেশ বৰ এটা ভাল নাছিল। কিন্তু মই সধাৰণ সম্পাদিকা হোৱাৰ পাছতেই বহুত খিনি সলনি হৈছিল। এতিয়া তাত নতুন আৰু ধুনীয়া কেন্টিন আছে। তেনেকৈ বহুতখিনি সলনি হ'ল যিটো ভালৰ বাবেই হ'ল।

গীতালি ঃ মহাবিদ্যালয়ৰ সৰ্বতোপ্ৰকাৰৰ উন্নয়নৰ বাবে আপুনি কেনে পৰামৰ্শ আগবঢ়াব?

ৰিশা ঃ ???

ধন্যবাদ ৰিশা চেত্ৰী। ■



**Arunima Bhuyan**

Ex. Student, Addi SP Sadiya.

Gitali : In which year did you study at Digboi Mahila Mahavidyalaya?

Arunima : I joined Digboi Mahila Mahavidyalaya in the year 1997 for my Graduation.

Gitali : Please mention one memorable incident during your study period this college.

Arunima : While in college I was known to be a shy kind of a girl and I do remember we, the girls of English

major, once took part in a cultural program where we enected a musical drama named ‘Modern Ramayana’ . In that drama I was in the lead role of Ram and everyone, including my teachers were quite surprised by our performance, we enjoyed like anything while in college. Those were the golden days of my life and I will always cherish those memories.

Gitali : What are you differences between present atmosphere of the college and that you got at the time of your study.

Arunima : Recently I visited my college and I have seen some structural developments but rather than that the teaching environment seems to be of the same standard as our college always has a very good reputation of having a good teaching environment.As an institution for women’s education, I highly appreciate the work of all those personalities who are engaged in giving shape to this esteemed institution for such a long time.

Gitali : What would you suggest for the all round development of the college.

Arunima : For the overall development of an educational institution, it is quite important that co curricular and vocational activities are given as much importance as the bookish knowledge. And as I have been in touch with our college in recent days, I am quite aware that Digboi Mahila Mahavidyalaya has kept itself abreast with all these and has organised seminars and sports

events, in order to cater to the needs of all the young students.

Thankyou Arunima Bhuyan. ■



**Sangita Pasi**

Ex. Student, Department of Economics, DMM.

Advocate, Former Subdivisional Judicial Magistrate, Margherita, worked as a Member (Attached) of the Foreigners Tribunal in Tinisukia and subsequently in the Foreigners Tribunal at South Salmara under the Govt. Of Assam.

Gitali : In which year did you study at Digboi Mahila Mahavidyalaya?

Sangita: Graduated in the year 2000 with a Major in Economics(1st class) ...

Gitali : Please mention one memorable incident during your study period this collage.

Sangita : The college days were beautiful... The then Principal was Respected Lt Dr. Kanteswar Deka Sir..he was a pioneer of the college . Everything about the college was so wonderful , the coordination of students and our respected lecturers were very good.. ... I remember my lectures Madam Jayshree, Ruby Mam, Ajanta

Mam, Roma Mam (all from Economics dept) and Jovial Kalita Sir very fondly... I feel lucky that they were our guide and teachers.Infact each and every department are blessed with quality lectures.

Gitali : What are you differences between present atmosphere of the college and that you got at the time of your study.

Sangita : I have not been to the college since long so actually cannot comment on the changes that have taken place. It's a college of excellence for women imparting quality education infusing cultural and moral education for overall empowerment of women.. and i m proud to be student of Digboi Mahila Mahavidyalaya.

Gitali : What would you suggest for the all round development of the college.

Sangita : I feel introducing a department of information technology in the college will benefit the students to a great extent specially for those students who have financial strain to acquire knowledge in computer science in private institutions.

My very best wishes for Digboi Mahila Mahavidyalaya.

Thankyou Sangita Pasi. ■



**Jayanti Sharma**

Ex. Student, Advocate,Guwahati.

Rrsource Person, Indian Institute of Bank Management, Guwahati.

Former : 1. Assistant Professor(guest),Deptt. of Women's Studies, Guwahati University.
2. News Presenter, Frontier TV
3. Programme Anchor (casual),Doordarshan, PPE
4. News Anchor, News Live
5. News Coordinator, NE TV.

Gitali : In which year did you study at Digboi Mahila Mahavidyalaya?

Jayanti : I spent five beautiful years from 1999 through 2004.

I did both my Higher Secondary and Graduation from this institution.

Gitali : Please mention one memorable incident your study period this college

Jayanti : There are so many memories associated with DMM. To have to choose one would be doing real injustice.

However there's one such incident which I believe deserves mention.

It during our final year of graduation and the entire college was preparing to receive the NAAC Peer team.

All the departments were gearing up for it and our rooms were all decked up with new bookshelves, almirahs and books and academic journals and what not. Most of the departments also put up a notice board outside the rooms.

For some reason our department didn't have one and somehow our funds were exhausted to the point that we couldn't afford one.

But we longingly looked at the other departments and tried to somehow convince Urmi Ma'am one last time when she came to take her class.

We were rejected again with explanations as to how we just couldn't afford it.

I must have felt dejected and my expression did little to hide it.

By the end of the class Ma'am stopped teaching and asked if having a notice board was really that important that I was sitting with such a grumpy face in the class.

I must have nodded affirmatively. The next moment she opened her purse and took out a 500 rupee note and handed it to one of the hostel girls with directions to prepare the notice board.

I was so happy and touched that she was ready to spend her money for me.

My happiness must have shown for she too smiled and said 'happy now?'

Gitali : What are you differences between present atmosphere of the college and that you got at the time oh your study.

Jayanti : Oh there are so many!

For starters we have a lady principal at the moment.

The hostel is within the premises now, which was not so during our times. (Can't help reminiscing the off period umpteenth number of visits to the college hostel nearby)

Almost the entire college foors have tiled up. The landscaping around has also improved.

Then, there's a huge auditorium now. During our times we had a huge hall in the first floor for organising programmes which also doubled as the classroom for the huge Higher Secondary batches.

There's an advanced computer lab and enhanced library now.

But then the old library had a charm of it's own. (Not a complaint, just pure nostalgia)

The canteen is a huge upgrade from the tiny one of our times.

Gitali : What would you suggest for the all round development of the college.

Jayanti: Our institution is already making a lot of headway for the development of its students.

However, it would greatly benefit the students to have legal workshops and boot camps on a monthly or even semimonthly basis that would educate on their legal rights.

Similarly, a crash course in Gender Studies would also help the students in learning interdisciplinary methods to place women's standpoint and experiences at the center of study, while examining socio-cultural constructs of gender, apart from focusing more on the roles, experiences, and achievements of women in society.

I guess the college could set an example in social security by providing an anonymous complaint cell for the students with regard to any issue or insecurity they might encounter in the institution without any fear of repercussions.

There also could be facilities for a placement cell for pass out or final year students.

Availability of a self defence training could also go a long way in instilling self confidence among the girls.

Thankyou Jayanti Sharma. ■



**बसंती सोनार**

Ex. Student,

Designatio : Nutrition and weight management coach.

Yoga practitioner.

गीतालि : कौन से साल पे आप बिद्यार्थी थी ?

उत्तर : १९९८–२००४

गीतालि : आप के समय का एक यादगार घटना उल्लेख कीजिए। १९९८–२००४

उत्तर : हमने जीवन के एक लंबा समय ईश महाविद्यालय में बिताये है और हरेक दिन को एक नया अनुभव जिया है। वब पहला दिन जब सीनियर्स हमे इंद्रोडक्शन के लिये बुलाना, माइकल भैया और सह कर्मी हमेशा पार्किंग नियम को समझाना, गेट से लेकर दॉयलेट तक साफ सुथरा दैखना, कौंटीन मैं चाय समोसा बाट के खाना, सीडियो के एक कोने मैं चाय समोसा बाट के खाना, सीडियो के एक कोने मैं बैठ कर बातो मैं समरुफ हो जाना और टीचर आने के आहत से Classes पे दौड़ लगाना। फ्रेशर के दिन Jovel का Hotel California गाना, हरेक दीचर का बदे प्यार से सिखाना और कभी कभी डाट खाना। Library मैं बाते ना कर्नेकी चेतावनी पाना, रिजल्ट और एडमिशन के दिन ऑफिस ऐडमिन को घंटों न रुकारर दैर्य के साथ काम करते हुए देखना। हमारे Late Kanteshwar Deka Sir का वह एक दिन अपने चेम्बर पर बुलाके समझाना की सिक्षा और आत्मनिर्भर होने का महत्त्वता, जो मैं कभी नेही

भुली। प्रोजेक्ट वर्क, एक्जक्यूर्शन अैर पिकनिक कर टीचर्स और सीनियर्स का हमें बार बार पुछना की सब ठीक है न अैर भुख तो नेही लगी।

कॉलेज ने हमे अपने काम को ईमानदारी, प्यार, लगन और मस्ती के साथ करना सिखाया है। हमने बहुत सारे चुनौती का भी सामना किया पर नेही हार मान कर आगे बढ़ने के लिये तैयार किया जा रहा था हमें।

गीतालि : क्या पार्थक्य हैं हमारे समय में और अभी के DMM मै ?

उत्तर: समय के साथ परिबरण हुबा है। नये इमारते बन गये, सुवेधाये आा गये, खेल कूद और योगा को जोड़ा गया और स्टूडेंट्स के बिकाश के लिये जायदा से जायादा activities जोड़ी जा रही है और आगे भी आने वाले समय में उन्ननत होते रहेगा।

गीतालि : क्या आप DMM के बिकाश के लिय कुच बोलना चाहेंगे ?

उत्तर : हमे लगता है की कॉलेज मैनेजमेण्ट ने हमेशा कॉलेज के विकाश का पुरा धायन दिया है पर हमे लगता है कि अगर Online Admission Portal को और ध्यान दाने पर दुर से आय हुए स्टुड्ंट को सुवेधा हो जाती है। ■